# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ০৯/০২/২০১৮ শুকুৰবাৰ

---

**সদন পূৰ্বনিৰ্দ্ধাৰিত সময় মতে পুৱা ৯-৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ অধক্ষ্যতাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। তৰাচিহ্নি প্ৰশ্ন নং ৪১ মাননীয় সদস্য শ্ৰীৰবিৰাম নাজাৰ্ৰী। মাননীয় মন্ত্ৰী।

**শ্ৰীৰণজিৎ দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীৰবিৰাম নাজাৰ্ৰী (কোকৰাঝাৰ পশ্চিম)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভৈৰৱকুণ্ড জলসিঞ্চনৰ যিটো প্ৰকল্প সেই প্ৰকল্পটো বি.টি.এ. ডি এলেকাৰ ভিতৰত পৰে। ঠিক তেনেদৰে চম্পাৱতী জলসিঞ্চন প্ৰকল্প আৰু শুক্লাই জলসিঞ্চন প্ৰকল্প নামৰ দুটা ডাঙৰ প্ৰকল্প বি.টি.এ.ডি এলেকাৰ ভিতৰত আছে। অধ্যক্ষ মহোদয়, বি.টি.চি. চুক্তি মতে এই তিনিটা প্ৰকল্প অসম চৰকাৰে বি.টি.চিক হস্তান্তৰ কৰিব লাগে। সেইমৰ্মে চম্পাৱতী আৰু শুক্লাই জলসিঞ্চন প্ৰকল্প দুটা অসম চৰকাৰে বি.টি.চিক হস্তান্তৰ কৰিছে যদিও ভৈৰৱকুণ্ড জলসিঞ্চন প্ৰকল্পটো এতিয়ালৈকে অসম চৰকাৰে বি.টি.চিক হস্তান্তৰ কৰা নাই। এইক্ষেত্ৰত মই উল্লেখ কৰিব বিচাৰো যে ভৈৰৱকুণ্ড প্ৰকল্পটোৰ অভিযন্তাকে আদি কৰি চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীলৈকে সকলো কৰ্মচাৰী বি.টি.চিৰ নিয়ন্ত্ৰনাধীন আৰু বি.টি.চিৰ পৰাই দৰমহা পায়। কিন্তু প্ৰজেক্টৰ বাবে যিখিনি ধন আহে সেইখিনি অসম চৰকাৰে পায় আৰু পৰিচালনাৰ কামো অসম চৰকাৰেই কৰি আহিছে। ভৈৰৱকুণ্ড প্ৰকল্পটো অসম চৰকাৰে বি.টি.চিক হস্তান্তৰ নকৰাৰ ফলত প্ৰকল্পটোৰ চেনেল, ব্ৰাঞ্চচেনেল সমূহৰ মেৰামতি বা সম্প্ৰসাৰণৰ কাম কৃষক ৰাইজে বিচৰা ধৰণে কৰিবলৈ হ'লে বি.টি.চিয়ে কৰিব নোৱাৰে। গতিকে প্ৰকল্পটোৰ কৰিকৰী আৰু প্ৰশাসনীয় দিশসমূহ পৰিচালনা কৰাত বি.টি.চিৰ জলসিঞ্চন বিভাগে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে। To honour the spirit of BTC Accord, immediately the Bhairabkunda Irrigation Project should be transferred to the BTC Government by the Assam Government. অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত দিছে যে কিছুমান কাম সম্পূৰ্ণ হ'বলৈ বাকী আছে, সেই কামসমূহ কৰিবলৈ ২০১৮ চনৰ মাৰ্চ মাহলৈ সময় লাগিব আৰু চি.এ.ডি.ডব্লিউ.এম কামৰ বাবে ২০১৯ চনৰ মাৰ্চ মাহলৈ সময় লাগিব বাবে তেতিয়ালৈকে উক্ত প্ৰকল্পটো বি.টি.চিক হস্তান্তৰ কৰিব পৰা নহ'ব বুলি কৈছে আৰু তেতিয়ালৈকে অসম চৰকাৰৰ অধীনতে প্ৰকল্পটো থাকিব। কিন্তু এই কামখিনি ২০১৯ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিবনে নাই, এই ক্ষেত্ৰত মোৰ এটা সন্দেহ হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই কামখিনি চলিথকা অৱস্থাটো ভৈৰৱকুণ্ড জলসিঞ্চন প্ৰকল্পটো বি.টি.চিক হস্তান্তৰ কৰাত কিবা অসুবিধা আছে নেকি?

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ, মাননীয় মন্ত্ৰী।

**শ্ৰীৰণজিৎ দত্ত, (গড়কাপ্তানী মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় বিধায়ক শ্ৰীৰবিৰাম নাজাৰ্ৰী ডাঙৰীয়াক ধন্যবাদ জনাই তেখেতে ভৈৰৱকুণ্ড জলসিঞ্চন প্ৰকল্প সম্পৰ্কত কৰা প্ৰশ্নটোৰ উত্তৰত ক'ব বিচাৰিছো যে বি.টি.চি চুক্তিৰ সময়ত দুটা জলসিঞ্চন প্ৰকল্প আছিল এটা হৈছে চম্পাৱতী

আৰু আনটো হৈছে ধনশিৰি। পূৰ্বৰ প্ৰধানমন্ত্ৰী শ্ৰীঅটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই যি পাঁচশ কোটি টকাৰ অনুদান ঘোষণা কৰিছিল তাৰ ভিতৰত এই প্ৰকল্প দুটা আছিল। কিন্তু বি.টি.চি কৰ্তৃপক্ষই এই পাঁচশ কোটি টকাৰ অনুদানৰ ভিতৰত ধনশিৰি প্ৰকল্পটো বাদ দি অকল চম্পাৱতী প্ৰকল্পটো নিৰ্মাণৰ ব্যৱস্থা হাতত ললে। তেতিয়াই এই ধনশিৰি প্ৰকল্পটো সেই অনুদানৰ পৰা বাদ পৰি গ'ল। সেইবাবে অসম চৰকাৰে চম্পাৱতী জলসিঞ্চন প্ৰকল্পটো বি.টি.চিক হস্তান্তৰ কৰিলো। কিন্তু ধনশিৰিটো কৰিব নোৱাৰিলে। তাৰ পিছত বিভিন্ন ধৰণৰ কাৰিকৰী অসুবিধাৰ বাবে ২০১২, ২০১৩, ২০১৪, ২০১৫ চনত এইবোৰ কাম বন্ধ হৈ থাকিল। এতিয়া ভাৰত চৰকাৰে সমগ্ৰ ভাৰততে অগ্ৰাধিকাৰ ভিত্তিত ৯৯ টা প্ৰকল্প নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰিছে আৰু নাবাৰ্ডৰ অনুদানৰ দ্বাৰা ২০১৮ চনৰ ভিতৰত কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। এই প্ৰকল্প সমূহৰ ভিতৰত অসমৰ ধনশিৰি প্ৰকল্পটো অন্তৰ্ভূক্ত হৈ আছে। সেইমৰ্মে আমি ২০১৮ চনৰ মাৰ্চ মাহৰ ভিতৰত এই প্ৰকল্পটোৰ কামসমূহ শেষ কৰিম বুলি লক্ষ্য স্থিৰ কৰিছো। তাত বাকী থকা পোন্ধৰ শতাংশ কামৰ নিবিদা দিয়া হৈছে আৰু ইতিমধ্যে আমি কামো আৰম্ভ কৰিছো। অধ্যক্ষ মহোদয়, স্থানীয় বিধায়ক তথা মাননীয় মন্ত্ৰী শ্ৰীৰিহণ দৈমাৰী ডাঙৰীয়াৰ লগত মই নিজে তালৈ গৈছিলো তাত যিটো (গুলন্ধি একুধাম ?) আছে সেইটোৰ ২০১৪-১৫ চনত এটা (স্পান ?) ভাঙি গৈছিলে। পৰৱৰ্ত্তী সময়ত সেইটো মেৰামতি কৰা হৈছিল কিন্তু যোৱা বছৰ আৰু দুটা (স্পান ?) ভাঙি গ'ল। এতিয়া আমি প্ৰায় সাত কোটি পঞ্চাশ লাখ টকাৰে গুলন্ধি (একুধামটো ?) বনোৱাৰ ব্যৱস্থা কৰিছো। আপোনালোকে জানি সুখী হ'ব ইতিমধ্যে তাৰ ছটা (স্পান) সম্পূৰ্ণ হৈছে আৰু বাকী থকা আঠটা স্পান আমি মে' মাহৰ ভিতৰত শেষ কৰিম। অধ্যক্ষ মহোদয় তেখেতে চি.এ.ডিৰ কথাটো কৈছে কমন এৰিয়া ডেভ'লাপমেন্ট যি সৰু সৰু কেনেলৰ কাম আছে এই সৰু সৰু কেনেলৰ কাম সমূহৰ পঞ্চাশ শতাংশ ভাৰত চৰকাৰ আৰু পঞ্চাশ শতাংশ ৰাজ্য চৰকাৰৰ। এই আঁচনিৰ অধীনত আমি ইতিমধ্যে নিবিদা আহ্বান কৰিছো, মই ভাবো যে ধনশিৰি প্ৰকল্পৰ যি পোন্ধৰ শতাংশ কাম বাকী আছে সেই কামখিনি আমি ২০১৮ চনৰ মাৰ্চ মাহত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰিছো যদিও মাৰ্চ মাহত শেষ নহ'ব মে' জুনৰ ভিতৰত সম্পূৰ্ণ হ'ব আৰু কামখিনি সম্পূৰ্ণ হোৱাৰ পিছত আমি ধনশিৰি প্ৰকল্পটো বি.টি.চিক হস্তান্তৰ কৰিম। এই ক্ষেত্ৰত কোনো সন্দেহ কৰিবলগীয়া নাই। যিহেতু বি.টি.চিয়ে কৰ্মচাৰীসকলক দা-দৰমহা দি আছে এই ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও হাগ্ৰামা মহিলাৰী ডাঙৰীয়াৰ লগত হোৱা আলোচনা মৰ্মে বি.টি.চিৰ অন্তৰ্গত প্ৰকল্পসমূহ সোনকাৰে বি.টি.চিক হস্তান্তৰ কৰিবলৈ আমাক নিৰ্দ্দেশ দিছে। অধ্যক্ষ মহোদয়, নাবাৰ্ডৰ পৰা আমি আকৌ ১১৮ কোটি টকা আমাক ইতিমধ্যে LTF ত আমাক দিয়াৰ ব্যৱস্থা আমাৰ Finance এ কৰিছে। আমি ইতিমধ্যে টেনদাৰো ও কৰিছো আৰু মাননীয় বিধায়ক গৰাকীক মই আহ্বান জনাম যে, আমি সোনকালে ৰিহণ দৈমাৰীৰ লগত তালৈ যাম। তাত আপুনি কামৰ কিমান অগ্ৰগতি হৈছে, এই চোৱাছিতা কৰিলে নিশ্চয় আমি তাত এটা ভাল ফল লাভ কৰিব পাৰিম। গতিকে তেখেতে ইয়াত সন্দেহ কৰিব লগীয়া একো নাই। গতিকে কামটো সম্পূৰ্ণ এই বছৰৰ ভিতৰত যদি হয় যায়, বিটিছি ক আমি Handover কৰি দিম।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (কোকৰাঝাৰ পশ্চিম)**ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু কিছুমান প্ৰজেক্ট ইয়াত Implementation ৰ এটা প্ৰচেছ চলি আছে, After the Completiev of the ongoing project, the project will be transferred to BT মই ইয়াতে মন্ত্ৰী মহোদয়ক, আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যে ভৈৰৱকুন্দ প্ৰজেক্টৰ বহুখিনি সমস্যা আছে। আমাৰ বি টি ছিৰ E.M য়ে আমাৰ অসমৰ জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে বিভাগীয় বিষয়া

বৰ্গৰ সৈতে এইবাৰ মিটিং কৰাটো তেখেতে যিহেতু বিচাৰিছে, মই হাউচৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এই গোটেইখিনি বিষয়ক লৈ আমাৰ মাজত এটা Continual atmosphere কাম কৰাৰ পৰিৱেশআনিবৰ কাৰণে, সোনকালে BTC ৰ জলসিঞ্চন বিভাগৰ E.M আৰু আপোনাৰ নেতৃত্বত মিটিং কৰাৰ বাবে আপুনি উদ্যোগ ল'ব নে?

**মাননীয় অধ্যক্ষ ঃ** Be brief !

**শ্ৰী ৰঞ্জিত দত্ত (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে আৰু এটা প্ৰশ্ন কৰিছিল, ইয়াৰ আগত শুক্লাইৰ যিটো কথা কৈছে, চম্পাৱতী ইতিমধ্যে হস্তান্তৰ হৈ গৈছে, শুক্লাইৰ প্ৰজেক্টটো হস্তান্তৰ কৰিবৰ কাৰণে আমি ব্যৱস্থা হাতত লম। তেখেতে আৰু এটা কথা কৈছে যে BTC ৰ জলসিঞ্চন বিভাগৰ E.M ৰ লগত আমাৰ আলোচনা কৰিব লগা আছে। মই অতি সোনকালে E.M ৰ লগত আলোচনা কৰি তেখেতক মাতি আমি তেওঁলোকৰ লগত আলোচনা কৰিম। এইটো তেখেতক আমি কথা দিলো। আপোনালোকে জানি সুখী হব যে, ইতিমধ্যে মুঠ প্ৰকল্পৰ ২৩৯৭২ হেক্টৰ কৃষি ভূমিত জলসিঞ্চন ধনশিৰিত প্ৰকল্পত কৰিছো। ধনশিৰি প্ৰকল্পটো যথেষ্ট পৰিগণিত আছে, তাত ধনশিৰি প্ৰকল্পৰ পানী অকল পথাৰত নাযায়, ধনশিৰি প্ৰকল্পৰ পানী মানুহে খায়ো। গতিকে ধনশিৰি প্ৰকল্পটো অতি জৰুৰী ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যা শ্ৰী কমলী বসুমতাৰী, Are you interested.

**শ্ৰী কমলী বসুমতাৰী (মাননীয় সদস্যা, পানেৰী সমষ্টি) ঃ** মাননীয় অধ্যক্ষ মহোদয়,যিহেতু আমাৰ সন্মানীয় সদস্য জনে ধনশিৰি প্ৰজেক্টৰ যিটো প্ৰশ্ন উত্থাপন কৰিছে, এইটো মোৰ জিলাৰ সমষ্টি নহয় যদিও, ওদালগুৰি জিলাৰ এই প্ৰজেক্টটো আজিলৈকে সম্পূৰ্ণ নোহোৱাটো বৰ পৰিতাপৰ কথা কাৰণ তাত প্ৰত্যেক Financial Year ত টকা পইচা দিয়া হয়। তথাপি এই প্ৰজেক্টটো আজিলৈকে সম্পূৰ্ণ নহল। পবিত্ৰ সদনত মই এই বিষয়টো ২০০৩ চনৰ পৰা উত্থাপন কৰিছিলো। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰজেক্টটোৰ ওপৰত আমাৰ হাজাৰ হাজাৰ খেতিয়কৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। ইয়াৰ যিখিনি আন্তঃ গাঁঠনিৰ কাম সম্পূৰ্ণ কৰিব লাগে তাক সম্পূৰ্ণ কৰি আমাৰ BTC চৰকাৰক Handover কৰি খেতিয়ক ৰাইজক উপকৃত কৰিব নেকি ? আন এটা প্ৰশ্ন, শুক্লাই প্ৰজেক্টটো মোৰ সমষ্টিৰ কাষত। এইটো প্ৰজেক্টটোৰ দ্বাৰা মোৰ সমষ্টিৰ শুক্লাই উত্তৰ পাৰটো মৰুভূমি হবলৈ গৈ আছে, সেইটো অলপ বিভাগীয় ভাবে চোৱা চিতা কৰি টেকনিকেল কিবা প্ৰব্লেম আছে নেকি সেইটো চালে উত্তৰ খণ্ডটো মৰুভূমিৰ পৰা বাচিব, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** চমুকৈ ক'ব।

**শ্ৰী ৰঞ্জিত দত্ত (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰজেক্টটো ১৯৭৫-১৯৭৪ চনৰ পৰা আৰম্ভ হৈছিল, অনুমোদন পাইছে, ১৯৮০ চনৰ পৰা। কিন্তু ২০১২, ২০১৩, ২০১৪ আৰু ২০১৫ চনৰ এই প্ৰজেক্টটত কোনো ধৰণৰ কাম হোৱা নাই। আমাৰ চৰকাৰ অহাৰ পিছত আমি NABARD ৰ লগত, তথা কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ ৰাখিলো। কেন্দ্ৰীয় চৰকাৰৰ সহযোগত আমি NABARD ৰ যোগেদি১১৮ কোটি টকা ইতিমধ্যে SDF, NABARD ৰ যোগেদি লাভ কৰিছো। আগৰ চৰকাৰৰ দিনত এই প্ৰজেক্টৰ কোনো ধৰণৰ কাম চলা নাছিল। ৪, ৫বছৰ এই প্ৰজেক্টৰ কাম বন্ধ হৈ আছে, আৰু সেই কাৰণে সম্পূৰ্ণ কৰিব পৰা নাই। বাইদেউ মই নিশ্চিত কৰিছো যে আপুনি এইটো সন্দেহ নকৰিব। আমাৰ NABARD ৰ পইচা আহি গৈছে, ইতিমধ্যে আমাৰ কামৰ টেনদাৰ আহি গৈছে, কাম ও আৰম্ভ হৈ গৈছে। প্ৰায় ২০ শতাংশ ২৫ শতাংশ কাম ইতিমধ্যে আৰম্ভ কৰিছে। আপোনালোকে জানে যে জলসিঞ্চন বিভাগে খুব কম

সময়ৰ বাবে কাম কৰিব পাৰে। আমি ডিচেম্বৰৰ পৰা মাৰ্চ, এপ্ৰিল লৈকে কাম কৰো তাৰ পিছত আমি কাম কৰিব নোৱাৰো। গতিকে আপোনালোকক আমি নিশ্চত কৰিছো যে এই কামটো আমি সম্পূৰ্ণ এই বছৰৰ ভিতৰত আমি কৰিম। যিটো শুক্লাইৰ কথা কৈছে, মই বাইদেউৰ লগত আলোচনা কৰি এইটো মই ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ ঃ** Question No. 42, শ্ৰীমতী ৰ'জলীনা তিৰ্কী।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী

**শ্ৰী পৰিমল শুক্লবৈদ্য (মাননীয় মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীমতী ৰ'জলীনা তিৰ্কী (মাননীয় সদস্যা, সৰুপথাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মই মোৰ সৰু পথাৰ সমষ্টিৰ অন্তৰ্গত এটা প্ৰশ্ন দিছিলো। আমাৰ সৰু পথাৰ বিধান সভাৰ সমষ্টিৰ অন্তৰ্গত নামবৰ বনাঞ্চলৰ মধ্যস্থানত আলি চিঙা অঞ্চলত এটা নতুনকৈ পকী দলঙৰ নিৰ্মাণৰ কথা লোৱা হৈছে, যি প্ৰশ্নটো আজি মই উত্থপন কৰিছিলো। তাৰ প্ৰশ্নৰ উত্তৰত মই সন্তুষ্ট নহয়, সেই কাৰণে আজি উত্তৰ দিয়া হৈছে। ইয়াতে পকী দলং নিৰ্মাণৰ বাবে বৰ্তমানলৈকে কোনো আঁচনি অন্তৰ্ভূক্ত কৰিব পৰা হোৱা নাই বা পুঁজি সাপেক্ষেহে কৰা হব। আৰু সময় সাপেক্ষে পৰিৱেশ বিভাগৰ পৰা অনুমতি লোৱা হব। আজি অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে আজি এই অঞ্চলটো মোৰ National Highway 39 ৰ পৰা এটা সংযোগী পথ আমাৰ ধনশিৰি নদীৰ ওপৰৰ পৰা টেঙানী গাওঁ পঞ্চায়ত লৈ এটা যোগাযোগ ব্যৱস্থা আছে। আৰু টেঙানী গাওঁ পঞ্চায়তত আমাৰ ৪২খন গাওঁ আছে। সেই অঞ্চলৰ পৰা যদি আহিব লগীয়া হয়, তেতিয়া হলে কাৰ্বি আংলং হৈ আহিব লাগে। যিহেতু মোৰ সমষ্টিটো কাৰ্বি আংলংৰ লগত লাগি আছে, যত সঘনাই বন্ধ হৈ থাকে, তাৰ ফলত আমাৰ ধনশিৰি মহকুমাৰ পৰা লোক সকলেঅহা যোৱা কৰিবলৈ বা গোলাঘাট চহৰলৈ বা অন্য অন্য অঞ্চললৈ যাবৰ কাৰণে বহুটো অসুবিধাৰ সন্মুখীন হবলগীয়া হয়। আনকি ছাত্ৰ-ছাত্ৰী সকলেও ইয়াৰ পৰা বহুটো অসুবিধাৰ সন্মুখীন হয়। যিহেতু মন্ত্ৰী মহোদয়ে, নিজে মোৰ সেই অঞ্চললৈ গৈছে, সেই অঞ্চলত এখন নতুন পকী দলং কৰিবলৈ হ'লে আজি সদনত যি উত্তৰ পাইছো, তেনেকুৱা উত্তৰ আগতেও মই ৩ মাৰ্চ ২০১৭ত কৰা একে প্ৰশ্নৰ উত্তৰত দিছিল যে পৰিৱেশ বিভাগৰ পৰা Clearence পালে হব, আজিও এই একে উত্তৰ পাইছো যে Fund সাপেক্ষেহে বিবেচনা কৰা হব। যিহেতু সদনত আজি আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী মহোদয়েও আছে আৰু Buget Session চলি আছে, আশা কৰিছো যে প্ৰকৃতাৰ্থত এখন নতুন পকী দলং কৰাৰ ব্যৱস্থা কৰাৰ আশ্বাস মই আজি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো সঁচা, এই পকী দলংখন নিৰ্মাণ হ'লে সৰুপথাৰ বিধান সভাৰ সমষ্টিৰ লগতে দাঁতি কাষৰীয়া অঞ্চলৰ যাতায়তৰ বহুতো উন্নতি সাধন হ'ব। কিন্তু কথা এটা হৈছে, মাননীয় সদস্যা গৰাকীয়ে প্ৰশ্ন উত্থাপন কৰিছে যে আমাৰ চৰকাৰৰ পাছতে আমি ১০০০ SPT Bridges RCC লৈ Convert কৰাৰ কাৰণে আমি প্ৰপোজেল লৈছো। আৰু এই বছৰ আমি ২০০খন ব্ৰিজৰ কাৰণে আমি আমাৰ মাননীয় বিধায়ক বন্ধু সকলৰ লগত আপোনালোকৰ ইয়াতে লিখিছিলো। তেতিয়া আপোনালোকৰ কিছুমানে দিছে আৰু আপোনালোকে জানে ২০০খনৰ ভিতৰত ১২৬ মেম্বাৰ আছো ইয়াত। আজিআপোনাৰ দলঙৰ প্ৰপোজেল লোৱা হৈছে। ভৱিষ্যতে দলঙৰ প্ৰপোজেল আৰু আমি লম। লগে লগে আমি ১০০০ প্ৰপোজেল লব নোৱাৰিম আৰু যেতিয়া লম আপুনি অনুগ্ৰহ কৰি এই দলং খনৰ প্ৰপোজেলটো

আপুনি দিব। চৰকাৰে এইটো চালি জাৰি চাই  যিমান সোনকালে কৰিব পৰা যায় তাৰ ব্যৱস্থা লোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ**  ঠিক আছে।

**শ্ৰীমতী ৰ'জলীনা তিৰ্কী (সৰুপথাৰ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যি আশ্বাস দিছে আশা কৰিছো এই আশ্বাস মই আগন্তুক দিনত প্ৰকৃততে পাম। আজি supplimentary আনষ্টাৰ নং ৯৮  ত আহিছে, তাতে কোৱা হৈছে যে শিমলু চাপৰিত ধনশিৰি নদীৰ ওপৰত যি দলং আছে সেই দলং খনত,  সেই পথটোত মন্ত্ৰী মহোদয় নিজে গৈছে।

**মাননীয় অধ্যক্ষ ঃ** Please don't discuss today.  তেখেতে আশ্বাস দিছে আপোনাকো কাগজ খন দিব দিছে।

**শ্ৰীমতী ৰ'জলীনা তিৰ্কী (সৰুপথাৰ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিন্তু যোৱাবাৰৰ প্ৰশ্নৰ উত্তৰ মোৰ লগত আছে, তাতো আশ্বাস দিছে যে  ২০১১-১২ চনত দিয়া হৈছিলে সেই ৰাষ্টাটো, ঠিকাদাৰৰ গাফিলতিৰ বাবে আধৰুৱা হৈ আছে। দুটা পিলাৰ হৈ আছে, সেইটো অনতি পলমে হ'ব। এবছৰ হৈ গৈছে সেইটো আজি আকৌ একে  উত্তৰে পাইছো। সেইকাৰণে মন্ত্ৰী মহোদয়ে যিহেতু আশ্বাস দিছে, আজি আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াও উপস্থিত আছে, মহোদয় এইটো কাৰ্যকৰী যাতে হয়, নহলে মোৰ সমষ্টি সৰুপথাৰ মাজুলী সদৃশ হৈ পৰিব আৰু আমাৰ যাতায়তৰ বাবে অসুবিধা হ'ব।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ**  মাননীয় অধ্যক্ষ মহোদয়, কথাটো সঁচা। কথাটো এনেকুৱা যে ২০১১-১২ চনত দিয়া হৈছিল ওৱাৰ্ক অৰ্ডাৰ আৰু ২০১১ চনৰ পৰা ২০১৬ চনলৈ  আপোনাৰ চৰকাৰ আছিল। পাঁচ বছৰ হোৱা নাই। ২০১৭ ত আমাৰ চৰকাৰ অহাৰ পিছতে আমাৰ অসুবিধা হয়, যেতিয়া দলঙৰ কাম হয় তেতিয়া পাইলিং আদিৰ বহু টেকনিকেল কথা থাকে, এতিয়া সেই মানুহজনে কামখিনি কৰা নাই আৰু এতিয়া কব যে আমাৰ Rate arrange কৰিব লাগিব, নতুনকৈ আকৌ Repaire কৰিব লাগিব। গতিকে আমাৰ বিভাগে এইটো চালি-জাৰি চাই কেনেকৈ সম্পূৰ্ণ  কৰিব পাৰো যোৱা বছৰৰ পৰা আমি খুব চেষ্টা চলাই আছো, যিমান পাৰো সোনকালে কৰা যায় নেকি চাও, ৫ বছৰ আপোনালোকে এনেকৈ পেলাই ৰাখিলে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। No No, I will look into it please, you have raised the point, no mark of supplimentary. কাৰণ আমাৰ সময় কম। আজিলৈ আৰু নালাগে। দুটা আপোনাক দিলো বাকী These are not related to your question and his question should not be related to Sarupather , so I am just going to the next question 43. This is purely related to Sarupather, next Wazed Ali Choudhury.

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ**   মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত দিয়া হৈছে।

**শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দক্ষিণ শালমাৰা সমষ্টিৰ অতি গুৰুত্বপূৰ্ণ তিনিখন দলঙৰ কথা জানিব বিচাৰিছিলোঁ। তাৰে ১ নম্বৰত ফুলকাটাৰী টিপকাই নদীৰ ওপৰত যিখন দলং, এই দলং বিভাগীয়  বিষয়া সকলৰ লগত আলোচনা কৰি ইতিমধ্যে Desgine Estimate everything ready কৰা আছে। বিভাগীয় ভাৱে যদিও পঠোৱা হৈছিল, এইটো হোৱা নাই। আমাৰ বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই প্ৰত্যেক বিধান সভা সমষ্টিৰ পৰা এখন এখন  আঁচনি বিচাৰিছিল, Signature Scheme ত। মোৰ যিহেতু এই দলং খন আটাইতকৈ গুৰুত্বপূৰ্ণ,  সেইবাবে মই Signature Scheme ত এই দলং খনৰ প্ৰস্তাৱ দিছিলো। ইতিমধ্যে

আমি জনা মতে P W D বিভাগক T & D বিভাগৰ পৰা দিয়া হৈছিল আলোচনা কৰাৰ বাবে বা সিদ্ধান্ত লোৱাৰ কাৰণে। কিন্তু ইয়াত সেই কথাখিনি উল্লেখ কৰা নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে Signature Scheme ৰ অধীনত এই দলং খন নিৰ্মাণৰ ব্যৱস্থা কৰা হ'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Minister please.

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় আমাৰ ৰেভিনিউ বিভাগৰ ফালৰ পৰা আমি বিধায়ক সকলক Signature Project দিয়াৰ কাৰণে কোৱা হৈছিলে। এতিয়া ৰেভিনিউ বিভাগে যেতিয়া আমাক Sanction দি কব যে কামখিনি কৰি দিব লাগিব তেতিয়াহে আমি কৰিম। আজি আমাৰ ইয়াতে এতিয়ালৈ Signature Project ৰ পৰা P W D ৰ কোনো কামৰ কাৰণে কোনো ধৰণৰ Sanction অহা নাই, আজি আমি এই মুহূৰ্তত এই কথাটো কব নোৱাৰিম যে আমি ইমান দিনৰ ভিতৰত কৰিম বা এইটো কমপ্লিট কৰিম।

**শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** চাৰ, এইখিনি আপোনালোকৰ হাতত আছে। চাৰ, এইটো আমাৰ মন্ত্ৰী মহোদয়ৰ বিভাগৰ হাততে দিয়া হৈছে। তেখেত সকলে কমিচনাৰ P W D ক দিয়া হৈছে T & D বিভাগৰ পৰা, মই যিখিনি তথ্য পাইছো। তেখেত সকলে সিদ্ধান্ত লব, Selection কৰিব। গতিকে প্ৰথমতে এই দলং খন Selection ত থাকিব লাগিব, Selection ত থাকিলেহে আমি Sanction পাম। গতিকে এইটো Selection ত ৰাখিব নে নাই এইটো ১ নং, আৰু ২ নং আৰু যে দুখন দলঙৰ কথা কৈছিলো, এখন হ'ল জিনজিৰাম নদীৰ ওপৰত সেইটো অৱশ্যে আমাৰ ষ্টেট হাইৱে যিটো প্ৰস্তাবিত আগিয়াৰ পৰা হাতশিঙিমাৰি লৈকে ভায়া লক্ষীপুৰ আৰু মোৰ সমষ্টিৰ ওপৰেৰে যাব তাতে এই দলং খন হ'ব। গতিকে ষ্টেট হাইৱেৰ যিটো ৩৯৫ কোটি টকাৰ প্ৰস্তাৱ সেইটো কিমানদূৰ আগবাঢ়িছে জনালে ভাল পাম আৰু লগতে কলাবাৰীৰ যিখন দলং এই দলং খন আগত CM special pakage ত sanction আছিল, Contractor ক কামও আবন্টন দিয়া হৈছিল। কিন্তু কাম আৰম্ভ কৰা হোৱা নাছিল। চৰকাৰৰ পৰিবৰ্তনৰ পিছত এইটো বেলেগ Head ত Transfer কৰা বুলি শুনিছো আৰু ইয়াৰ উত্তৰত পাইছো যে এইটো ইতিমধ্যে আঁচনি প্ৰস্তুত কৰি বিভাগীয় অনুমোদনৰ কাৰণে ৰৈ আছে। গতিকে এই সম্পৰ্কে স্পষ্টভাৱে উত্তৰ দিলে মই ভাল পাম। কাৰণ সেই দলং তিনিখন আমাৰ তিনিটা এলেকাৰ লগত সংযোগ হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** চাৰ, এটা হ'ল যিটো টিপকাই নদীৰ ওপৰত, সেইটোৰ দ্বাৰা এক লাখ মানুহ উপকৃত হ'ব। এতিয়া নাৱেৰে পাৰ হয়। দ্বিতীয় খন হৈছে আমাৰ ফকিৰগঞ্জ বা চাউথ বেঙ্কটো মানকাচাৰ জিলালৈকে Connectivity আৰু যিটো কলাবাৰী সেইটো এটা জিলা পৰিষদ দক্ষিণ শালমাৰা তাৰ Connectivity. এই তিনিখন দলং অতি গুৰুত্বপূৰ্ণ। গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো যেন ইয়াৰ বিশেষ ব্যৱস্থা লয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক ডাঙৰীয়াই এই ফুল কাটাৰী আৰু ধলেৰ এই যে দুটা দলঙৰ কথা কৈছে এইটো আপুনি কোৱা মৰ্মে আমি জানো আপুনি Signature Project ত দিছে। এতিয়া Signature Project ক এতিয়া sanction কৰাৰ দায়িত্ব ৰেভিনিউৰ হয়। ৰেভিনিউয়ে যদি এই দুটা sanction কৰি আমাক কৈ দিয়ে যে আপোনাৰ কামখিনি কৰিব লাগে, আমি কৰি দিম। আমি কৰাৰ কাৰণে সাজু আছো। এতিয়ালৈকে

ৰেভিনিউৰ ফালৰ পৰা কেৱল আপোনাৰে নহয় Signature Project ৰ সম্ভৱত আমি বহু বিধায়ক বন্ধু ইয়াতে আছো হয়তো এজনো অহা নাই। তেওঁলোকে এই বাজেটত দিব পাৰে নেকি ? দিলে আমি কৰি দিম।

**শ্ৰী আব্দুল খালেক ঃ** চাৰ, যিহেতু মুখ্যমন্ত্ৰী মহোদয় ইয়াতে আছে, সোনকালে যাতে হয় ।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট এক মিনিট। This is of the way. ৰেভিনিউ বিভাগে নিশ্চয় ৰেভিনিউ মন্ত্ৰীক সুধি লব। Today Governor Debeate is here, you can raise that here also, please.

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু যিটো কলাবাৰী পকী দলঙৰ কথা কৈছে, এইটো কৰাৰ বাবেও অলপ সময় লাগিব। যিমান পাৰো সোনকালে কৰিব চেষ্টা কৰিম। এইটো আগৰ চৰকাৰে বহুত আগতে ৪৪ খন দলঙৰ CM special pakage ত অনুমোদন দি কিছুমান টেণ্ডাৰ কৰি কাম Allote কৰিলে, আমি চৰকাৰত অহাৰ পিছতে দেখিলো কেৱল দুখন দলঙৰ কাম মোটামোটি হৈছে আৰু বাকী গোটেইখিনিৰ development ৰ কথা ৰেভিনিউয়ে আমাক কলে যে Below 20% হলে কামবোৰ বন্ধ কৰি ৰাখিব লাগে। কাৰণ কাম হোৱায়ে নাই তেতিয়া। দুখন দলঙৰ কাম চলিছিল বাকীবোৰ 2%, 1%, 0% . এতিয়া দেখা গৈছে যে ৪৪ খন যি দলং, সেই দলঙৰ বাবে প্ৰায় ২৫০ কোটি টকা লাগে। যেতিয়া আমি মুখ্য মন্ত্ৰীৰ দ্বাৰস্থ হলো চাৰ, এনেকুৱা অৱস্থা যে আমাৰ চৰকাৰ অহাৰ পিছতে দেখিলো ৪৪ খন দলং ২৫০ কোটি টকা লাগে, আগৰ চৰকাৰে কোনো পইচাও ৰখা নাই, কিবা কৰি তেওঁলোকে ৪৪ খন দলং থৈ গৈছে। তেতিয়া আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কলে যে চৰকাৰ যিহেতু আমাৰ Continue হৈছে কিবা কৰি হলেও আমাৰ কামখিনি কৰিব লাগিব।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** চৰকাৰ অহাৰ পিছত আমি দেখিছো যে, ৪৬ খন দলংৰ বাবে ২৫০ কোটি টকা লাগে আৰু আগৰ চৰকাৰে কোনো পইচাও ৰখা নাই। তেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কলে যে, Govt. is the continous process.কিবা কৰি আমাৰ কামখিনি কৰিব লাগিব। কিন্তু এই ফাণ্ডত আগৰ চৰকাৰে টকা দিয়া নাছিল। তেতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰেভিনিউক মাতি আনিলে, মোক মাতি আনিলে আৰু কলে যে, আগৰ চৰকাৰে যিহেতু প্ৰতিশ্ৰুতি দিছে কিবা কৰি হলেও আমি কামটো কৰিব লাগিব। ইয়াৰ দ্বাৰা ৰাইজৰ উপকাৰ হ'ব সেইকাৰণে যোৱাবছৰ ৰেভিনিউত চেষ্টা কৰি এই হেডটো সলনি কৰি নাবাৰ্ডৰ জৰিয়তে ঋণ লৈ হলেও কামটো কৰাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোৰ নিৰ্দেশ দিলে, ৰেভিনিউ বিভাগক নিৰ্দেশ দিলে। ৰেভিনিউয়ে এতিয়া এইটো চি এম স্পেচিয়েল পেকেজৰ পৰা কনভাৰ্ট কৰি আৰ আই ডি এফ ২৩ ত লোৱা হৈছে। এতিয়া লোৱা হলেও আগতে ওৱাক অৰ্ডাৰ দিয়া হৈছে। এতিয়া কন্ট্ৰেকটৰে কব পাৰে যে আমাৰ ৰেট এনহেঞ্চ হৈছে, আমি এতিয়া এই ৰেটত কাম কৰিব নোৱাৰো। এতিয়া গোটেইখিনি কথা ভালকৈ চালি জাৰি চাই আপোনৰ ব্ৰীজখন হ'ব আৰু ব্ৰীজৰ কাম সোনকালে কৰিবলৈ চি এম ছাৰে নিৰ্দেশ দিছে।

**শ্ৰী ৰাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Supplementary প্ৰশ্নটো হৈছে কলাবাৰী পকী দলং। তিনিখন দলঙৰ কথা কৈছিলো। জিনজিৰাম নদীৰ ওপৰত থকা ধেনেৰকুটি দলংখনৰ প্ৰজেক্ট ষ্টেট হাইওৱেত পৰি যাব। গতিকে ষ্টেট হাইওৱেৰ কামটো কিমান আগবাঢ়িছে। এই যে আপোনাৰ ফুলকাটাৰী পকী দলং সেইটো আপুনি চিগনেচাৰ প্ৰজেক্টত দিছে।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** নাই দিয়া ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে পিছত ডিচাইড কৰিব।

**শ্রী ৰাজেদ আলী চৌধুৰী ঃ** টিপকাই নদীৰ ওপৰেদি যি পকী দলং হ'ব সেইটো মই চিগনেচাৰ স্কিমত দিছো আৰু জিনজিৰাম নদীৰ ওপৰৰ ধেনেৰকুটি দলংখন ষ্টেট হাইৱেত আহি যাব। সেয়েহে এইটো চিগনেচাৰ স্কিমত দিয়া নাই। এতিয়া ষ্টেট হাইওৱেৰ কামখিনি কিমান সম্পূৰ্ণ হ'ল?

**Hon'ble Speaker :** I will request both of you to go to his office and discuss the matter and just resolve it. Question No.-44 Ashok Sarma. Minister please.

**শ্রী পৰিমল শুক্লবৈদ্য, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্রী অশোক শর্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নলবাৰী সমষ্টিৰ গড়কাপ্তানী বিভাগৰ যি তিনিটা প্রশ্ন সুধিছিলো সেই তিনিটা প্রশ্নৰে উত্তৰ দিছে আৰু মই সন্তুষ্টি প্রকাশ কৰিছো। কিন্তু ১০ নং প্রশ্নৰ একেবাৰে শেষৰ দফাটোত অলপ আসোঁৱাহ আছে। তাত লিখিছে যে, চহৰখনত থকা গড়কাপ্তানী বিভাগৰ কাৰ্য্যালয় সমূহৰ বিষয়া-কৰ্মচাৰী নিৰাপদ, নিশ্চিতভাৱে কাম কৰাৰ বাবে সুৰক্ষিত সেইটো সম্পূৰ্ণ শুদ্ধ নহয়। কাৰণ গোপাল বজাৰত যিটো অফিচ আছে গড়কাপ্তানী বিভাগৰ, সেইটো মাটিৰ একেবাৰে সমানত আছে আৰু বৰষুণ দিলে পানী উঠে তাত কৰ্মচাৰী সকলে কাম কৰিব নোৱাৰে। ইয়াত বিভাগীয় বিষয়া সকল আছে। তেওঁলোকে জানে, কাৰণ যোৱাবাৰ বাৰিষাৰ পানী হোৱাৰ ফটো মই মোবাইলেৰে তেওঁলোকলৈ প্রেৰণ কৰিছিলো। এতিয়া মোৰ মাননীয় মন্ত্রী মহোদয়লৈ এটা প্রশ্ন আছে যে, যিহেতু নলবাৰী সমষ্টিটোত গড়কাপ্তানী বিভাগৰে ২৬ বিঘা ১০ লেচা ৩ কঠা মাটি আছে। এই মাটিখিনি এতিয়াও সুৰক্ষিত হৈ থকা নাই। পকীবেৰ চৌহদত নাই যাৰ বাবে আমাৰ চৰকাৰ আগমুহূৰ্তত দাঁতিকাষৰীয়া ঠাই এটুকুৰা আন কোনোবাই দখল কৰিছিল আৰু সেইটো এতিয়াও বিবাদমান অৱস্থাত আছে। মই সেইকাৰণে মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যে, বৃহৎ সম্পত্তিখিনি সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত চাৰিওফালে পকীবেৰ দি তাৰ সুৰক্ষাৰ দায়িত্ব লয় আৰু মই মাননীয় মন্ত্রী মহোদয়ক এটা অনুৰোধ জনাব বিচাৰিছো যে, আজি স্বাধীনতাৰ ৭০ বছৰ অতিক্রম কৰাৰ পিছতো বা নলবাৰী মহকুমাটো জিলা পৰ্য্যায়লৈ অহাৰ ৩৮ বছৰ পিছতো এটা অত্যাধুনিক প্রেক্ষাগৃহ নলবাৰীত নাই আৰু সেইকাৰণে মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাব বিচাৰো এই যে, বৃহৎ পৰিমাণৰ মাটি আছে তাত এটা তেখেত সকলৰ বহুমহলীয়া ঘৰ নিৰ্মাণ কৰি কাৰ্য্যালয় বা তেখেত সকলৰ বিষয়া সকল নলবাৰীত থকাৰ সুব্যৱস্থাৰ বাবে এটা ঘৰ নিৰ্মাণ কৰি দিলে আমাৰ নলবাৰীয়া ৰাইজৰ উপকাৰ হ'ব আৰু এইখিনিৰ বাবে তেখেতৰ ওচৰত মই অনুৰোধ জনাইছো।

**শ্রী পৰিমল শুক্লবৈদ্য, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ প্রশ্ন শুধিছে এইটো অকল নলবাৰীৰ কথা নহয় আৰু তাত আমাৰ কাৰ্য্যালয়ো আছে। আই বি আছে, আমি আই বি বা বিভাগৰ কাৰ্য্যালয় বিলাক সচাঁকৈয়ে ঠিক-ঠাক কৰিব লাগে আৰু আমাক বহুত টকাৰ প্রয়োজন আছে। আমাৰ পি ডব্লিউ ডি ত বহুখিনি টকা আহে কিন্তু এইটো ৰাস্তাৰ কাৰণে আহে। সেয়েহে সেই টকাৰে যে আমি অফিচ বা আই বি বিলাকৰ কাম কৰিব পাৰিম সেইটো অৱস্থাত নাই। গতিকে যোৱাবাৰো আমি বিত্ত বিভাগক অনুৰোধ জনাইছো যাতে ভৱিষ্যতে আমি অলপ টকা পাওঁ। কেবল আমাৰ পি ডব্লিউ ডি নহয় বহুত বিভাগৰে কাৰ্য্যালয় ভাল অৱস্থাত নাই। এইবাৰো আমাৰ বানপানীত চাৰ, বহুত অফিচ ডুবি গৈছে আৰু আমাৰ বহুখিনি অফিচ নিৰ্মাণ কৰাৰ প্রয়োজনীয়তা আছে আমি স্বীকাৰ কৰো। বহুমহলীয়া যিটো কাৰ্য্যালয়ৰ কথা কৈছে ,গোটেইখিনি কৰিব পাৰিম। আমাৰ বিভাগত বিল্ডিং ডিচিচন আছে। কিন্তু পইচা পোৱাৰ পাছতহে কৰিব পাৰিম

আৰু চেষ্টা কৰিম যাতে ভৱিষ্যতে এই কামবোৰ কৰা যায়।

**শ্ৰী অশোক শৰ্মা ঃ** মাননীয় মন্ত্ৰী মহোদয়ক আৰু এটা কথা সুধিব বিচাৰিছো যিহেতু এই নলবাৰী সমষ্টিটোত আপোনাৰ বিভাগে পথ উন্নয়ণৰ কাৰণে যথেষ্ঠ সুবিধা দিছে তাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু মই শুনিছো যোৱা চাৰিদিনৰ আগতে যে নলবাৰীৰ পৰা এটা কাৰ্য্যালয় অইন ঠাইলৈ নিয়াৰ কাৰণে যো-জা চলাইছে। যিহেতু আজি সদনত আপোনাৰ লগত আপোনাৰ বিভাগৰ বিষয়া সকল আছে মই অনুৰোধ জনাইছো যে, নলবাৰীৰ পৰা সেই কাৰ্য্যালয় অইন ঠাইলৈ যাতে স্থানান্তৰ নকৰে। সেয়েহে মাননীয় অধ্যক্ষৰ জৰিয়তে মই আপোনালৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আচলতে প্ৰশ্নবিলাক চাপলিমেণ্টৰিৰ ওপৰত হ'ব লাগে। এতিয়া মন্ত্ৰী মহোদয়ৰ হাতত এইবোৰ তথ্য আছেনে নাই মই নাজানো। গতিকে আপোনাৰ কথাটো হ'ল যে,কিবা এটা অফিচ সলনি কৰিব খুজিছে।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা যদি কিবা হৈছে আমি এইটো চাম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ড: মমিন।

**ড: নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধনশিৰি নৈৰ ওপৰত নাওঁজান আৰু নেপাকাটিৰ মাজত যিটো সৰু পথাৰ সমষ্টি আৰু বোকাজন সমষ্টি সংলগ্ন কৰে তাত এটা প্ৰপজেল দিয়া হৈছিল ব্ৰীজ নিৰ্মাণৰ কাৰণে। কিন্তু চি এম পেকেজত যিটো ব্ৰীজ দিছে সেইটো কেৱল চল্লিচ মিটাৰহে আমাৰ ধাৰ্য্য কৰি দিছে। কিন্তু ব্ৰীজখন ১৪০ মিটাৰমান হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ১৪০ মিটাৰ হ'ব লাগে ৪০ মিটাৰ হৈ আছে। It will be recorded . আপুনি এইটো চাই ল'ব। মন্ত্ৰী ডাঙৰীয়া, আৰু দুটা মান কথা কেইবাজনেও সুধি আছে। আপুনি একেলগে note কৰি লওঁক। তাৰ পিছত ক'ব। চাহাব উদ্দিন আহমেদ ডাঙৰীয়া, আপুনি কিবা এটা ক'ব বিচাৰিছিল, চমুকৈ ক'ব।

**চাহাব উদ্দিন আহমেদ (জলেশ্বৰ)ঃ** হয় ছাৰ, আমাৰ ওৱাজেদ আলী ডাঙৰীয়াই বৰাক উপত্যকাৰ যিটো প্ৰশ্ন আনিছিল সেইটোৰ লগত সংলগ্ন। আমাৰ অসম-মেঘালয় সীমান্তৰ যি ৰাস্তা, নিজানপুৰৰ পৰা ফকিৰগঞ্জলৈকে মোৰ সমষ্টি। ১৯৮৫ চনতে RCC bridge খন বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হৈছিল, তাৰ পিছত ২০১৫ চনত এজন ঠিকাদাৰক ইয়াৰ মেৰামতিৰ কাম দিয়া হ'ল।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ প্ৰশ্নটো কওঁক।

**চাহাব উদ্দিন আহমেদ (জলেশ্বৰ)ঃ** প্ৰশ্নটো হ'ল যে, এই bridge খনৰ মেৰামতিৰ কাৰণে ২০১৫ চনত allotment দিয়াৰ পিছতো মাত্ৰ দুটা খুঁটাহে তাত হৈছে। বাকীখিনি সম্পূৰ্ণ হোৱা নাই। গতিকে মই ক'ব বিচাৰিছো যে এই দলংখনৰ মেৰামতিৰ কাম অতি শীঘ্ৰে সম্পূৰ্ণ কৰিব লাগে যাতে অসম আৰু মেঘালয়ৰ মানুহৰ মাজৰ সংযোগটো ভাল হয়।

**মাননীয় অধ্যক্ষঃ** Please give in a slip in writing to the Minister now through the Orderly.

**চাহাব উদ্দিন আহমেদ (জলেশ্বৰ)ঃ** ঠিক আছে ছাৰ।

**মাননীয় অধ্যক্ষঃ** পীযুষ হাজৰিকা।

**শ্ৰী পীযুষ হাজৰিকা, (জাগীৰোড)ঃ** অধ্যক্ষ মহোদয়, আগতে শিলচৰৰ পৰা ধৰ্মনগৰলৈ যোৱা যি ৰাস্তা, অসমৰ border, সেইটো অতি বিধ্বস্ত অৱস্থাত আছিল। কিন্তু সেইটো এতিয়া যথেষ্ট পৰিৱৰ্তন হৈছে। আগতে শিলচৰৰ পৰা কৰিমগঞ্জৰ ৰাস্তাটোৰে অহা-যোৱা কৰোঁতে চাৰি ঘণ্টা

সময় লাগিছিল কিন্তু এতিয়া ডেৰ ঘণ্টা সময় লাগে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এইটো বৰ ভাল কথা। আপুনি কোৱা কথা খিনি ৰেকৰ্ড হৈ আছে।

**শ্ৰী পীযুষ হাজৰিকা, (জাগীৰোড)ঃ** হয়, অধ্যক্ষ মহোদয়, বৰাক উপত্যকাৰ ৰাস্তা আগৰ তুলনাত বহুত ভাল হৈছে। কিন্তু জাগীৰোডৰ পৰা মৰিগাঁওৰ ৰাস্তাটো ২০১১ চনত আৰম্ভ হৈ আজিও সম্পূৰ্ণ হোৱা নাই।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষঃ** That is why I don't allow anything this sort of things. I thought that you will be raising certain important issues. Today, you are getting the PWD Minister but this is not the way, you should understand, you all are learned Members.

Now, Question No. 45, Minister Please.

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী, গড়কাপ্তানী ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত লালুকৰ পৰা বিহপুৰীয়ালৈকে কৰুণাবাৰী, কাহীপাৰা আৰু বঙমাৰা বজাৰ হৈ এটা State Highway আছে আৰু Highway টোৰ কাম চলি আছে। এতিয়া বৰ্তমানৰ চৰকাৰে State Highway টোক National Highway কৰিবৰ কাৰণে ব্যৱস্থা লৈছে আৰু তাৰ বাবে আমি চৰকাৰক ধন্যবাদ দিছো। ইয়াত মাননীয় মন্ত্ৰী মহোদয়ে এটা technical word ব্যৱহাৰ কৰিছে যিটো হ'ল Alignment. মোৰ সমষ্টিত এনে কিছুমান কথা চলি আছে যে মেনেহা নামৰ ঠাইখিনিত যিটো ৰাস্তা আছে, সেইটো State Highway নহয়। এতিয়া এই State Highway টো কাটি নি যদি National Highway ত দিয়াই হয়, তেন্তে এই Alignment word টোত মোৰ সন্দেহ আছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো আৰু এই সম্পৰ্কত কেইবা বাৰো এই বিভাগৰ লগত যোগাযোগ কৰিছো আৰু তেওঁলোকে মোক assurance ও দিছে যে State Highway টোৱেই National Highway হ'ব। Alignment ৰ নামত ১০-১৫ কিঃমিঃ যি ৰাস্তা আছে সেইখিনি কাটি যাতে National Highway ত অন্তৰ্ভূক্ত নকৰে। এই সম্পৰ্কত মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা Alignment শব্দটোৰ clarification বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** Minister Please.

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী, গড়কাপ্তানী ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক মামুন ইমদাদুল হ'ক চৌধুৰী ডাঙৰীয়াই যিটো ৰাস্তাৰ কথা কৈছে এই ৰাস্তাটো অলপতে কেন্দ্ৰীয় চৰকাৰে NH হিচাপে লোৱাৰ বাবে অধিগ্ৰহণ কৰিছে। এই National Highway ৰ কামবোৰ National Highway and Infrastructure Development Corporation Ltd. য়ে কৰে। তেওঁলোকে কৰাৰ আগতে ৰাস্তাটো যাতে ভৱিষ্যতে ভালদৰে হয় তাৰ বাবে consultant দিয়ে লগতে তাৰ technical কামবোৰো তেওঁলোকে চায়। আজি Alignment ৰ যিটো কথা আপুনি কৈছে, সেই কথাটোৰ ওপৰত আপুনি চিন্তিত হ'ব নালাগে। কাৰণ DPR প্ৰস্তুত হওঁতে ৰাস্তাটোৰ সম্পৰ্কত সকলোখিনি কথা চালি-জাৰি চাই Alignment ৰ ভিতৰত সন্নিৱিষ্ট কৰা হ'ব। আপুনি যিটো কৈছে যে, ৰাস্তাটো বেলেগ ফালে যাব বা বেলেগ ধৰণে

connect হ'ব, সেইটো তেনেকুৱা নহয় তাৰ পৰিবৰ্তে হয়তো turning বোৰ অলপ চিধা হ'ব। কিন্তু এই State Highway টোৱেই National Highway হিচাপে declare কৰা হৈছে।

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী, (নাওঁবৈচা) ঃ** অধ্যক্ষ মহোদয়, এই যিটো State Highway, সেইটো লখিমপুৰৰ পৰা বিহপুৰীয়া হৈ, নাৰায়ণপুৰৰ পৰা গুৱাহাটীলৈ এইটোৱেই main road হ'ব, আৰু সেইটোৱেই আপোনালোকে National Highway কৰি আছে। তাৰ বাবে মই আপোনালোকক ধন্যবাদ জনাইছো। গতিকে Alignment ৰ নামত আপোনালোকে যিটো কথা ক'লে সেইটো যাতে ঠিক থাকে আৰু সময় সূচী নিৰ্ধাৰণৰ কথা যিটো ক'লে, মই detail ত নাযাওঁ। মোৰ মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰতি এটা অনুৰোধ থাকিল যে এই State Highway যিটোৰ কাম ইতিমধ্যে চলি আছে, National Highway হিচাপে ইয়াত কাম যাতে এইখন চৰকাৰৰ কাৰ্যকালতে সম্পূৰ্ণ হয়। ২০ মাহ ইতিমধ্যে পাৰ হৈ গ'ল, আৰু প্ৰায় ৩ বছৰ সময় আছে। গতিকে National Highway টো যাতে সম্পূৰ্ণ হয় তাৰ প্ৰতি মোৰ অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া দেৱানন্দ হাজৰিকা।

**শ্ৰী দেৱানন্দ হাজৰিকা, (বিহপুৰীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথা হৈছে যে National Highway ৰ যিটো proposal দিয়া হৈছে, সেইটো বৰ্তমানৰ যিটো ৰাস্তা তাৰ পৰা সলনি কৰিব নালাগে। দ্বিতীয়তে, এটা প্ৰশ্ন মই সুধিব বিচাৰিছো যে Laluk Rural Sub-Division Office যিটো আছে, সেই Office টো বিহপুৰীয়ালৈ অনাৰ বাবে এটা proposal দিয়া হৈছিল, সেইটোৰ কিমান অগ্ৰগতি হৈছে সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** Minister Please.

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী, গড়কাপ্তানী ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, দেৱানন্দ হাজৰিকা ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে, এতিয়া Office স্থানান্তৰ কৰাৰ তথ্য এতিয়া আমাৰ হাতত নাই। আমি চালি-জাৰি চাই লওঁ কিমান খিনি আগবাঢ়িছে আৰু বাকীখিনি কথা আপোনাৰ লগত আলোচনা কৰি কি কৰা হ'ব চাই ল'ম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া Question No. 46, নিজানুৰ ৰহমান ডাঙৰীয়া।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী, গড়কাপ্তানী ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী নিজানুৰ ৰহমান, (গৌৰীপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই মোৰ প্ৰশ্নৰ যি উত্তৰ দিছে তাতমই সন্তুষ্ট হোৱা নাই। দেৰীতোলা-বাগ্ৰাৰ পৰা খুটাবাগ্ৰা এইৰাস্তা কেইটাৰ construction ৰ উত্তৰত ইয়াৰ progress 65% দেখুওৱা হৈছে। কিন্তু মই যেতিয়া নিজে এইৰাস্তাটোলৈ গৈ ইয়াক পৰিদৰ্শন কৰো তেতিয়া দেখিলো যে ইয়াৰ কাম মাত্ৰ ৩০% হে কাম হৈছে আৰু কামবোৰ অতি নিম্নমানৰ হৈছে। Culvertবোৰ বনাই থকা হৈছে যদিও কামবোৰ বহু দিনৰ পৰা বন্ধ হৈ আছে। মোৰ কথাটো হ'ল যে কামটো যিমান সোনকালে পাৰি সম্পূৰ্ণ কৰক যাতে মানুহ খিনিয়ে বানপানীৰ সময়চোৱাত দুৰ্যোগত ভুগিব লগীয়া নহয়। মই মন্ত্ৰী মহোদয়ৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষক অতি সোনকালে কাম খিনি কৰাৰ বাবে অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষঃ** Minister Please.

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী, গড়কাপ্তানী ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ৬৫% কাম অগ্ৰগতি হোৱা দেখুৱাইছো আৰু মাননীয় বিধায়কে কোৱা মতে কামটো নিম্ন মানৰ হৈছে। যিহেতু

কাম সম্পূৰ্ণ হোৱাই নাই গতিকে এতিয়াই ইয়াৰ মান নিৰ্ণয় কেনেকৈ কৰিম। কাম সম্পূৰ্ণ হোৱাৰ পিছতহে আমি DPRত উল্লেখ কৰিব পাৰিম যে কিমান মাটি দিব লাগিব। গতিকে আমি এতিয়াই কামটো নিম্নমানৰ হৈছে নে নাই সেইটো স্বীকাৰ কৰিব নোৱাৰো। কিন্তু আপুনি যিটো কথা কৈছে যে কামটো সোনকালে সম্পূৰ্ণ হ'ব লাগে, হয়, আমি এইবাৰ working season ৰ ভিতৰত কামবোৰ সম্পূৰ্ণ কৰাৰ বাবে বিভাগক নিৰ্দেশ দিম।

**শ্ৰী নিজানুৰ ৰহমান, (গৌৰীপুৰ)ঃ**অধ্যক্ষ মহোদয়, মই এই কাৰণে নিম্ন মানৰ বুলি কৈছো কাৰণ মই নিজেই যেতিয়া এই কামটোৰ পৰিদৰ্শন কৰিব গৈছিলো তেতিয়া দেখিছিলো যে তাত যিখিনি sand gravel ৰ thickness দিব লাগে, সেইবোৰ সম্পূৰ্ণ হৈ উঠা নাই। আমাৰ অঞ্চলটো অলপ দুৰ্গম অঞ্চল যাৰ বাবে বিষয়া সকলে তাত সঘনে অহা-যোৱা কৰিব নোৱাৰে আৰু ঠিকাদাৰ সকলে ইয়াৰেই সুযোগ লৈ কামটো নিম্নমানৰ কৰাৰ সুবিধা লৈছে। এই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই কামখিনি সময় মতে, সঠিক ভাৱে হৈছে নে নাই সেইটো মনিটৰিং কৰিবলৈ যাতে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

**माননীয় অধ্যক্ষ ঃ** .প্ৰশ্ন নং ৪৭। অশ্বিনী ৰয় চৰকাৰ। মিনিষ্টাৰ ফিচাৰী।

**শ্ৰী পৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী অশ্বিনী ৰয় চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ যি উত্তৰ সেই উত্তৰত মই সন্তুষ্ট। কিন্তু মোৰ সমষ্টিত যিটো চৰকাৰী মীন মহল তাৰ মাটিত মীন মহলটো আছে আৰু দুজন মানুহ এজন পাম ৰক্ষক আৰু এজন 4th grade. তেওঁলোকে বছৰেকীয়া যিখিনি দৰমহা পায়, সেই দৰমহাৰ কাৰণে যিখিনি ৰেভিনিউ আহিছে সেইখিনি বহুত কম। গতিকে মই আশা ৰাখিম যে আমাৰ অসম খনত যথেষ্ঠ মীন পালনৰ সম্ভাৱনীয়তা আছে আৰু বৰ্তমান যুগত কাৰিকৰী বা বিজ্ঞান সন্মত ভাৱে মীন পালন কৰা হয়। আমাৰ ৰহাত যিখন মীন মহাবিদ্যালয় আছে, মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে যদি আমি বিজ্ঞান সন্মত ভাৱে মাছৰ উৎপাদন কৰো আৰু যদি মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয় কৰা হয় আৰু মীন উৎপাদন কৰাৰ বাবে আৰু কেইখন মান কলেজ যদি প্ৰতিষ্ঠা কৰি বিজ্ঞান সন্মত ভাৱে যদি মীন পালন কৰা হয় তেতিয়াহ'লে মাছৰ প্ৰয়োজনীয়তা তথা চৰকাৰী আয় বৃদ্ধি পাব। বিশেষভাৱে মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে আগমনিৰ যিটো মীন পাম আৰু ধুবুৰীত অক্টোবৰ- নৱেম্বৰ মাহত ইলিছ মাছৰ উৎপাদন যথেষ্ঠ হয় আৰু এই ইলিছ মাছৰ উৎপাদন বিজ্ঞান সন্মতভাৱে আগমনিৰ পামখনত কৰিবৰ বাবে প্ৰচেষ্টা হাতত লোৱা দৰকাৰ। গতিকে মই মন্ত্ৰী মহোদয়ক এই পামখনত ইলিছ মাছৰ উৎপাদনৰ কাৰণে দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী পৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষমহোদয়, মাননীয় অশ্বিনী ৰয় চৰকাৰে এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিলে। তেওঁ আগমনিৰ যিটো কথা কৈছে, মই ভাৱো যে আমাৰ চৰকাৰ অহাৰ পিছতে মীন খণ্ডত আমাৰ জনসাধাৰণৰ খুব ইনটাৰেষ্ট বাঢ়িছে আৰু বঢ়াটো ভাল। আগমনিত আমাৰ যিটো মীন প্ৰজেক্ট আছে, এই পামখনৰ উন্নয়নৰ বাবে আমি RKVI Project এটা লৈছো ২০১৬-১৭ত। এইটো প্ৰায় চাৰে চাৰি লাখ টকাৰ। আগৰ চৰকাৰৰ দিনত যেনেকুৱা আছিল আমি খুব বেছি এটা বছৰত ৭০০০ পালো। আমাৰ চৰকাৰ অহাৰ পিছত এটা বছৰত ১৯ হাজাৰ টকা পালো। দুজনক কম্পপ্লিটলী দৰমহা দিবৰ বাবে বহুত টকা খৰচ হয়। কালি যাতে এনেকুৱা নহয় তাৰ বাবে আমি ব্যৱস্থা লৈ আছো আৰু কাম আৰম্ভ হ'ব। আমি ইচ্ছা কৰিলে যিসকল মীনপালক আছে

তেওঁলোকৰ দ্বাৰা বিজ্ঞান সন্মত ভাৱে ইলিছ মাছ উৎপাদন কৰিব পাৰো। কিন্তু ইলিছ মাছৰ উৎপাদন কৰিবলৈ হ'লে ট্ৰেইনিঙৰ প্ৰয়োজন আছে। জানিবলগীয়া বহুখিনি কথা আছে। যোৱাবাৰ আমি অসমত প্ৰায় ২০০ টা ট্ৰেইনিং কেম্প কৰিলো। প্ৰত্যেকখন জিলাতেই কৰিছো। এইবিলাক কাম চলি আছে। মই ভাৱো এবছৰ- ডেৰবছৰৰ ভিতৰত আমি বহুখিনি আগবাঢ়ি যাম। মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ আপুনি দেখিছে যে উৰুকাৰ আগতে আমাৰ থলুৱা মাছৰ production বহুখিনি হৈছে। টিভি বা সংবাদ মাধ্যমত দেখাই আছে। গতিকে মই ভাৱো যে যেনেকৈ বিচাৰে আমি তেনেধৰণে আগবাঢ়ি যাব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৪৮। চক্ৰধৰ গগৈ।

**শ্ৰী পৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী চক্ৰধৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ জনজীৱনত মৎস্য পালনে এটা খুব গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু গাওঁ অঞ্চলৰ বেছিভাগ মানুহে মৎস্য ব্যৱসায় কৰি জীৱিকা নিৰ্বাহ কৰি অহা দেখা গৈছে। মই মৰাণ সমষ্টিৰ সন্দৰ্ভত এটা প্ৰশ্ন কৰিছিলো যে মীন বিভাগে মৰাণ সমষ্টি এলেকাত কিমানখন বিল আৰু কিমানটা নদী খণ্ডক মীন মহল হিচাবে নিবিদা প্ৰক্ৰিয়াৰ বা অন্য ধৰণে আবন্টন দিছে। ইয়াৰ উত্তৰত কোৱা হৈছে যে ছখন নদীখণ্ডক মীন মহল হিচাবে নিবিদা প্ৰক্ৰিয়াৰে আবন্টন দিছে। ইয়াত ছটা খণ্ডৰ কথা কোৱা হৈছে। কিন্তু মই জনাত আৰু কেইবাখনো বিল ইয়াত উল্লেখ হোৱা নাই। যেনে খোৱাঙৰ গৰিমাৰী বিলখন আছিল। কলাখোৱা বৰবিল আৰু খোৱাঙৰ বৰবিলখন। এই তিনিখন বিল নিবিদা প্ৰক্ৰিয়াৰে দিয়া বুলি মই জানো আৰু ইয়াত লেছীয়ে মাছ ধৰা কাম আৰম্ভ কৰিছে। কিন্তু ইয়াত কিয় উল্লেখ নাই সেই কথা মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। শেষত আৰু এটা প্ৰশ্ন আছিল নিবিদাৰ চুক্তি অনুসৰি তেওঁলোকে ধন আদায় দিছেনে? যদি দিছে তথ্য সহকাৰে জনাব। তথ্য সহকাৰে জনাইছে কিন্তু এটা কথা শুনি আচৰিত হ'লো যে নিবিদাৰ চুক্তি অনুসৰি M/S Brahmaputra 3,4,5 সমবায় সমিতিৰ বাহিৰে সমিতি সমূহে কিস্তিৰ ধন আশিংক ভাৱে দি আছে বুলি কোৱা হৈছে। আশিংক ভাৱে দিওঁতে দিওঁতে যেতিয়া বছৰৰ নিবিদা পিৰিয়দটো শেষ হৈ যায় তেতিয়া গোটেইখিনি ধন দি শেষ হয় নে নহয় এই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আৰু শেষত এটা প্ৰশ্নৰ উত্তৰ দিলে যে M/S Brahmaputra 3,4,5 সমবায় সমিতিয়ে আবন্টন পোৱা চেচাঁনদী, মৰাণৰ নিবিদাৰ ধন এতিয়াও আদায় দিয়া নাই। যিহেতু মহামান্য উচ্চ ন্যায়ালয়ৰ গোচৰ নং ...............নিৰ্দ্দেশমৰ্মে ৰাজহ স্থানত ৰাখিছে হয় কিন্তু তাত মাছধৰা কথাটো মহলদাৰ সকলে কৰিয়েই আছে। গতিকে এই ক্ষেত্ৰত মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লৈছে নেকি এই সন্দৰ্ভত জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Minister.

**শ্ৰী পৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই revenue bill বিলাক directly আমি দিব নোৱাৰো। এইটো ডেপুটী কমিচনাৰৰ জৰিয়তে টেণ্ডাৰ হয়। টেণ্ডাৰ হোৱাৰ পিছত তেওঁলোকে টেণ্ডাৰটো finalize কৰি আমাৰ ইয়াত পঠায়। খালী আমি এই মাছ উন্নয়নৰ ক্ষেত্ৰত কিমান কাম কৰিছো এই কথাখিনি লিখিবলগীয়া হয়। আপুনি যি দুই বা তিনিটা মীন মহলৰ কথা কৈছে যিটো উল্লেখ কৰা নাই, তেনেকুৱা যদি থাকে আপুনি দিব। মই স্থানীয় ডেপুটী কমিচনাৰৰ পৰা আমি লৈ লম। এই তথ্য বিলাক আমি ডেপুটী কমিচনাৰ সকলৰ পৰা লৈছো আৰু আপুনি M/S Brahmaputra 3,4,5 এই তিনিটাৰ কথা যিটো কৈছে এইটো আমাৰ লগত আছে। High

Court ৰ verdict ৰ জৰিয়তে তেওঁলোকৰ ফালৰ পৰা ৰেভিনিউটো বন্ধ কৰি দিয়া হ'ল আৰু revenue টো Deputy Commissiner ৰ জৰিয়তে জমা দিয়ে। আমাৰ ইয়াত জমা নিদিয়ে আৰু এই তিনিটা মীন মহলৰ ক্ষেত্ৰত যদি কিবা থাকে আপুনি জনালে আমি personaly persue কৰি লম।

**শ্ৰী অশ্বিনী ৰয় চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে যিবিলাক খাল বিল দিয়া হৈছে মহলত তাৰ পৰা যিহেতুকে পৰ্য্যাপ্ত পৰিমাণে ধন পোৱাটো আমি দেখা নাই, যদি এইবিলাকত আমাৰ গ্ৰামাঞ্চলৰ যিবিলাক নিবনুৱা তেওঁলোকক সমূহীয়াভাৱে মৎস্য পালনৰ আধুনিক পদ্ধতিৰে দায়িত্ব পালনৰ বাবে ভৱিষ্যতে কিবা সুবিধা দিব নেকি? এই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পৰিমল শুক্লবৈদ্য ঃ** চাৰ, আমাৰ দুটা AFDC আছে। AFDC ৰ জৰিয়তে আমাৰ প্ৰায় ১৮৪ টা বিল একেবাৰে যিখিনি থলুৱা লোক আছে তেওঁলোকক দিয়াৰ ব্যৱস্থা আছে। কিন্তু আপুনি যি মীনমহলৰ কথা কৈছে ৰেভিনিউ বিলাক যিহেতু ডি চি ৰ জৰিয়তে টেণ্ডাৰ কৰা হয় তেওঁলোকে স্থিৰ কৰে কাক দিবলাগে। ওচৰে পাজৰে থকা থলুৱা মানুহখিনিক দিয়াটো কিমানদূৰ সম্ভৱ হ'ব এইটো আজি আমি কব নোৱাৰিম। কিন্তু AFDC ত থকা বিল বিলাক আমি দি আছো।

**মাননীয় অধ্যক্ষ ঃ** Next Shri Prasanta Phukan. It is related to Moran Constituency.

**শ্ৰী প্ৰশান্ত ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক এটা কথা সুধিব বিচাৰিছো যে আমাৰ যে মাছৰ পোনা বিলাক দিয়ে বিশেষকৈ মোৰ সমষ্টিত যোৱাবাৰ মাছ যথেষ্ঠ খিনি উৎপাদন হৈছে। মে, জুন মাহৰ ভিতৰত মাছৰ পোনাখিনি দিয়াৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নেকি, তেখেতক মই সদনত এই প্ৰশ্নটো কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ গোটেই অসমত মাছৰ পোনা দিয়া হৈছে আৰু যদি মে, জুনৰ ভিতৰত দিব পাৰো নিশ্চয় ভাল হ'ব আৰু অহা দিনত আমি গোটেই অসমতে মে,জুনৰ ভিতৰত দিয়াৰ ব্যৱস্থা কৰিম। কিন্তু এই পোনা দিয়াৰ ক্ষেত্ৰত কেতিয়াবা আমাৰ Central raw revolution ৰ জৰিয়তে দিয়া হয়। পইচা চেংচন হ'লেহে আমি পোনা কিনিব পাৰিম। ঠিক সেইদৰে RKVY জৰিয়তে আমি দিওঁ। গতিকে আমি দিয়াৰ ব্যৱস্থা কৰিম।

Speaker : Thank you, Now point of order. I will allow everybody one by one. Now Shri Nurul Huda.

**মোঃ নুৰুল হুদা, (ৰূপহীহাট) ঃ**. অধ্যক্ষ মহোদয়, আজি মোৰ এটা প্ৰশ্ন আছিলে গড়কাপ্তানি বিভাগৰ প্ৰশ্নটোত মোৰ নামটো আহিলে, কিন্তু প্ৰশ্নটোও নাহিলে, উত্তৰটো নাপালো

**মাননীয় অধ্যক্ষ ঃ** কেই নম্বৰ...

**মোঃ নুৰুল হুদা, (ৰূপহীহাট ) ঃ** চাৰ, প্ৰশ্ন নং ৫৪। ইয়াত বিষয়টো উল্লেখ কৰিছে ফ্লাই অভাৰৰ নিৰ্মাণ কাম। কমল নাৰ্জাৰীৰ তলত মোৰ নামটো দিছে। কিন্তু question টো আছিল, ৰাষ্ট্ৰীয় ঘাইপথৰ অৱস্থা। Question টোও বেলেগ।

**মাননীয় অধ্যক্ষ ঃ** Definitely, there might be a mistake. I will look into it.কাৰণ নাম দুটা আছে। শ্ৰী কমল সিং নাৰ্জাৰী আৰু মোঃ নৰুল হুদা। কেতিয়াবা আমি কি কৰো একেধৰণৰ Question Club কৰিব পাৰে। গতিকে I will definately look into it.

I will give you justice, If found correct, Answer to your question will be given by any mean.

**শ্ৰী আবুল কালাম ৰচিদ আলম, ( পূৰ্ব গোৱালপাৰাৰ) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্ন নাম্বাৰ ১১২। অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰিছিলো পি এম জি এচ ৱাই আৰু আৰ আই ডি এফৰ আঁচনি চলি থকা ৰাষ্টাঘাট বিলাক, কৰোতে শিল আৰু বালিৰ প্ৰয়োজন কিমান হ'ব গোৱালপাৰা জিলাত সেইখিনি মজুত আছে নেকি ? মোক উত্তৰ দিলে যে ওচৰৰ কোৱাৰী বিলাকৰ পৰা সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হৈছে। গোৱালপাৰা জিলাত কোৱাৰীয়েই নাই। গোৱালপাৰাৰ ওচৰে পাজৰেও নাই। উত্তৰ শুদ্ধ একেবাৰে নহয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Question no.টো কিমান আছিলে আপোনাৰ ?

**শ্ৰী আবুল কালাম ৰচিদ আলম, ( পূৰ্ব গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল ১১২।

**মাননীয় অধ্যক্ষ ঃ** ১১২, আজিৰ নে ?

**শ্ৰী আবুল কালাম ৰচিদ আলম, ( পূৰ্ব গোৱালপাৰা) ঃ** আজিৰ।

**মাননীয় অধ্যক্ষ ঃ** unstarred নে ?

**শ্ৰী আবুল কালাম ৰচিদ আলম, ( পূৰ্ব গোৱালপাৰা) ঃ** unstarred.

**মাননীয় অধ্যক্ষ ঃ** Ok. এইটো গড়কাপ্তানী বিভাগৰ আছিল।

**শ্ৰী আবুল কালাম ৰচিদ আলম, ( পূৰ্ব গোৱালপাৰা) ঃ** হয়।

**মাননীয় অধ্যক্ষ ঃ** Ok. As PWD Minister in present I call you attention to the matter. Kindly look into it and give me a reply enabling me to give the reply to the member. Thank you.

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** চাৰ, পইণ্ট অফ অৰ্ডাৰ।

**মাননীয় অধ্যক্ষ ঃ**What is your point of order.

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** চাৰ, মোৰ পইণ্ট অফ অৰ্ডাৰ হ'ল যে আমি যেতিয়া প্ৰশ্ন বিলাক কৰো, যদি বিভাগীয় মন্ত্ৰী মহোদয় নাথাকে, তেতিয়া হয়তো আমাৰ সংসদীয় মন্ত্ৰীয়ে উত্তৰ দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** Definitely.

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** গতিকে সেইটো বিভাগলৈ কনভে কৰিব নে নাই ? আমি ভাবো পিছত যিহেতু কনভে কৰা হ'ল বা মেচেজ দিয়া হ'ল।

**মাননীয় অধ্যক্ষ ঃ** মই সেইটো যিমান পাৰো একোমডেট কৰিছো। কাৰণ আজিও কেইবাজনো মন্ত্ৰী বাহিৰত গৈছে। বিধায়ক সকলে মোৰ পৰা পাৰমিশ্যন লৈ গৈছে। শাসকীয় আৰু বিৰোধী দুয়োটাই। গতিকে আপোনাৰ কথাটো মই এপ্ৰিচিয়েট কৰো। I am trying by level best.যাতে সেইটো যাৰ বিভাগীয় মন্ত্ৰী নাথাকিলে মই সেই কোৰেশ্যনটো পিছলৈ নিবলৈ চেষ্টা কৰি আছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** অধ্যক্ষ মহোদয়, যোৱা সময়ছোৱাত আমি ২৮-২-১৭,৩১-৫-১৭, আৰু ১৮-৯-১৭ ত আপোনালৈ পত্ৰ লিখি কিছুমান তথ্য বিভ্ৰান্তি, যোৱা সদনৰ উত্তৰত এই বিষয়ে আপোনাক জনাইছিলো। এইখিনি আমি পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মই অহা সোমবাৰৰ ভিতৰত এইটো ঠিক কৰি দিম।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, আমাৰ এচেম্বলী চলি আছে। আমাৰ সমষ্টিৰ মানুহখিনিয়ে চাই আছে, গোটেই অসমৰ প্ৰত্যেকজন বিধায়ক, বিধায়িকাক।

**মাননীয় অধ্যক্ষ ঃ** পইণ্ট অফ অৰ্ডাৰটো কি ?

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** কথাটো হৈছে অধ্যক্ষ মহোদয়, মই প্ৰথম দিনা এটা প্ৰশ্ন কৰিছিলো, তৰা চিহ্নিত প্ৰশ্ন নং ২০।

**মাননীয় অধ্যক্ষ ঃ** ২০ নম্বৰ কোৱেশ্যন, টেল মি ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** হয় Starred কোৱেশ্যন। কৰিমগঞ্জ জিলাত কিমান চাহ বাগিছাৰ ফেক্টৰি সক্ৰীয়ভাৱে চলি আছে। উত্তৰত পালো অধ্যক্ষ মহোদয়, যে, এটাক বাদ দি কৰিমগঞ্জ জিলাত গোটেইকেইটা চলি আছে। কিন্তু মোৰ সমষ্টিত দুটা ফেক্টৰী প্ৰায় তিনি চাৰি বছৰ ধৰি বন্ধ হৈ পৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো কোন ডিপাৰ্টমেণ্টৰ আছিল ?

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** চাৰ, এইটো লেবাৰ ডিপাৰ্টমেণ্টৰ। কথাটো হৈছে যে, এই যিসকল বিষয়াই তথ্যখিনি মন্ত্ৰীসকলক দিয়ে, মন্ত্ৰীসকলে আমাক যে ৰিপ্লাই দিয়ে। মই ভাবো এইখিনিৰ ওপৰত এটা এনকুৱেৰী হ'ব লাগে আৰু বিষয়াবিলাকৰ ওপৰত এটা ব্যৱস্থা ল'ব লাগে। নহ'লে গোটেই চিষ্টেমটো অধ্যক্ষ মহোদয় বেয়া হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** Your point has to be noted. Ok. Please. মই এটা কথা কব বিচাৰিছো আমি অহাবাৰলৈ, এইবাৰৰ চেচ্‌নটোত নোৱাৰিম। অহা চেচনৰ পৰা আমি এটা কথা ভাবিছো। আমাৰ কোৱেশ্যনবিলাকৰো আমি পঢ়োতে বহুত অসুবিধা হয়। মই কাকো দোষ দিয়া নাই। কিন্তু কথা হৈছে আপোনালোক সকলোকে টাইপ ৰাইটাৰৰ সুবিধা দিব পৰা নাই। সেই কাৰণে অহা বাৰৰ পৰা আমাৰ এচেম্বলীত তিনিজন টাইপিষ্ট থাকিব।দুজন অসমীয়া, এজন ইংৰাজী আৰু বেংগলীৰো থাকিব। বা হিন্দীৰো কোনোবাই দিলে কৰা যাব। তেওঁলোকক আপোনালোকে কোৱেশ্যনখিনি দি টাইপ কৰাই কোৱেশ্যন ব্ৰাঞ্চত দিব। সেইটো মই অনুৰোধ কৰিছো। আমাৰ ইয়াৰ পৰা যাওতেওঁ কিন্তু শুদ্ধকৈ নাযায়, মই চাইছো । মই আপোনলোকৰ কথাখিনি চামেই।

তথাপিও কৈছো এই কথাটো কাৰণ টাইপত যদি কোৱেশ্যনটো আহে, আমাৰ কাৰণে সুবিধা হয়। আৰু কেতিয়াবা কি হয় মইও এতিয়া বহুত এডিট কৰি আছো। আপোনালোকৰ কোৱেশ্যনকেইটা মই যেতিয়া সুবিধা পাওঁ চাবলৈ। আপোনালোকে হয়তো একেটা কোৱেশ্যনতে দুটা তিনিটা বেলেগ ইছ্যু সুধিছে। মই বিচাৰিছো যে আপোনালোকে দুই-তিনিটা সুকীয়া কোৱেশ্যন কৰি দিব। আমি এইবোৰ বাই ফাৰকেট কৰিবলগা হৈছে। কাৰণ ডিপাৰ্টমেণ্টে এটা বিভাগৰ পৰা আনিবলৈ যাওঁতে আকৌ ইটোৰ পৰা আনোতে বা মিলাওঁতে দেৰি হৈ যায়।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, (কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, মই এটা ৰিকুৱেষ্ট কৰিব বিচাৰিছো। আমাৰ যিখিনি আপুনি ৰেকৰ্ডিংৰ ব্যৱস্থা কৰিছে, তাৰ কাৰণে আপোনাক ধন্যবাদ জনাব বিচাৰিছো। এই ৰেকৰ্ডখিনি যদি আমি পাই যাওঁ, তেনেহ'লে ভাল হয়। যদি এই ব্যৱস্থা কৰা যায়।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকক মই এইটো ক্ষেত্ৰত কৈছো যে, সদনৰ যোৱাবাৰৰ যিখিনি প্ৰচিডিং এতিয়া আপোনালোকে পোন্ধৰ দিনৰ ভিতৰত একচুৱেলী উত্তৰ দিব লাগে আমাক। হয়, আপোনালোকে সুধৰাই দিব লাগে। কিন্তু নুশুধৰালে আমি শুধৰাবলগীয়া হয়। কাৰণ শুৱলা নহ'লেতো লেকচাৰবিলাক পিছৰ জেনেৰেশ্যনেকি বুজিব আমাৰ কথা। তেওঁলোকে ভাবিব এনেকুৱা কথা পাতিছিল নেকি? সেই কাৰণে আমি এই কথাবোৰ চাইচো। We will talk to আমি সময় নষ্ট নকৰো শুকুৰবাৰ আজি।

**শ্ৰী আব্দুল খালেক, ( জনীয়া ) ঃ** ধন্যবাদ এটা দিছো চাৰ, যিহেতু টাইপৰ সুবিধা দিব। একেসময়তে চাৰ, আমাক যদি এচিচটেণ্ট একোজনকৈ দিব পাৰে, এই অধিবেশনত নহয় চাৰ, পৰ্য্যায়ক্ৰমে

তেতিয়া আৰু সুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এখন চিঠি আপোনালোক সকলোৰে লেজিচলেশ্যাৰ পাৰ্টিৰ নেতালৈ মই পঠিয়াইছো। After discussion please give the suggession, Today I am sending the letter.

**ডাঃ নোমল মোমিন, ( বোকাজান) ঃ** অধ্যক্ষ মহোদয়, যিটো কোৰেশ্যনৰ ফৰমেট আছে, আমি নিজে টাইপ কৰি লব পাৰিম নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ন' প্ৰব্লেম। সেইটো একো নাই । আমিটো ভালেই পাওঁ তেনেকুৱা হ'লে, আপোনালোকক কৈছো। মই এইখিনিতে ৰাখিছো, কাৰণ আজি শুকুৰবাৰ, টাইম কম, ১০ঃ৩৫। এতিয়া শূণ্যকালিন ঘণ্টা । মই প্ৰথমে মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্তক তেখেতৰ বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** অধ্যক্ষ ডাঙৰীয়া.......

**মাননীয় অধ্যক্ষ ঃ** আপোনাক দিম। সেইটো আছে। আপোনাৰ ষ্টেটমেণ্টটো দিবলৈ পাব। প্ৰথমে আজিৰ কেইটা হৈ লওঁক।

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, (বঢ়হমপুৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই এই বিষয়ৰ ক্ষেত্ৰত আপোনাৰ জৰিয়তে গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ৬ ফেব্ৰুৱাৰী তাৰিখে এটা বাতৰি প্ৰকাশিত হৈছিল যে, নগাওঁত পথ নিৰ্মাণৰ ব্যাপক অনিয়ম, পি এম জিৰ নামত ঠিকাদাৰ, অভিযন্তাৰ লুণ্ঠন, তদন্তৰ নিৰ্দেশকো ভেঙুচালি। মই আশা কৰিছো মন্ত্ৰী ডাঙৰীয়াই তেখেতে চাইছে। অধ্যক্ষ ডাঙৰীয়া, Communication is the backbone of the society. Communication যদি ঠিক নহয়, তেতিয়াহ'লে সমাজৰ উন্নতি হ'ব নোৱাৰে। এই বাতৰিটোৰ ভিত্তিত মই ক'ব বিচাৰিছোঁ অধ্যক্ষ ডাঙৰীয়া যে, ষ্টেট হাইৱে, ৰেইল কমিউনিকেশ্যন অতি ইমপৰটেণ্ট। নেশ্যনেল হাইৱে ৰিপিয়াৰ কৰিব, নেশ্যনেল হাইৱে বনাব চেণ্ট্ৰেল গোভৰ্ণমেণ্টৰ পইচা আহিব পোনপোটীয়াকৈ বনাব পাৰিব। কিন্তু ষ্টেট হাইৱে বা গাওঁৰ যি যোগাযোগ, এই যোগাযোগ যদি উন্নত নহয়, তেতিয়াহ'লে সমাজখন কেতিয়াওঁ আগবাঢ়িব নোৱাৰে। এডুকেশ্যন, হেল্থ এইবিলাকৰ লগত ইয়াৰ প্ৰয়োজন আছে। এতিয়া অধ্যক্ষ ডাঙৰীয়া, মই আন কথা বাদেই দিছোঁ আনকি মোৰ বিধান সভা সমষ্টিৰ মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ, মুখ্যমন্ত্ৰীৰো দৃষ্টি আকৰ্ষণ কৰিছো বহুবাৰ। দেখা গৈছে যে নেশ্যনেল হাইৱে ৩৭ ৰ পৰা চাপানলা যিটো জলপ্ৰপাত, এই জলপ্ৰপাতটো লৈ যোৱা ৰাষ্টাটো উন্নয়নৰ কাৰণে যোৱা ২১-৬-২০১৭ চনতেই উপাধ্যক্ষ ডাঙৰীয়া, তেওঁলোকে ইম্প্ৰভমেণ্ট অফ দা পুৰণি গুডাম চাপানলা ৰোডৰ কাৰণে প্ৰপ'জেল পঠাইছে, এষ্টিমেট পঠাইছিল। ৩০৯.০৮ লাখ টকা খৰচ হ'ব বুলি তেওঁলোকে এষ্টিমেট পঠাইছে। কিন্তু সেই এষ্টিমেটৰ ফাইলটো ঘূৰি থাকিল। উপাধ্যক্ষ ডাঙৰীয়া, যে এজন চিফ ইঞ্জিনীয়াৰৰ অফিচত কাম কৰা লোকে ছমাহ ফাইলটো লুকুৱাই থ'লে। তাৰ পাছত সেই ফাইলটো ওলাল। ওলোৱাৰ পাছত আকৌ টেবুলে টেবুলে ঘূৰিলে। কিন্তু এতিয়ালৈকে এইটো কাম হোৱা নাই। মই আশা কৰিছো, মন্ত্ৰী ডাঙৰীয়াই এই বিষয়টোৰ প্ৰতি দৃষ্টি দিব। NH-36 ৰ পৰা কঠিয়াতলি-আমলখিৰ যিটো ৰাষ্টা এই ৰাষ্টাটো উন্নয়ন কৰিব লাগে। 37-NH ৰ পৰা গোমোথাগাওঁ, বঢ়মপুৰ, বামুনী ৰাষ্টাটো য'ত কংগ্ৰেছৰ দিনতো তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী হিচাপে তাত এচুৰেঞ্চ দিছিল যে, যিহেতু ইয়াত চাৰিজন শ্বহীদ হৈছিল, স্বাধীনতাৰ আন্দোলনত এই পথটো বনোৱা হ'ব । কিন্তু আজিলৈকে এই পথটো নহ'ল। গতিকে মই মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যাতে এই

বিষয়টোৰ প্ৰতি চকু দিয়ে। ইয়াৰ উপৰিও আছিল নগাওঁ টাউনৰ পৰা ৰূপহীলৈ যিটো ৰাষ্টা, সেই ৰাষ্টাত যাব নোৱাৰে। গতিকে সেই কথাটো আৰু NH ৰ উৰিয়া গাওঁৰ যিটো চ'ক আছে, সেই চ'কটোৰ পৰা কৰণি হৈ নগাওঁ ৰূপহী পথ কপিলী নদীৰ যিটো কমিউনিকেশ্যন আটাইতকৈ বিপদশংকুল, তাৰ সিপাৰে যিটো ৰাস্তা আছিল কপিলীৰ সিটো পাৰে, সেই ৰাস্তাটো ব্লেক টপিং ৰাস্তা আছিল, ভাল আছিল। কিন্তু আগৰ চৰকাৰৰ দিনত ৰাস্তা উন্নত কৰিবৰ কাৰণে তাত মাটি পেলাই দিলে, আৰু মাটি পেলোৱাৰ পিছত যিখিনি কাম কৰিব লাগে সেইখিনি কাম উপাধ্যক্ষ ডাঙৰীয়া, নকৰিলে, আৰু তাৰ ফলত বৰষুণ দিলে ওলাব নোৱাৰে। তাত এতিয়া ডাঙৰ ডাঙৰ গাঁতৰ সৃষ্টি হৈছে। ল'ৰা-ছোৱালী স্কুল যাব নোৱাৰে বৰষুণ দিলে, আৰু বেমাৰী মানুহ হস্পিতালত নিবলগীয়া হলে ঠেলাত উঠাই লৈ যাব লগীয়া অৱস্থা হয়। কাৰণ গাড়ী যাব নিবিচাৰে। গতিকে কপিলীৰ সিপাৰে ৰাস্তা আৰু এনেকুৱা বহু ৰাস্তা আছে, সেইখিনিৰ ক্ষেত্ৰত মই চাবৰ কাৰণে ব্যৱস্থা হাতত লবৰ কাৰণে মাননীয় মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, পি এম জি এচ ওৱাই ৰ ৰাস্তা প্ৰতি বছৰ ৰিপেয়াৰ কৰিব লাগে। ৫ বছৰৰ মূৰে মূৰেটো এইটো কৰিবই লাগে। কিন্তু তাত যি কেইজন কনট্ৰেকটৰে এই ঠিকা পালে ইয়াৰ আগৰ চৰকাৰৰ দিনত তেওঁলোকে মাজে মাজে ৰাস্তাত শিলগুটি নেপেলোৱাকৈ ব্লেক টপিং কৰি পেলালে। আৰু ৰিপেয়াৰিংটো এতিয়া নামেই নাই। গতিকে সেই ৫ বছৰৰ ৰিপেয়াৰিং ৰ পইচাটো উপাধ্যক্ষ ডাঙৰীয়া কলৈ গৈছে? মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক এই বিষয়টোৰ তদন্ত কৰিবৰ কাৰণে কৈছো আৰু তাৰ উন্নতি কৰিবৰ কাৰণে, এই পথকেইটাৰ কাম যাতে সূচাৰু ৰূপে সম্পন্ন হয়, তাৰ কাৰণে ব্যৱস্থা লবৰ কাৰণে মই মন্ত্ৰী ডাঙৰীয়াক উপাধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে অনুৰোধ জনাইছো। আৰু এটা ব্যাখ্যা উপাধ্যক্ষ ডাঙৰীয়া মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বিষয়টোৰ প্ৰতি ধৰি লওঁক, এটা পথ নিৰ্মান কৰিবৰ কাৰণে তাত স্থিৰ কৰা হৈছে ৩ কোটি টকা, এই ৩ কোটি টকা পি ডব্লিউ ডি বিভাগে ফিকচ কৰি দিলে, টেণ্ডাৰ হ'ল। ট্ৰেণ্ডাৰ পাব কণ্টেকটো। এতিয়া ১০ শতাংশ ধৰি লওক বিল' দিলে ১৫ শতাংশ বিল' দিলে, পইচাটোৰ খৰছটো যিটো যিটো এডভাৰটাইজ হ'ল সেই মতেইটো হব। এই যে ১০ শতাংশ,১৫ শতাংশ পইচাটো কলৈ গ'ল? হয়, পইচাটো জমা কৰি পেলাই আপোনালোকে নতুন স্কীম ল'ব পাৰে। কিন্তু নোলোৱাকে সেই পইচাটো নাইকিয়া কৰি দিছে। এতিয়া ৩ কোটি টকাৰ ৩০ লাখ টকা। এই ৩০ লাখ টকা আপোনালোকে ৰাস্তা একস্ট্ৰেনচন কৰিব পাৰে, বা নতুন ব্যৱস্থা লব পাৰে। কিন্তু এই পইচাটো ঠিকাদাৰ আৰু এক সংখ্যক বিষয়াৰ মাজত ভাগ-বতোৱা কৰি ৰাইজৰ কাম ব্যাহত হৈ পৰে। গতিকে পি এম জি এচ ওৱাই ৰ ৰাস্তাৰ ক্ষেত্ৰত আৰু এই বিল' টেণ্ডাৰ যি সকলে দিয়ে, সেই পইচাটো ক'ত যায় সেইটো তদন্ত কৰি ব্যৱস্থা হাতত লব লাগে, য'ত পইচা খৰচ নোহোৱাকৈ আছে, খৰছ কৰিব লাগে এই পইচাটো যাতে জিৰ' টলাৰেঞ্চৰ কথা কোৱা হৈছে, গতিকে ইয়াত যাতে আত্মসাৎ কৰিব নোৱাৰে, তাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, এই বাতৰিটোত বিভিন্ন পথৰ কথা উল্লেখ কৰা হৈছে। য'ত আয়ুক্ত আৰু সচিবে তদন্ত ৰ কাৰণে দিয়া নিৰ্দেশ, তাক লুকুৱাই দিয়া হৈছে, গাফিলতি কৰা হৈছে, তদন্ত ভাল ধৰণে হোৱা নাই বুলি অভিযোগ বিভাগৰ পৰা উঠিছে। গতিকে উপাধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াক এই কেইটা বিষয়ৰ ক্ষেত্ৰত, ব্যৱস্থা লবৰ কাৰণে মই অনুৰোধ জনাইছো আৰু ৰাজ্যপালৰ ভাষণৰ সময়ত উপাধ্যক্ষ ডাঙৰীয়া আলোচনা হব । কিন্তু গৱৰ্ণৰ স্পিটচ ত নেচনেল হাইওৱেৰ বাহিৰে ষ্টেট হাইওৱে আৰু গাওঁ বিলাকলৈ সম্প্ৰসাৰণ কৰা ৰাস্তা বিলাকৰ উন্নতিৰ একো কথা নাই। পইচা নাই। মই চাপ্লিমেণ্টৰি ডিমাণ্ড চালো। মই আশা কৰিছিলো যে চাপ্লিমেণ্টৰি ডিমাণ্ডত

মেৰামতিৰ কাৰণে কিছু পইচা থাকিব। কিন্তু চাপ্লিমেণ্টৰি ডিমাণ্ডত টো কোনো পইচা ধৰা ন'হল। ১০ কোটি টকা ধৰা হৈছে বেলেগ বেলেগ কাৰণত, মেৰামতিৰ নামত। কিন্তু আমাৰ যিবিলাক ৰাস্তাত, আমি যাব নোৱাৰো য'ত ৰাস্তাত ডাঙৰ ডাঙৰ খাল হৈছে। এই বিলাক ৰিপেয়াৰিং কৰিবৰ কাৰণে পি ডব্লিও ডি বিভাগক মেইণ্টেনেচৰ কাৰণে অধিক পইচা দিয়া উচিত আছিল। চাপ্লিমেণ্টৰি ডিমাণ্ডত মই আশা কৰো যে অহা বাজেটত যদিও ডিজিটেল হ'ব এইটো ৰিফ্লেক্ট কৰিব। গাঁৰৰ ৰাস্তা ভাল কৰিব আৰু হাইওৱে ভাল কৰাৰ ব্যৱস্থা হাতত লব। মই ইয়াকে অনুৰোধ জনাইছো। আৰু মই যি কেইটা কথা উত্থাপন কৰিছো, উপাধ্যক্ষ ডাঙৰীয়া,বাতৰি কাকতৰ উদ্ধৃতি দি মই আশা কৰিছো, তেখেতে গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা হাতত ল'ব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, সদস্যঃ**- মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা এড কৰি দিব খুজিছো। এই বিল' টেণ্ডাৰ দিয়াৰ ক্ষেত্ৰত দেখা যায়, যিবোৰ ঠিকাদাৰ ভাল নহয়, যিবোৰে কামটো সম্পূৰ্ণ নকৰাকে গুছি যায় কামবোৰ আধৰুৱা হৈ থাকি যায়।

**শ্ৰী ফণী ভূষণ চৌধুৰী, সদস্যঃ**- উপাধ্যক্ষ মহোদয়, জিৰ' আৱাৰট ডিবেট নহয়।

মাননীয় উপাধ্যক্ষ ঃ- জিৰ' আৱাৰত ডিবেট নচলে।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস, সদস্যঃ**- There are no any provision for debates during the zero hour. So, you kindly keep the rulling.

**মাননীয় উপাধ্যক্ষ ঃ**-মিনিষ্টাৰ--

শ্ৰী পৰিমল শুক্ল বৈদ্য, মন্ত্ৰীঃ- মাননীয় উপাধ্যক্ষ মহোদয়, মই সন্মানিত প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু আজি পবিত্ৰ সদনৰ সদস্য প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই কেৱল এটা ৰাস্তাৰ কাৰণে নহয়, গুৰুত্বপূৰ্ণ কিছুমান কথা তেখেতে কৈছে। হয়, সচাঁকৈয়ে এই যিটোৰ ওপৰত আজি এই জিৰ' আৱাৰটো আহিছে, যোৱাৰ আগতে তেখেতে কেইটামান কথা কৈছে, এই কথা বিলাক অলপ আলোচনা আমি কৰিম। এতিয়া যি কেইটামান ৰাস্তাৰ কথা আপুনি কৈছে সেই কেইটা ৰাস্তাৰ কাৰণে মই পাৰচনেলি আপোনাক লগ কৰিম। লগ কৰি কেনেকৈ সোনকালে কৰা যায় তাৰ এটা ব্যৱস্থা যদি আমি কৰিব পাৰো আৰু এটা কথা হ'ল এইবিল' টেণ্ডাৰিংৰ কথাটো কৈছে। মই অহাৰ পিছতে দেখিলো, মাননীয় উপাধ্যক্ষ ডাঙৰীয়া বিল' দিয়াৰ এটা প্ৰৱনতা হৈছে। বিল' দিয়াৰ প্ৰৱনতাটো কিয় হয় যে তেওঁলোকে জানে আগতে হয়টো আছিল। বিল' দি কামটো লৈ লয়। লোৱাৰ পাছত আকৌ কিবা-কিবি কৰি যিটো ডি পি আৰ টো আছে ডি পি আৰ টো ওৱকিং কৰি লৈ, আকৌ যিটো এচপাৰ ৰেটত লৈ লয়, এতিয়া আমাৰ চৰকাৰ অহাৰ পাছত, কথাটো সঁচা, মই যিটো দেখিলো সেই কথাটো কৈছো। আমি আমাৰ চৰকাৰ অহাৰ পাছতে আমি নিজে এটা লিখিত ভাৱে এটা অৰ্ডাৰ দিলো, যিসকলে বিল' দি কামটো লব, তেওঁলোকে যিটো পইচাটো থাকিব সেইটো আকৌ ওৱকিং হব আৰু এই কাৰণে আপোনাক জনাবলৈ মই খুব সুখী হৈছো যে যোৱা বছৰ প্ৰথম বছৰত ৬০০ কোটি, নেক্সট ইয়েৰ যিটো ৮০০ কোটি টকাৰ মেণ্টেনেঞ্চ আছিল, আপোনালোকেই পাচ কৰি দিলে। এই ১৪০০ কোটি টকাৰ ভিতৰত আজিৰ দিনত মই কব পাৰো যে গোটেই অসমত প্ৰায় ৭২-৭৫ কোটি টকা আমাৰ বাচি গ'ল। আৰু এই গোটেই খিনি আমাৰ বাচি যোৱা পইচাটো দি আমি এতিয়া নতুনকৈ কাম আৰম্ভ কৰি আছো। আমি প্ৰতিটো ডিভিজনৰ ফালৰ পৰা এনেকুৱা সন্দেহ থাকিব নালাগে যে ইয়াতে তেওঁলোকে কিবা-কিবি কৰি হয়তুবা পইচা মিচ ইউজ কৰিছে তেনেকুৱা নহয়। আৰু এই বাচি যোৱা পইচাৰ জৰিয়তে বহুতখিনি কাম বহু ঠাইত এতিয়া আৰম্ভ হৈছে। যোৱা দুবছৰে যিটো পইচা, আৰু মেনন্টেনেঞ্চৰ কথাটো আপুনি কৈছে হয় আমাৰ প্ৰেকটিকেলি ইমান ৰাস্তা আছে,

আপুনি গোটেইখিনি কথা আপোনাৰ জনা আছে। এৰাউণ্ড ৪৫০০০ কি.মি. ষ্টেট হাইওৱে ৰুৰেল ৰোড আছে, এতিয়া ৬০০ কোটি দি আমি মেইন্টেনেঞ্চ কেনেকৈ কৰো। নোৱাৰি গতিকে মই এই প্ৰব্লেমটো আকৌ আহিব। কেইদিন পিছত আৰু বেছিকৈ আহিব। কাৰণ আমি প্ৰায় ৭০০০ কি.মি. পি এম জি এচ ওৱাই পাইছো। এতিয়া ৭০০০ কি. মি. কমপ্লিট হোৱাৰ পিছত৫০,০০০ কি. মি.ৰ ওপৰত ৰাস্তা হৈ যাব। নেশ্যনেল হাইওৱে বাদ দি। তেতিয়া এই বিলাক মেইনটেইন কৰিব লাগিব। ৰাস্তাৰ ক্ষেত্ৰত কনটিনিউ প্ৰচেচ মেইনটেন কৰিবই লাগিব। আজি পইচাৰ প্ৰয়োজনীয়তা আছে। টকাৰ প্ৰয়োজনীয়তা আছে। সেই কথা আমি স্বীকাৰ কৰো আৰু আজি যিটো আপুনি জিৰ' আৱাৰত কথা কৈছে, এই জিৰ' আৱাৰটো এনেকুৱা যে হয়, এই বিষয়টো আমাৰ দৃষ্টিগোচৰ হৈছে। ইয়াত লিখিছে দৈনিক অগ্ৰদুত কাকতত, খবৰত তেওঁলোকে লিখিছে যে সোনোৱাল চৰকাৰে ৰাজ্যখনত যাতায়ত ব্যৱস্থা উন্নয়ণৰ বাবে অধিক গুৰুত্ব প্ৰদান কৰি আহিলেও গড়কাপ্তানি বিভাগৰ একাংশ দূনীতিগ্ৰস্থ অভিযন্ত্ৰা কৰ্মচাৰী আৰু সুবিধাবাদী ঠিকাদাৰৰ পৃষ্ঠ পোষকতাত সংঘটিত লুণ্ঠনত অধিকাংশ ৰাজ্যিক তথা কেন্দ্ৰীয় চৰকাৰৰ আঁচনি সম্পতি প্ৰহসনত পৰিণত হৈছে। প্ৰথম কথাবিলাক তেওঁলোকে এনেকুৱা ধৰণে দিছে, কিন্তু পিচত যিটো ৰাষ্টাৰ কথা কলে সেই ৰাষ্টাটো ২০১৫ চনত শেষেই হৈ গ'ল , আমাৰ চৰকাৰ তেতিয়া অহাই নাই । তেওঁলোকে আৰম্ভ কৰি শেষ কৰি ৰাষ্টাৰ পইচা উঠাই ল'লে । তাৰ পিছতে কমপ্লেইনটো আহিল । কমপ্লেইন অহাৰ পিছত তেওঁলোকে দিয়া ৰিপোৰ্ট মৰ্মে কোৱা হৈছে যে - সেই পথৰ পৰা আঠগাওঁ পথটো পি এম জি এছ ৱাই ৰ পেকেজ নং- এছ, ১৭/৩৯ৰ অধীনত যোৱা ৩১-০৩-২০১৫ চনত সংশ্লিষ্ট ঠিকাদাৰ জনে কাম সম্পূৰ্ণ কৰে । তেতিয়া আমাৰ চৰকাৰেই নাই । গোটেই পথটোৰ দৈৰ্ঘ্য তিনি কিলোমিটাৰ । ইয়াত লিখা আছে তিনি কিলোমিটাৰৰ পৰিৱৰ্তে দুই কিলোমিটাৰ কৰা হৈছে, মই কথাটো বুজি পোৱা নাই । ডিপাৰ্টমেণ্টে কৈছে তিনি কিলোমিটাৰ আৰু ৰিপোৰ্টত আছে দুই কিলোমিটাৰ। ৰাষ্টাটো কোনেও উঠাই লৈ যাব নোৱাৰে , কেনেকৈ দুই কিলোমিটাৰ আহিল ? আমি আকৌ চাম এইটো। সংশ্লিষ্ট ঠিকাদাৰজনে routin maintain কাম কৰা নাই । কাম কৰা নাই কথাটো সঁচা । এই সময়ৰ ভিতৰত অধীক্ষক অভিযন্তা, নগাওঁ পথ চক্ৰৰ উপস্থিতিত চৰকাৰী কাৰ্যবাহী অভিযন্তাৰ দ্বাৰা পথটো পৰিদৰ্শন কৰা হয় আৰু ইয়াৰ পিছতে বিভাগীয় ঠিকাদাৰজনক routin maintain কৰি কাম কৰিবলৈ আদেশ দিয়া হয় । কিন্তু ঠিকাদাৰজনে বৰ্তমানলৈকে কামটোৱে আৰম্ভ কৰা নাই । সাধাৰণতে এটা দায়িত্ব দিয়াৰ ৫ বছৰৰ ভিতৰত ৰুটীন মেনটেইন কৰি কাম কৰিব লাগে, ইয়াৰ বাবদ তেওঁলোকক পইচা দিয়া হয় । কিন্তু ইয়াত ঠিকাদাৰজনে এতিয়ালৈকে কামটোৰেই আৰম্ভ কৰা নাই। আচলতে ২০১৫ চনতে কামটো সম্পূৰ্ণ হ'ব লাগিছিল। The core Officer, Assam Trade Project Co-ordinating consultant ৰ দ্বাৰা এই বিষয়ত এটা অনুসন্ধান কৰা হৈছিল আৰু ইয়াৰ উপৰিও গড়কাপ্তানী বিভাগৰ আয়ুক্তৰ দ্বাৰা ২৭ চেপ্তে ম্বৰত ২০১৬ চনত RBPC. ৰ 83/2016 ৰ চিঠিৰ মৰ্মে মুখ্য অভিযন্তাক কামটোৰ অগ্ৰগতিৰ খটিয়ান লবলৈ তথা তদাৰক কৰিবৰ কাৰণে নিৰ্দেশ দিছিল আৰু ৰুটিন মেইনটেইন নকৰাৰ বাবদ Action Taken Report দিবলৈ কোৱা হৈছিল। কিন্তু অনুসন্ধানত কোনো ধৰণৰ বিসংগতি ধৰা নপৰাৰ বাবে কাৰ্যবাহী অভিযন্তাক কামৰ চুড়ান্ত বিলৰ সমুদায় টকা ৩০-০১-২০১৬ তাৰিখে আদায় দিয়ে। routin maintanance ৰ নামত কোনো ধৰণৰ খৰচ বৰ্তমানলৈকে কৰা হোৱা নাই আৰু ইয়াৰ বাবে এটা প্ৰাক-কলন প্ৰস্তুত কৰি থকা হৈছে। গতিকে ইয়াৰ দ্বাৰা দেখা যায় যে কামটো কৰোতে কোনো ধৰণৰ অনিয়ম হোৱা নাই অথবা পুঁজিৰ অপব্যৱহাৰ কৰা হোৱা নাছিল। maintanance হ'লে ৰাষ্টাটো ভালে

থাকিলহেঁতেন। routin maintanance যিহেতু তেওঁলোকে কৰা নাই, গতিকে পইছাটো আছে। যদি তেওঁ নকৰে বেলেগ ঠিকাদাৰৰ দ্বাৰা কামটো কৰাব পৰা যায় তাৰ ব্যৱস্থা কৰা হ'ব আৰু বাকী যি কথা বিলাক আপুনি কৈছে, সেইখিনিৰ ক্ষেত্ৰত আপোনাৰ লগতে আলোচনা কৰি তাৰ ব্যৱস্থা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী নিজানুৰ ৰহমান ডাঙৰীয়াক তেখেতৰ বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী নিজানুৰ ৰহমান ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ধুবুৰী জিলাৰ একমাত্ৰ Industry আছিল জুইশলা কাৰখানা। ১৯৯৭ চনতে এইটো বন্ধ হৈ গৈছে। এইটো পুনৰুজ্জীৱিত কৰাৰ ব্যৱস্থা কৰিব নেকি ? কাৰণ এই কাৰখানাটোৰ লগত বহুতো মানুহ জড়িত হৈ আছিল আৰু এতিয়া তেওঁলোক নিবনুৱা হৈ আছে। এই জুইশলা কাৰখানাটো যদি নতুন উদ্যোগীকৰণ নীতিৰ অন্তৰ্ভুক্ত কৰি পুনৰউজ্জীৱিত কৰা যায় তেতিয়া আমাৰ এই পিচ পৰা অঞ্চলটোৰ উন্নতি হ'ব। এই কথাখিনি মই বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু আগন্তুক দিনত যাতে এইক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱা হয় তাৰ আশা ৰাখিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য নিজানুৰ ৰহমান ডাঙৰীয়াই শূণ্যকালীন ঘণ্টাত ধুবুৰীৰ জুইশলা কাৰখানাটোৰ বিষয়ে যিটো কথা উত্থাপন কৰিছে, ব্যক্তিগত ভাবে এই কথাটোত ময়ো একমত। উইংকো যিটো কোম্পানী আছিল গৰুগাড়ীৰ ছবি থকা matchbox, সেইটো ভাৰত বিখ্যাত আছিল। কিন্তু যি কাৰণতেই নহওঁক কিয় এইটো বৰ্তমান বন্ধ হৈ আছে। এইটোৱেই একমাত্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জুইশলা কাৰখানা আছিল আৰু আমি সৰুৰ পৰাই এই গৰু-গাড়ীৰ ছবি থকা জুইশলাটো দেখিছিলো। যি কাৰণেই নহওঁক এতিয়া এই জুইশলাৰ কাৰখানাৰ উৎপাদন বন্ধ হৈছে, বন্ধ হোৱাৰ কাৰণে অৱশ্যে কোনো চৰকাৰকেই দোষাৰোপ বা সমালোচনা নকৰো। কিন্তু মই ক'ব খোজো যে বিগত চৰকাৰৰ দিনত আচলতে এই বিষয়টোৰ ওপৰত গুৰুত্ব দিয়া নহ'ল আৰু গুৰুত্ব নিদিয়াৰ কাৰণে ইমান ডাঙৰ এটা উদ্যোগ এনেয়ে অব্যৱহৃত হৈ পৰি থাকিল। এতিয়া আমি উইংকোৰ ধুবুৰীৰ যিখিনি মাটি আছে , সেই মাটিখিনি আমি ITC ক হেণ্ডঅভাৰ কৰিছো। বৰ্তমান ITC এ তাত নতুন নতুন প্ৰকল্প স্থাপন কৰাৰ সিদ্ধান্ত লৈছে। মই আই টি চি কোম্পানীৰ বিষয় ববীয়াৰ লগত ব্যক্তিগত ভাবেও কথা পাতিছো আৰু তেওঁলোকক এইটো কোৱা হৈছে যে - আপোনালোকে ইয়াত যি কাৰখানাই নকৰক কিয়, কিন্তু এই জুইশলাৰ উদ্যোগটো হ'বই লাগিব। ITC ৰ লগত এই বিষয়টো লৈ মই এতিয়ালৈকে তিনিবাৰ কথা পাতিছো, তেওঁলোকে কৈছে যে এইবিষয়ে আমি study কৰি আছো। তেতিয়া মই ITC ক কৈছিলো যে original brand ত যি গৰুগাড়ীৰ ছবি আছিল জুইশলাৰ box টোত সেই ছবিটোৱেই থাকিব লাগে কাৰণ তেতিয়া আমাৰ অসমৰ original heritage টো ৰক্ষা হ'ব। মুঠতে আমি ITC ক পুৰণি জুইশলা বনোৱা কোম্পানীটো take-over কৰি নতুনকৈ production ৰ কাম আৰম্ভ কৰাৰ কথা কৈছো আৰু তেওঁলোকেও বিষয়টো study কৰি আমাৰ লগত বিষয়টো সম্পৰ্কত আলোচনা কৰিব বুলি আশ্বাস প্ৰদান কৰে। ITC কোম্পানীৰ study report ত যি result ওলায়, সেইটো মই পাছত সদনক জনাব পাৰিম। বৰ্তমান status তমই মাত্ৰ এইখিনিকে জনাব পাৰো যে মাটিখিনি ITC ক হেণ্ডঅভাৰ কৰা হৈছে আৰু ITC এ ইয়াত কেৱল জুইশলাৰ কাৰখানায়ে নহয় আন্যান্য উদ্যোগো স্থাপন কৰিব। বৰ্তমান অৱস্থাত এই কথাখিনিহে মই সদনক

অবগত কৰিব পাৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই মাননীয় সদস্য মামুদ ইমদাদুল হক চৌধুৰীক তেখেতৰ বিষয়টো সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী মামুদ ইমদাদুল হক চৌধুৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, " ডেৰ দশক ধৰি 'চৰ' ত জৰীপ হোৱা নাই , চৰ অঞ্চলৰ উন্নয়ণ সম্ভৱ নে? এই বিষয়টো চাৰ শূণ্যকালীন ঘণ্টাত উত্থাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। চাৰ, ২০০২-০৩ চনতে অসমৰ চৰাঞ্চলত জৰীপ ক ৰা হৈছিল। ১৫ বছৰ পাৰ হৈ গল, এতিয়ালৈকে জৰীপৰ কাম পুনৰাই আৰম্ভ কৰা হোৱা নাই। ২০০২-০৩ চনৰ যিটো জৰীপ আছিল, সেই জৰীপ মতে বৰাক, ব্ৰহ্মপুত্ৰ মিলাই গোটেই অসমৰ ১৫ খন জিলাত বিশেষকৈ নগাও, মৰিগাওঁ, শোনিতপুৰ, দৰং, কামৰূপ, নলবাৰী, বৰপেটা, গোৱালপাৰা, বঙ্গাইগাওঁ, ধুবুৰী, যোৰহাট, লক্ষীমপুৰ, ধেমাজী আৰু তিনচুকীয়াকে ধৰি ৰেকৰ্ড মতে সৰ্বমুঠ ২২,১৫০ টা চৰ আছে। এই ৰেকৰ্ডটো আজিৰ তাৰিখত শুদ্ধ নহবও পাৰে চাৰ, কিয়নো 'চৰ' যিহেতু নদীৰ মাজত থাকে আৰু চৰৰ চৰিত্ৰ হল প্ৰতি দুই বছৰ বা তিনি বছৰৰ পিচত আকৌ divert হৈ বেলেগ চৰৰ সৃষ্টি হোনা দেখা যায়। গতিকে চাৰ, নতুনকৈ আকৌ জৰীপৰ ব্যৱস্থা কৰিলে ভাল হয়, যাতে আমি প্ৰকৃত fact and figure টো গম পাব পাৰো। চাৰ, চৰাঞ্চলত বৰ্তমান যিটো অৱস্থা হৈ আছে, তাৰ ভিতৰত মই মাত্ৰ শিক্ষাৰ কথাটোহে কৈছো যে অসমৰ সামগ্ৰীক যিটো ব্যৱস্থা তাৰ তুলনাত 'চৰ' অঞ্চলৰ শিক্ষা ব্যৱস্থা খুবেই দুখজনক। যিহেতু মই এজন বিধায়ক, দলৰ সাংগঠনিক কামত প্ৰায় ১২/১৩ বছৰ ধৰি গোৱালপাৰা, বৰপেটা, ধুবুৰীত ঘূৰি ঘূৰি যিটো দেখিছো, 'চৰ' অঞ্চলৰ জীৱন-জীবিকা, সামাজিক ব্যৱস্থা খুবেই হৃদয় বিদাৰক। Details ত মই নাযাওঁ , মাত্ৰ শিক্ষাৰ ক্ষেত্ৰত এটা figure দিব বিচাৰিছো যে - ২২,১৫০ টা 'চৰ' আছে আৰু এই 'চৰ' বিলাকৰ শিক্ষাৰ হাৰটো হ'ল মাত্ৰ ১৯.৩১·শতাংশ চাৰ, গতিকে চাওঁক কিমান কৰুণ তাৰ শিক্ষা ব্যৱস্থাটো। নগাঁওত চাৰ, মুঠ 'চৰ' আছে ৪৩ খন আৰু ইয়াৰ শিক্ষাৰ হাৰ হ'ল ১৭.৫৯ শতাংশ, মৰিগাওঁত আছে মুঠ ৩৯ খন 'চৰ' আছে। কিন্তু ইয়াত literate বা educate মানুহ থকা বুলি কলে ভুল ক ৰা হ'ব, কাৰণ তাত শিক্ষিতৰ হাৰটো হ'ল মাত্ৰ ১৮.৫০ শতাংশ, শোণিতপুৰত মুঠ ১৪৫ খন চৰ আছে আৰু তাত শিক্ষিতৰ হাৰটো হ'ল ১৯.৯৩ শতাংশ, তেনেদৰে দৰং জিলাত মুঠ'চৰ' আছে ১৩৪ খন, তাৰে মাত্ৰ ১২.০৩ শতাংশ মানুহহে literate বা শিক্ষিত। বৰপেটাত ২৭৭খন 'চৰ'আছে, তাৰ ভিতৰত মাত্ৰ ১৭.৫০ শতাংশ মানুহ শিক্ষিত। কামৰূপত মুঠ 'চৰ' আছে ১৭৫ খন, তাৰ literary percentage টো হ'ল মাত্ৰ১৫.১৬ আৰু নলবাৰীত আছে ৩২ খন 'চৰ', তাৰে ভিতৰত মাত্ৰ ১৬.২৮ শতাংশ মানুহহে শিক্ষিত । বঙ্গাইগাওঁত ১১৭খন চৰ আছে, তাৰে ভিতৰত শিক্ষিতৰ হাৰটো হ'ল ১৪.২৬ শতাংশ। গোৱালপাৰাত ১৭৯ খন চৰ আছে, তাৰ ভিতৰত মাত্ৰ ১৩.৬৫ শতাংশ মানুহহে শিক্ষিত । গোটেই অসমৰ ভিতৰত আটাইতকৈ বেছি 'চৰ' আছে ধুবুৰীত। ইয়াত ৪৮০ খন 'চৰ' আছে, তাৰ ভিতৰত মাত্ৰ ১৪.৬০ শতাংশ মানুহহে শিক্ষিত । ধেমাজীত ১৪৯ খন 'চৰ' আছে, তাৰ ১৫.৬৯ শতাংশ মানুহহ শিক্ষিত। বৰপেটাত ২৭৭ চৰ আছে তাৰ ভিতৰত অনলী- ১৭.৬৩পাৰচেন্ট লিটাৰেট আৰু কামৰূপত ১৭৫ টা চৰ আছে তাৰ ভিতৰত ১৫.১৬ পাৰ্চেন্ট লিটাৰেট, নলবাৰীত ৩২ খন চৰ আছে -তাত ১৬.২৪ পাৰ্চেন্ট লিটাৰেট, বঙাইগাঁওত ১১৭ খন চৰ আছে তাৰে ১৪.৬২ পাৰ্চেন্টহে শিক্ষিত। গোৱালপাৰাত ১৭৯ টা চৰ আছে তাৰ ভিতৰত ১৩.৬৫ পাৰ্চেন্টহে শিক্ষিত। আৰু ছাৰ গোটেই অসমতে হাইয়েষ্ট চৰ অঞ্চল থকা জিলা খন হ'ল ধুবুৰী জিলা । ধুবুৰীত ৪৮০ খন চৰ আছে। তাত শিক্ষিতৰ হাৰ অনলী-১৪.৬০ চাৰ। ধেমাজীত ১৪৯ টা চৰ আছে তাৰে

১৫.৬৯ পাৰ্চেন্ট লিটাৰেট । মই নিজে লক্ষিমপুৰৰ মানুহ লক্ষিমপুৰত ১০৯ চৰ আছে, তাৰে ১৮.৫০ পাৰ্চেন্ট লিটাৰেট তিনিচুকীয়াত ৭৯ টা চৰ আছে তাত অনলী ১৪ পাৰ্চেন্ট লিটাৰেট, যোৰহাটত ২৯৩ টা চৰ আছে তাৰ ভিতৰত ৬০.৫৫ লিটাৰেট। যিবিলাক চৰ আছে পিছপৰা তাৰ ভিতৰত অকল যোৰহাটতে অলপ বেছি - ৬০ পাৰ্চেন্ট লিটাৰেট চাৰ । বাকী সকলো চাৰ আপোনালোকে দেখিছে শতকৰা হাৰ ১৩-১৪-১৫ -১৬ শতাংশ ইত্যাদি এনেধৰনৰ । আমাৰ চৰ অঞ্চলৰ শিক্ষাৰ এতিয়াও এনেকুৱা অৱস্থা চাৰ। গতিকে চৰ অঞ্চলৰ যিটো শিক্ষা ব্যৱস্থা এই শিক্ষা ব্যৱস্থাটো উন্নত কৰাৰ বাবে যাতে চৰকাৰে ব্যৱস্থা লয় তাৰ কাৰণে মই চাৰ আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো। চৰ অঞ্চলৰ ডেভল'পমেন্টৰ কাৰনে চাৰ এটা উন্নয়ন বোৰ্ড আছে। মই নিজে চাৰ লক্ষিমপুৰৰ মানুহ, লক্ষিমপুৰত ১০৯ টা চৰ আছে কিন্তু আজিলৈকে মই চাইনবোৰ্ড এখনো দেখা নাই । লক্ষিমপুৰৰ হেড কোৰ্টাৰৰ কোনোবা অফিচত চৰ অঞ্চলৰ উন্নয়নৰ কাৰনে কিবা আছে। এইটো চাৰ আজিলৈকে দেখা নাই। এইটো একেবাৰে ভুৱা চাৰ। চৰ অঞ্চলৰ ডেফল'পমেন্টৰ নামত গোটেই লুট-পাট চলে। ডিটেইলচ ডাটা- ৰেকৰ্ড মোৰ হাতত আছে। এতিয়া জিৰো আৱাৰ , সময় খুৱ কম, মই ইমান ডিটেইলচত নাযাওঁ, গতিকে চাৰ জাষ্ট মই এডুকেচনৰ ডাটাটো দিলো পবিত্ৰ সদনত। গতিকে আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো যে এই চৰ অঞ্চল উন্নয়নৰ যিটো বিভাগ, এই বিভাগটো যাতে কাৰ্য্যক্ষম হয় ভালকৈ যাতে মানুহখিনি ডেভল'পমেন্টৰ কাৰনে, জীৱন ধাৰনৰ মানদণ্ড উন্নত কৰাৰ কাৰণে প্ৰয়াস কৰে এই অনুৰোধটো জনাই চাৰ মোৰ বক্তব্য শেষ কৰিলো। ধন্যবাদ

**মাননীয় উপাধ্যক্ষ মহোদয় ঃ** মাননীয় পাৰ্লিয়ামেন্টৰী এফেয়াৰচ মিনিষ্টাৰ........।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো বিষয় সদনত উথাপন কৰিছে এই বিষয়টোত মই ভাল পাইছো। ভাল এই কাৰনে পাইছো আমাৰ চৰ অঞ্চলত শিক্ষাৰ প্ৰসাৰটো বাঢ়িব লাগে। সেইটো কথাত আমাৰ চৰকাৰ একমত। উপাধ্যক্ষ ডাঙৰীয়া ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়া সদনত , সদনৰ বাহিৰতো এই চৰ অঞ্চলৰ শিক্ষা ব্যৱস্থাটো যে উন্নত হ'ব লাগে এই সম্পৰ্কত তেখেতসকলে বক্তব্য দাঙি ধৰিছে। লগতে চৰ অঞ্চলত কিমান কেইখন মহিলা কলেজ নিৰ্মান কৰা হ'ব এই কথাটোও চৰকাৰৰ তৰফৰ পৰা ইতিমধ্যে কোৱা হৈছে। স্বাধীনতাৰ পিচত সম্ভৱত এইটো কোনো এখন চৰকাৰৰ ফাৰ্ষ্ট ষ্টেপ যে এইখন চৰকাৰে চৰ অঞ্চলৰ উন্নয়নৰ বাবে আৰু মহিলা সকলক আধুনিক শিক্ষাৰে উচচ শিক্ষিত কৰাৰ বাবে কলেজ স্থাপন কৰাৰ পদক্ষেপ লৈছে তথা চৰ অঞ্চলৰ উন্নয়নৰ লগতে শিক্ষা ব্যৱস্থাৰ প্ৰসাৰ কৰাৰ বাবে এনেকুৱাধৰনৰ এটা অভিলাষি আঁচনি গ্ৰহণ কৰিছে। উপাধ্যক্ষ মহোদয়, ইয়াৰ লগতে এটা আনুসংগিক কথা কওঁ যে এই উন্নয়নৰ কাম কৰিবলৈ যাওঁতে অকল চৰকাৰে যে কামখিনি কৰিব এইটো নহয়। চৰকাৰে পুঁজি দিব, কলেজ বনাই দিব, চৰকাৰে সকলোখিনি ফেচিলিটি উপলব্ধ কৰিব, আন্তঃ গাথঁনি কৰি দিব কিন্তু যিসকল আমাৰ চৰ অঞ্চলক ৰিপ্ৰেজেন্ট কৰা মাননীয় সদস্য বা চৰ অঞ্চল থকা জিলাক ৰিপ্ৰেজেন্ট কৰাসকল আমাৰ সকলোৰে এটা কৰ্ত্তব্য থাকে যে আমি সকলোৱে একেলগে এই ক্ষেত্ৰত ইতিবাচক মনোভাৱেৰে কাম কৰিব লাগিব। যিটো আজি সদনত উদ্বেগ প্ৰকাশ কৰা হৈছে যে, ১২ পাৰ্চেন্ট, ১৩ পাৰ্চেন্ট- ১৫ পাৰ্চেন্ট শিক্ষিতৰ হাৰ হৈছে , কিন্তু এই হাৰটো আপলিফট কৰাৰ বাবে সকলোৰে এটা যৌথ প্ৰচেষ্টা লাগিব। এই যৌথ প্ৰচেষ্টা যদি থাকে, তেতিয়া হ'লে ভাল হ'ব। কাৰন কিয় চাছাৰ কমিচন যেতিয়া আহিছিল অসমলৈ অসমৰ মাইনোৰিটিৰ ডেভল'পমেন্ট চাবলৈ তেতিয়া অপজিচনত আমি আছিলো

। চাছাৰ কমিছনত তেতিয়া মইও ৰিপ্ৰেজেন্টটেচন দিছিলো । আমাৰ পাৰ্টীৰ পৰা কি কৰিলে ভাল হ'ব বুলি আমাক সোধাত তেতিয়া এটা কথাই আমি কৈছিলো যে আন্ত গাৰ্থনি উন্নত কৰি দিব লাগে। আৰু শিক্ষাৰ ব্যৱস্থাটো প্ৰসাৰ কৰিব লাগে। লগতে স্বাস্থ্য সচেতনতা সেই অঞ্চলত অনাৰ ব্যৱস্থা কৰিব লাগে। চাছাৰ কমিচনৰ লগত আমি খুব দীঘলীয়াকৈ আলোচনা হৈছিল আৰু তেওঁলোকে আমাৰ চাজেচনত সন্তোষ প্ৰকাশ কৰিছিল। গতিকে আজি যিকেইটা পইন্ট উত্থাপন কৰিছে, সেইকেইটা পইন্ট আমিও তেতিয়া চাছাৰ কমিছনত উত্থাপন কৰিছিলো। মই নিজে আমাৰ পাৰ্টিক ৰিপ্ৰেজেন্ট কৰিছিলো। গতিকে এই কথাখিনিৰ বিষয়ে আমাৰ চৰকাৰে আজিৰ দিনটোত ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু আমাৰ মাননীয় সদস্যসকলেও নিজৰ নিজৰ অঞ্চলত চৰ অঞ্চলৰ উন্নয়নৰ কাম কৰাত চৰকাৰৰ লগত যৌথভাৱে কাম কৰিব লাগিব, চৰকাৰক সহায় সহযোগ কৰিব লাগিব। যদি প্ৰয়োজনীয় সহায় সহযোগিতা পোৱা যায় তেতিয়াহ'লে মই ভাবো যে চৰ অঞ্চলত শিক্ষাৰ প্ৰসাৰ বৃদ্ধি হ'ব। শিক্ষাৰ প্ৰসাৰ বৃদ্ধি হ'লে চৰ অঞ্চলত সামাজিক চিন্তা-চৰ্চাৰ বহু পৰিমানে পৰিৱৰ্ত্তন হ'ব। গতিকে এনে ক্ষেত্ৰত আমাৰ চৰকাৰে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত আমাৰ শিক্ষা বিভাগে কিমান সংখ্যক চৰকাৰী কলেজ কৰিব, কিমান সংখ্যক চৰকাৰী মহিলা কলেজ কৰিব, এনেধৰণৰ আঁচনি আগৰ কোনো চৰকাৰে গ্ৰহণ কৰা নাছিল। আমাৰ চৰকাৰে গ্ৰহণ কৰিছে আৰু এই ক্ষেত্ৰত আমাৰ চৰকাৰ একমত যে চৰ অঞ্চলত শিক্ষাৰ প্ৰসাৰ হ'ব লাগিব, আন্তঃ গাথনিটো উন্নয়ণ কৰিব লাগিব। এম এচ ডি পি ৰ জৰিয়তে আন্ত গাছনি এই চৰ অঞ্চলবিলাকত উপাধ্যক্ষ মহোদয় হৈছে । এম এচ ডি পিৰ বহু টকা আহিছে কিন্তু প্ৰশ্নটো হৈছে যে এম এচ ডি পিৰ পুজিটো একচুৱেলি সদ্ব্যৱহাৰ কৰিব পৰা নাই। সদ ব্যৱহাৰ কৰিব পাৰিলে আন্তঃ গাথনিটো আৰু উন্নত হ'ব। এই আন্ত গাথনিটো যেতিয়া ভাল হ'ব, আমাৰ চৰ অঞ্চলটো উন্নত হ'ব। মোৰো অভিজ্ঞতা আছে চৰ অঞ্চলত যোৱাৰ, অসমৰ বহু চৰ অঞ্চলত মই গৈছো। এই চৰ অঞ্চলসমূহত যেনেকৈ মানুহে বসবাস কৰি আছে প্ৰকৃততে বহু কঠিন। কাৰণ প্ৰত্যেক বাৰে বানপানী হয়, যিটো ৰাস্তা থাকে তাত, প্ৰতিবাৰে বানপানীত নিচিহ্ন হয়। আজি যিখন স্কুল - কলেজ আছে, বানপানীৰ পিছত দেখিব তাত একো চিন চাব নাই। গতিকে এনে এটা কঠিন পৰিস্থিতিত মানুহে তাত বাস কৰিব লগা হয়। তাত বেছিভাগ কৃষি জীৱি মানুহ , কৃষিৰ ওপৰত তেখেতসকল নিৰ্ভৰশীল। গতিকে শিক্ষাৰ প্ৰসাৰতাৰ বাবে ব্যৱস্থা কৰিলে এই কৃষিজীবি মানুহখিনি তেওলোকৰ লৰা ছোৱালীখিনি স্কুলত পঠিয়াব। এই কৃষিজীৱি মানুহখিনিয়ে নিজৰ লৰা ছোৱালীক কৃষি কামত বা মানুহৰ প্ৰয়োজন বা সেৱাৰ বাবে ব্যৱহাৰ কৰে। তেওঁলোকৰ লৰা ছোৱালীখিনি শিক্ষা সম্পূৰ্ন নোহোৱাকৈয়ে কৃষি কৰ্মত লাগি যায়। নহ'লে তেওঁলোকে অন্য ঠাইত শ্ৰমিকৰ কাম কৰিবলৈ গুচি যায়। কাৰন তেওলোকৰ আৰ্থিক অৱস্থাটো এতিয়াও উন্নত হোৱা নাই। কোৱাটো উচিত নহয় কিন্তু তথাপিও কৈছো স্বাধীনতাৰ পিচত এই চৰ অঞ্চলবিলাকত এটা মাতব্বৰিতা হৈছে । তাত এটা মাতব্বৰ থাকে। সেইজন চাৰিওফালৰ পৰা ধনী মানুহ। সকলো ফালৰ পৰা হি ইচ দা প্ৰিভিলেইজ পাৰ্চন। এই প্ৰিভিলেইজ পাৰ্চন জনেই ধনী, তেওঁয়ে তাত সকলোখিনি চলায়। বাকী মানুহখিনিক তেওঁৰ আণ্ডাৰত ৰাখিছে। এই ক্ষেত্ৰত মই কোনো পাৰ্টিক দোষাৰোপ কৰিবলৈ নাযাওঁ। স্বধীনতাৰ পিছৰ পৰা চৰ বিলাকত এটা মাতব্বৰ আছে। privilege person in the char area. এই চৰ অঞ্চলত যিজন privilege person অৰ্থাৎ ধনী তেওঁই চৰ। আৰু বাকী মানুহ বিলাক তেওঁৰ under ত থাকিব লাগে। গতিকে তেওঁয়ে ভোট বেংকৰ লিডাৰ। গতিকে বাকী মানুহে লেবাৰ কাম কৰে, পঢ়ে নপঢ়ে, এইবিলাক কথা নাই। এইটো এটা ভোট বেংকৰ ৰাজনীতি কৰা হয়। গতিকে ইয়াত এটা liberal approach ইয়াত লোৱা নহয়। lib-

eral approach তো নোলোৱাৰ কাৰণে কি হ'ল, চৰ অঞ্চলৰ মানুহখিনি ভোট বেঙ্ক হিচাপে চিহ্নীত হয়। গতিকে এই ভোট বেংকৰ যিটো ৰাজনীতি ইয়াৰ কাৰণে আচলতে চৰ অঞ্চল বহু পৰিমাণে পিছ পৰি থাকে। গতিকে উপাধ্যক্ষ মহোদয়, মই এইখিনি কথা এইকাৰণে কৈছো যে এই অঞ্চলবিলাকৰ উন্নয়ত আমাৰ এক মত। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া এইটো ক্ষেত্ৰত একেবাৰে স্পষ্ট আৰু যিটো approach টো pro-active এইটো ক্ষেত্ৰত । গতিকে আমি postively এই দিশত চিন্তা চৰ্চা কৰিছো । গতিকে উপাধ্যক্ষ মহোদয়, আমি এই বিষয়টোৰ ওপৰত এটা বক্তব্য দাঙি ধৰিব বিচাৰিছো -

অসম চৰকাৰৰ সংখ্যালঘু উন্নয়ন বিভাগৰ অধিনষ্ট চৰ অঞ্চলৰ সঞ্চালকালয়ৰ ৫ টা প্ৰকল্প বিষয়াৰ কাৰ্য্যলয়ৰ জৰিয়তে উন্নয়নৰ কাম কৰা হয়। এই ৫ টা প্ৰকল্প কাৰ্যালয়ে সামৰি নোলোৱা চৰ সমূহৰ উন্নয়ৰ কাম-কাজ সমূহ খণ্ড উন্নয়ন বিষয়াৰ জৰিয়তে সম্পাদন কৰা হয়। চৰ অঞ্চল সঞ্চালকালয়ৰ জিলা সমূহত কোনো ধৰণৰ চৰ উন্নয়ন বৰ্ড নাই। Under Directorate of Char, There is no board.

মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰটো দিয়াত অলপ খাপ-চৰা হৈছে, কাৰণ zero hour টোৰ অলপ আগতহে notice খন পোৱা গৈছে। গতিকে মাননীয় সদস্যসকলক অনুৰোধ কৰো যে যেতিয়া এটা বিভাগত এটা zero hour দিয়া হয়, তেতিয়া সময় মতে অধ্যক্ষক দিয়াৰ লগে লগে বিভাগক পঠোৱাত সুবিধা হয়। আজি এইটো বিভাগত পঠোৱাৰ লগে লগে যিমান পাৰি সোনকালে বস্তুটো বনাই দিছে। তেনেকুৱাত অসুবিধা হয় । গতিকে সময় মতে দিলে ভাল হয়, এইটোয়ে আপোনাক অনুৰোধ কৰিলো উপাধ্যক্ষ মহোদয়।

চৰ অঞ্চল under Directorate of char development, there is no board in district. এইটো clear কৰি দিলো। চৰ অঞ্চলৰ সামগ্ৰী সমূহ বিতৰণৰ বাবে হিতাধীকাৰী নিৰ্বাচনীৰ বাবে অসম চৰকাৰৰ minority development বিভাগৰ notification ৰ দ্বাৰা জিলা উপায়ুক্ত আৰু স্থানীয় বিধায়ৰ উপৰিও স্থানীয় প্ৰতিনিধিক লৈ গঠন কৰা বাচনি কমিটিৰ মানে selection committe ৰ জৰিয়তে সামগ্ৰী বিতৰণ কৰা হয়।

চৰ অঞ্চল জৰীপ (আপোনাৰ কথাটো এক মত) যে যোৱা ২০০২ - ০৩ চনতেই কৰা হৈছিল। তাৰ পিছত জৰীপ হোৱা নাই। গতিকে কিমান টা চৰ অঞ্চল নাইকিয়া হ'ল, কিমানটা নতুন চৰ হ'ল। এইটো ২০০৩ ৰ পৰা ২০১৮ লৈকে ঠিক কৰা হোৱা নাই। এইটো আমি স্বীকাৰ কৰো। সেইকাৰণে এই বাৰ চৰকাৰে ২০১৭ - ১৮ বৰ্ষত ব্যৱস্থা গ্ৰহণ কৰিবলৈ লৈছো। ইয়াৰ বাবে প্ৰথম কিস্তি চৰ অঞ্চল পুনৰ জৰিপ কৰাৰ কাৰণে আমি এইবাৰ ব্যৱস্থা গ্ৰহণ কৰিছো। এই চৰ অঞ্চলৰ প্ৰথম পৰ্য্যায়ৰ জৰিপৰ কাৰণে ২২.২৫ লাখ টকা মোকলায় দিয়াৰ বাবে বিত্ত বিভাগৰ অনুমোদনৰ প্ৰস্তাৱ আমি দাখিল কৰিছো। আৰু বিত্ত বিভাগৰ অনুমোদন পোৱাৰ পিছতে এই জৰিপতো আমি আৰম্ভ কৰিম। এই জৰিপৰ বাবে চৰকাৰে Omeo Kumar Das Instistute of Social Changes এইটো অসমৰ এটা best Institution । গতিকে তেওঁলোক ২০১৮ -১৯ বিত্তীয় বৰ্ষৰ জৰীপৰ কামৰ বাবে ৫০ লাখ টকাৰ প্ৰস্তাৱ ৰখা হৈছে। শিক্ষাৰ কথাটো মই ইতিমধ্যে কলো, শিক্ষাৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰথম দিনাই স্পষ্টভাৱে তেওঁৰ বক্তব্যত কৈছে যে চবকা সাথ, চবকা বিকাশ। আমি তাৰ পৰা আতৰি অহা নাই, এইখিনি আমি ব্যৱস্থা লৈছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় পাটোৱাৰী ডাঙৰীয়া আপুনি যোৱা কালি আমিনুল ইছলাম

ডাঙৰীয়াৰ শুণ্যকালীন ঘণ্টাত এটা প্ৰশ্ন কৰিছিল । মই আপোনাক অনুৰোধ কৰিছো যে অলপ চমুকৈ উত্তৰটো দিলে ভাল হয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইং **৭** ফেব্ৰুৱাৰী, **২০১৮** তাৰিখে 'দৈনিক বৰ্তা' বাতৰি কাকতত প্ৰকাশিত 'আসোৱাহ সমিতিৰ বাহানাৰে শিক্ষকক বিধি বহিৰ্ভুত দৰমহা দিয়াৰ ষড়যন্তত চৰকাৰ, ন্যায়লয়ক অৱমাননাৰে শিক্ষক আৰু শিক্ষকৰ লগত জেদ কৰিছে ৰাজ্য চৰকাৰে' শীৰ্ষক বাতৰি সম্পৰ্কত মাননীয় আমিনুল ইছলাম দেৱে উত্থাপন কৰা **০৯-০২-২০১৮** তাৰিখৰ অধিবেশনত শুণ্যকালীণ ঘণ্টান উত্থাপন কৰা প্ৰস্তাৱ সন্দৰ্ভত এটি চমুটোকা আমি আগবঢ়াইছো।

সপ্তম দৰমহা আয়োগৰ স্নাতক শিক্ষকৰ বাবে গ্ৰেড পে **৮৭০০** টকা। আৰু নিম্ন স্নাতক শিক্ষকৰ বাবে প্ৰাথমিক আৰু মজলীয়া বিদ্যালয় **৬২০০** টকা গ্ৰেড পে ধাৰ্য্য কৰা হৈছিল। পিছত চৰকাৰৰ দৃষ্টি গোচৰ হৈছিল যে বহুত শিক্ষকে যদিও তেওঁলোকৰ শিক্ষাগত অৰ্হতা স্নাতক, কিন্তু নিম্ন স্নাতক পদত কাৰ্য্য নিৰ্বাহ কৰি আছে। তেনে শিক্ষক সকলেও গ্ৰেড পে **৮৭০০** টকা উপভোগ কৰি আছিল। উক্ত বিষয়টো বিত্ত বিভাগৰ দৃষ্টিগোচৰ হোৱাত, বিত্ত বিভাগে কোষাগাৰ সমূহলৈ তাৰবাৰ্তা যোগে প্ৰেৰণ কৰি তেনে শিক্ষক সকলৰ গ্ৰেড পে **৮৭০০** টকা বন্ধ কৰি দিবলৈ নিৰ্দেশ জাৰি কৰিছিল। ইয়াৰ পিছত মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত অসমৰ ৰাজ্যিক শিক্ষক সন্মিলনীৰ প্ৰতিনিধি, বিত্ত বিভাগ আৰু শিক্ষক বিভাগৰ বিষয়া সকলৰ লগত **২৭-১০-২০১৭** ইং তাৰিখে হোৱা আলোচনাত মৰ্মে, উক্ত শিক্ষক সকলৰ **৬৮০০** টকা গ্ৰেড পে দিবৰ বাবে কোষাগাৰৰ বিষয়া সকলক যাবতীয় ব্যৱস্থা লবলৈ তাৰবাৰ্তা প্ৰেৰণ কৰা হৈছিল। শিক্ষক সন্মিলনে মহামান্য উচ্চ ন্যায়ালয়ত চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে আবেদন দাখিল কৰে। মহামান্য আদলতত বিত্ত বিভাগে **৬৮০০** টকা গ্ৰেড পে লবলৈ জাৰি কৰা তাঁৰবাৰ্তা খাৰিছ কৰে। আৰু চৰকাৰক দৰমহা আসোৱাহ (anomalise committee) সমিতিৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ৰ উক্ত নিৰ্দেশ পোৱাৰ পিছত বিত্ত বিভাগেই মহামান্য উচ্চ ন্যায়ালয়ক আপিল আৱেদন কৰে। আৰু সেই আপিল আবেদন মহামান্য আদলতৰ পৰা উক্ত বিষয়ত আজি পৰ্য্যান্ত কোনো নিৰ্দেশ পোৱা হোৱা নাই। সম্প্ৰতি দৰমহা আঁসোৱাহ কমিতিয়ে চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিছে। উক্ত প্ৰতিবেদন বৰ্তমান বিত্ত বিভাগত পৰীক্ষা কৰি থকা হৈছে। অতি সোনকালে কেবিনেটৰ অনুমোদন সাপেক্ষে প্ৰতিবেদন চুডান্ত কৰি প্ৰকাশ কৰা হ'ব। বাতৰিত প্ৰকাশ কৰা মতে বৰপেটা আৰু গোৱালপাৰা জিলাৰ কোষাগাৰ বিষয়াই শিক্ষকৰ দৰমহা সন্দৰ্ভত হাৰাশাস্তি খোৱা বিষয়ত উক্ত জিলা দুখনৰ উপায়ুক্তক ইতিমধ্যে পৰীক্ষা কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং **২** । মাননীয় সদস্য জাকিৰ হুছেইন ডাঙৰীয়া অনুপস্থিত। So it is drop। এতিয়া কাৰ্য্যসূচী নং **৩** । অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম **৩০১**, special mention ৰ অধীনত মাননীয় সদস্য শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী আৰু তেৰছ গোৱালৰ নামত দুখন জাননী বাচনি কৰা হৈছে। কথা হ'ল সময় হাতত কম আছে, **১১.৩০** প্ৰথম পৰ্য্যায় শেষ হ'ব। তাৰ পিছত ৰাজ্যপাল মহোদয় ডাঙৰীয়াৰ ভাষণৰ বিতৰ্ক চলিব। বহু মাননীয় সদস্যই বিচাৰিছে,বক্তব্য আগবঢ়োৱাৰ কাৰণে । এতিয়া মই অনুৰোধ কৰিম আপোনালোক চমুকৈ কলে ভাল হয়। মই প্ৰথমতে মাননীয় সদস্য শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰীক, তেখেতৰ ভাষণটো ৰাখিবলৈ অনুৰোধ কৰিলে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, (নাওবৈচা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৩০১ ৰ অধীনত তিনি দশকত ৩১০০ বৰ্গ কিঃ মিঃ বনানাঞ্চল ধ্বংস এই বাতৰিটো উত্থাপন কৰিব দিয়াৰ বাবে ধন্যবাদ জনাইছো। লগতে ছাৰ আপুনি যিটো নিৰ্দেশ দিলে, কম সময়ত শেষ কৰিবৰ কাৰণে মানি চলিম। দুই-তিনি মিনিটতে শেষ কৰিম। বাতৰিটো ওলাইছিল "দৈনিক অসম", ১৬ জানুৱাৰী ২০১৮, পৰিৱেশ আৰু বন সম্পৰ্কত, ছাৰ। নতুনকৈ ক'ব লগা একো কথা নাই। ১৯৯৮ চনত আমাৰ অসমত ৪০ শতাংশ বনাঞ্চল আছিল। অসমৰ মাটিকালি ৭৮,৪৩৮ বৰ্গ কিঃ মিঃ আৰু তেতিয়া ৩০,৭০৮ বৰ্গ কিঃ মিঃ আমাৰ বনাঞ্চল আছিল। তাৰমানে ৪০ শতাংশ বনাঞ্চল ১৯৮৭ চনত আছিল। এতিয়া ছাৰ, কমি হৈ গ'ল ২৭,৬১০ বৰ্গ কিঃ মিঃ। প্ৰায় ৩১০০ বৰ্গ কিঃ মিঃ, কমি গ'ল, এই বিগত ৩০ বছৰত। ২০০৯ চনত গভীৰ বনাঞ্চল য'ত সাধাৰণতে মানুহৰ বসতি নাই বুলি ক'ব পাৰি, এই গভীৰ বনাঞ্চল আছিল, ১৪৬১ square বৰ্গ কিঃ মিঃ। ২০১৮ ৰ ৰেকৰ্ডটো নাই। ২০১৮ আৰম্ভহে হৈছেহে মাত্ৰ। ১৭ চনলৈকে ১১শ ৩ square কিঃমিঃ। ইমান কমি গৈছে। গতিকে বিগত ৮ বছৰত বনাঞ্চল, ঘন বনাঞ্চল, গভীৰ অৰণ্য বুলি যাক কোৱা হয়, য'ত সাধাৰণতে মানুহৰ জনবসতি নাই। তাত কমি গৈছে ছাৰ। এই যে গোটেই অসম জুৰি বনাঞ্চল ইমান কমি গৈছে, ৩১০০ বৰ্গ কিঃমিঃ আৰু তাত বিভিন্ন কাৰণ আছে। ডিটেইলচ্‌ত মই নাযাওঁ। যিহেতুকে সময় কম। গতিকে এই বনাঞ্চলত যে মানুহবিলাক যায়, দখল কৰে, মাননীয়া মন্ত্ৰী মহোদয়া বাইদেউয়ে খুব সম্ভৱ এই উত্তৰটো দিব আৰু এদিন মই এই প্ৰশ্নটো কৰিছিলোঁ। যেতিয়া eviction কৰে, খুব বেয়া লাগে ছাৰ। আগতেই যাতে process টো বন্ধ কৰি দিয়ে। বনাঞ্চলত যাতে কোনো মানুহে বসতি কৰিব নোৱাৰে। এনেকুৱা নিশ্চয় গভৰ্ণমেণ্টৰ প'লিচি আছে। এই প'লিচিবিলাক ছাৰ, বনাঞ্চল ধ্বংস কৰাৰ আগতে ইম্‌প্লিমেণ্ট কৰিলে ভাল হয়। পিছত যাতে এনেকুৱা বেয়া পৰ্য্যায়লৈকে যাব লগা নহয়। আৰু এই বনাঞ্চল যে কমি গৈছে, এইটো ৰেকৰ্ড মই দিছো, নিশ্চয় মন্ত্ৰী মহোদয়াৰ হাততো আছে। গতিকে এই বিষয়টো আপোনাৰ জৰিয়তে মাননীয়া মন্ত্ৰীৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিছো।

**উপাধ্যক্ষ ঃ** এতিয়া মাননীয়া মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, পৰিৱেশ আৰু বন মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য ইমদাদুল ডাঙৰীয়াই যিটো বিষয় আজি ৩০১ এই নিয়মাৱলীৰ অধীনত উত্থাপন কৰিছে, সেইটো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আজি তেখেতে "পৰিৱেশ আৰু বন বিভাগৰ ক্ষেত্ৰত বা বনাঞ্চল ধ্বংসৰ ক্ষেত্ৰত যিটো কথা আমাৰ মাননীয় সদনত দৃষ্টিগোচৰ কৰিছে তাৰ কাৰণে তেখেতক মই আন্তৰিক ভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় সদস্য ডাঙৰীয়াই যেনেকুৱা ধৰণৰ তথ্য ইয়াত দাঙি ধৰিছে, তথ্যখিনি সম্পূৰ্ণ সত্য নহয়। গতিকে মই ফৰেষ্ট চাৰ্ভে অব ইণ্ডিয়াৰ তথ্যত মই আপোনাক ক'ব বিচাৰিছোঁ যে। ১৯৮৭ চনত এই সংস্থাই যিটো চাৰ্ভে কৰিছে, সেই চাৰ্ভে অনুসৰি ৰেকৰ্ডেড ফৰেষ্ট এৰিয়া হ'ল ২৬,৩৮৬ বৰ্গ কিঃমিঃ ।

কিন্তু ২০১৫ চনত আকৌ চাৰ্ভে অৱ ইণ্ডিয়াই চাৰ্ভে কৰিছে। সেই ৰিপোৰ্ট অনুসৰি আমাৰ যিটো ৰেকৰ্ড, আছে সেইমতে ২৬,৮৩২ কিঃমিঃ। আগতকৈ বাঢ়ি আহিছে। কমা নাই। বনাঞ্চলতো কমা নাই, বাঢ়ি আহিছে। অৱশ্যে ৰেকৰ্ড ফৰেষ্ট এৰিয়াত থকা বনাবৃত এলেকাৰ ক্ষেত্ৰত পৰিসংখ্যাৰ বিষয়টো এই Forest coverage Area ত কিছুমান কাৰণ বশতঃ প্ৰবল হেঁচা পৰিছে। এই হেঁচাৰ কাৰণসমূহ হৈছে, ৰাজ্যখনৰ সীমাত অৱস্থিত সংৰক্ষিত বনাঞ্চল সমূহত কিছুমান ওচৰ-চুবুৰীয়া ৰাজ্যৰ সীমা বিবাদৰ ফলত বেদখল হোৱাটো অন্যতম। তদুপৰি ৰাজ্যখনৰ গৰাখহনীয়া,

বানপীড়িত লোকৰ দ্বাৰা বেদখল আৰু ঝুম খেতিৰ বাবে আন্তঃগাঁথনি উন্নয়ন আদিৰ বাবে বনাবৃত এলেকা হ্ৰাস পোৱাটো পৰিলক্ষিত হৈছে। উদাহৰণ স্বৰূপে ফৰেষ্ট চাৰ্ভে অব ইণ্ডিয়াত বিগত কেইটামান ৰিপোৰ্টত উল্লেখ কৰামতে ২০০৭ চনৰ তুলনাত ২০০৯ চনত ৬৬ বৰ্গ কিঃমিঃ হ্ৰাস পাইছে আৰু ২০০৯ চনৰ তুলনাত ২০১১ চনত ১৯ বৰ্গ কিঃমিঃ হ্ৰাস পাইছে। ২০১১ চনৰ তুলনাত ২০১৩ চনত ২ বৰ্গ কিঃমি- এলেকা কমি আহিছে। ২০১৩ চনৰ তুলনাত ২০১৫ ত ৪৮ বৰ্গ কিঃমিঃ হ্ৰাস পাইছে। এই ক্ষেত্ৰত শোণিতপুৰ জিলাৰ কথাটো ইয়াত উল্লেখ কৰিছিল। শোণিতপুৰ জিলাত বনাঞ্চল কমি অহাৰ কথা কৈছে, সেই কাৰণো একে। এই যে নদীখন অৰুণাচল পাহাৰৰ পৰা directly নামি আহে আৰু গছ-গছনি নথকাৰ কাৰণে erosion হৈ যায়। erosion হোৱাৰ ফলত গাওঁবিলাক খহাই লৈ যায়। এই খহনীয়াত আক্ৰান্ত মানুহবিলাক ক'ত যাব? তেওঁলোক ফৰেষ্টত আকৌ সোমাইছে। শোণিতপুৰৰ যিখিনি বনাবৃত অঞ্চল সেইটো কমি আহিছে। কিন্তু বনাবৃত এলেকা কমা নাই। এৰিয়াটো যেনেকৈ আছিল, তেনেকৈয়ে আছে। মাত্ৰ গছ-গছনি কমিব পাৰে। বনাবৃত অঞ্চল বুলি ক'লে আগৰ যিখিনি ৰিজাৰ্ভ এৰিয়া সেই ৰিজাৰ্ভ এৰিয়াটো তেনেকৈ আছে। বনাঞ্চল এৰিয়াত বেদখল যে হৈছে, সেইটো ঠিক। সেই বেদখল হোৱাৰ কাৰণে আমাৰ এৰিয়াটো কমি আহিছে। যাৰ কাৰণে আমি সময়ে সময়ে উচ্ছেদ কৰিছো। আমি উচ্ছেদ কৰি বেদখল মুক্ত কৰিব বিচাৰিছো আৰু যিখিনি degraded forest area তাত আমাৰ পৰিৱেশটো যাতে মেইণ্টেইন কৰি ৰাখিব পাৰো, as per norms, আমাৰ অসমত যিখিনি area থাকিব লাগে, তাতকৈ বেছি area আমাৰ আছে। কিন্তু যি বিলাক বনাঞ্চল, বনাঞ্চল হিচাবে বছৰে আবিত হয়, সেই অঞ্চলত আমি এতিয়া যথেষ্ট পদক্ষেপ লৈছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বেছি গধুৰ দায়িত্ব আমাক দিছে। যিবিলাক মুকলি ঠাই, য'ত গছ-গছনি নাই, মানুহো নাই, সেই অঞ্চলবিলাকত আমি গছ-গছনি ৰুই বনাঞ্চলৰ অন্তৰ্ভুক্ত কৰিবৰ কাৰণে যথেষ্ট ব্যৱস্থা লৈছো। ইয়াৰ কাৰণে যোৱা বছৰত আমি ১.৯০ কোটি গছ পুলি ৰোপণ কৰিলো। অহা সময়ছোৱাত দহ কোটি গছ পুলি ৰোপণ কৰাৰ বাবে আমাৰ নাৰ্চাৰী প্ৰস্তুত কৰি থকা হৈছে। ইয়াৰ বাবে যিবিলাক কিছুমান অনুষ্ঠান যেনে কলেজ আদি অন্যান্য অনুষ্ঠানতো গছ-পুলি ৰোপণ কৰাৰ কাৰণে ব্যৱস্থা লৈছো। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাক নিৰ্দেশ দিছে। সকলো অনুষ্ঠানত গছ-গছনি ৰুই সুন্দৰ ভাৱে Forest coverageটো আনিব লাগে। এই বিলাক কাম আমি এতিয়া কৰি আছো। গতিকে মাননীয় বিধায়ক ডাঙৰীয়াই যিটো উদ্বেগ প্ৰকাশ কৰিছে, সেইটোত আমি একমত। সেই কাৰণে মই কিছুমান ব্যৱস্থা লৈ আছো। গতিকে আমি ভাৱো যে আহি থকা সময়ত আমি এলেকা সমূহত আকৌ সুন্দৰ বনাঞ্চল গঢ়ি তোলাৰ বাবে সক্ষম হ'ম।

**উপাধ্যক্ষ ঃ** এতিয়া আমাৰ সময়ৰ ফাৰ্ষ্ট- হাফ শেষ হৈ গ'ল। মই চেকেণ্ড হাফত দুই ঘণ্টা সময় ডিবেটৰ কাৰণে ৰাখিব বিচাৰিছোঁ। এতিয়া তেৰছ গোৱালাৰ এটা প্ৰশ্ন আছে। Rula ৩০১ ত তাৰ বাবে ১০ মিনিট সময় বঢ়াব পাৰিম নেকি?

(সদনে ১০ মিনিট সময় বঢ়াবলৈ অনুমতি দিয়ে)।

**উপাধ্যক্ষ ঃ** থিক আছে। মাননীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়া আপোনাৰ সদনত উত্থাপন কৰিবলগীয়া বিষয়টো আছিল চাহ শ্ৰমিকৰ ব্যক্তিগত ৱাৰ্ডত বিদ্যুৎ মিটাৰ সংস্থাপন নকৰা সম্পৰ্কত আপোনাৰ বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো। চমুকৈ আপুনি পাঁচ মিনিটত ক'ব লাগিব আৰু বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই পাচঁ মিনিটত উত্তৰ দিব।

**শ্ৰী তেৰছ গোৱালা, ঃ** ধন্যবাদ। মাননীয় উপাধ্যক্ষ মহোদয়, আমি জানো যে অসমৰ অৰ্থনৈতিক বুনিয়াদ প্ৰতিষ্ঠা কৰা এটাই ইণ্ডাষ্ট্ৰী। যি ইণ্ডাষ্ট্ৰীক কেন্দ্ৰ কৰি এটা গোষ্ঠীৰ সৃষ্টি হৈছে। সেই চাহ

বাগিছা বিলাকত ১৯৯৬ চনত অসম চাহ মজদুৰ সংঘৰ চি চি পি আৰ যৌথ চুক্তিত চাহ বাগিছাৰ শ্ৰমিক গৃহত অৰ্থাৎ চাহ কোম্পানীৰ অধীনত বিদুৎ মিটাৰ সংযোগ কৰাৰ ব্যৱস্থা হৈছিল। কিন্তু দুৰ্ভাগ্যৰ কথা cluster meter system থকাৰ কাৰণে শ্ৰমিক সকলে লাইট জ্বলাওক বা নজ্বলাওঁক কোনো আপত্তি নাথাকে। তেওঁলোকে প্ৰতিটো দৰমহাত ৩০০-৫০০ টকা দিব লগা হয়। চাহ শ্ৰমিক সকলে যথেষ্ট অসুবিধা পাই আছে। আমি আগতেও জনাইছিলো আৰু এতিয়াও কেইবাখনো চিঠি-পত্ৰ লিখিছো, বিদ্যুৎ বিভাগলৈ গাওঁ অঞ্চলত যিদৰে বিদ্যুৎ ব্যৱস্থা সংযোগ দিয়া হৈছে, ব্যক্তিগত মিটাৰৰ জৰিয়তে, চাহ বাগিছাৰ শ্ৰমিকৰ কোৱাৰ্টাৰতো ব্যক্তিগত ভাৱে মিটাৰ দি Billing ব্যৱস্থা কৰিব লাগে। কিন্তু এ পি ডি চি এল ৰ ইমান ব্যৱস্থা আছে, যি চিষ্টেমৰ কাৰণে আমি যিকিনো মূহুৰ্তত নতুন এটা Law and order situation ৰ সন্মুখীন হ'ব লগা হ'ব পাৰে। সেই কাৰণে মই উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাম যে চাহ বাগিছাৰ লোক সকলো এই দেশৰ নাগৰিক। তেওঁলোকৰ ওপৰত কিয় এইদৰে বৈষম্য মূলক ব্যৱহাৰ কৰা হয়? ইতিমধ্যে কোম্পেনীয়ে তাত বিদ্যুতৰ তাঁৰ দিছে, খুটা দিছে, কানেকশ্যন আছে, তেনেহ'লে আমি কিয় ব্যক্তিগত মিটাৰ লগাব নোৱাৰো? সেই কথাটো আজি আমাৰ কাৰণে ৰহস্য হৈ আছে । আমি এনেকুৰা এটা মূহুৰ্তলৈ অপেক্ষা কৰি আছো যে চাহ বাগিছাৰ মানুহ ৰাস্তালৈ ওলাই আহিব, road blok কৰিব আৰু আমি পুলিচ লগাম, চি আৰ পি এফ লগাম মানুহ মাৰ্ডাৰ হ'ব, তাৰ পিছত কথা পাতিম আৰু মিটাৰ দিম এনেকুৰা কিবা কথা হৈছে নেকি? কাৰণ মই নিজেও বিজুলী ভৱনলৈ কেইবা বাৰো গৈছো আৰু মই নিজে চিঠিও দিছো। মই মুখ্যমন্ত্ৰী মহোদয়কো এই বিষয়ে জনাইছো। কিন্তু কিয় হোৱা নাই এই কথাটো মই আজি জানিব বিচাৰিছোঁ, যদি নহয় তেতিয়া খোলা-খুলিকে ক'ব লাগে যে এ পি ডি চি এল ৰ এনেকুৰা কোনো ব্যৱস্থা নাই। যেতিয়া আমি ৰাতিপুৱা শুই উঠো, প্ৰতিগৰাকী বিধায়কে সম্ভৱত সেই শ্ৰমিক সকলৰ কৰুণ কাহিনী শুনিবলৈ পায়। তেওঁলোকে পঢ়ি থকা অৱস্থাত কাৰেণ্ট কাটি দিয়া হয়। এইবিলাক দুখৰ কথা আমি বুজি পাইছো। সেইকাৰণে মই আজি অনুৰোধ জনাইছো মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে, চৰকাৰ বনাবলৈ ৰাইজে আমাক mandate দিছে। আমি নীতি নিৰ্ণয় কৰিম। ইয়াত যদি বিষয়া সকলে ভাৱে, আমাৰ নীতিমতে চলিব লাগিব চৰকাৰ, তেন্তে ইয়াত মোৰ নিশ্চয় দ্বি-মত থাকিব। যদি বিভাগ বা বোৰ্ডৰ সিদ্ধান্ত মতে আমি চলিব লগা হয়, তেতিয়াহ'লে নিশ্চয় এই কথা খিনি আমি ৰাইজক কৈ দিব লাগিব যে ইয়াত চৰকাৰৰ কৰিবলগীয়া একো নাই। সেই কাৰণে মই পুনৰবাৰ অনুৰোধ জনাইছো, মাননীয় উপাধ্যক্ষ মহোদয, এই বিষয়টো বৰ চেনচেটিভ বিষয় যে তেওঁৰ কাৰণে এখন চাহ বাগিছা নহয়, শ শ চাহ বাগিছা। শ শ চাহ বাগিছাত এই চিটুৱেশ্যনটো ক্ৰিয়েট হ'ব। তেতিয়া হয়তো আমাৰ হাতত ইমান শক্তি নাথাকিব, আমাৰ ইমান পুলিচ, মিলিটাৰী নাই যে আমি এই Law and order কণ্ট্ৰোল কৰিব পাৰিম। সেই কাৰণে সময় আছে, আজি পুনৰবাৰ আহ্বান জনাইছো যে যদি চিষ্টেম নাই, সংসদীয় দলৰপৰা ৰাজনীতিৰ ব্যৱস্থা কৰিছে, যে গৰিষ্ঠ সংখ্যক ৰাইজৰ কাৰণে প্ৰয়োজন পৰিস্থিতি সাপেক্ষে বিধান সভাই বা পাৰ্লিয়ামেণ্টে আইন প্ৰণয়ন কৰি হ'লেও এই সমস্যা সমাধান কৰিব পাৰে। গতিকে মই ভাৱো যে গণতন্ত্ৰ ৰাষ্ট্ৰত আৰু নিৰ্বাচিত চৰকাৰ, আমাৰ সতীৰ্থ আছে। আমি কোনো বিষয়া-কৰ্মচাৰীৰ তলত চলিব বিচৰা নাই। এইধৰণে যদি চলি থাকো তেতিয়াহ'লে Law and order চিটুৱেশ্যন হ'ব। তাৰ কাৰণে চৰকাৰক আমি সকিয়নী দি আছো, আমাৰ বিৰোধীয়ে সমালোচনা কৰি আছে, সকলো শ্ৰেণীৰ ৰাইজে সমালোচনা কৰিব। গতিকে মই আহ্বান জনাইছো যে এই বিষয়টোৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰে।

**উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়াই ৩০১ ৰ অধীনত যিখিনি বিষয় উত্থাপন কৰিছে, সঁচাকৈয়ে আমি সকলোৱে উপলব্ধি কৰো। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। আমি দীৰ্ঘ দিন ধৰি এই বিষয়টোৰ ওপৰত আলাপ-আলোচনা কৰি আছো। কিন্তু বিষয়টো কোনোধৰণৰ সঠিক দিশত মীমাংসা হোৱা নাছিল আৰু সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই যেতিয়াই মুখ্য মন্ত্ৰীৰ দায়িত্ব লৈছিল, তেতিয়া তেখেতঁৰো প্ৰতিশ্ৰুতি আছিল যে আমি চৰকাৰত আহিলে ব্যক্তিগত মিটাৰৰ যি সমস্যা, সেই সমস্যাটো সমাধান কৰা হ'ব আৰু সেই কাৰণে আমি নতুন কেইবাটাও পদক্ষেপ ল'বৰ কাৰণে প্ৰয়াস কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাক জনাব বিচাৰো যে১৯৯৫ চনৰ ১২ এপ্ৰিলৰ দিনাখন সেই সময়ৰ হিতেশ্বৰ শইকীয়া প্ৰাক্তন মুখ্য মন্ত্ৰী, তেখেতৰ কেবিনেট ৰূমত এখন আলোচনা হৈছিল। মাননীয় উপাধ্যক্ষ মহোদয়, সেই সময়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া দেৱৰ কেবিনেট ৰুমত সকলো বিভাগৰ লগত যেতিয়া আলোচনা হৈছিল, সেই আলোচনাত সিদ্ধান্ত লোৱা হৈছিল যে চাহ-বাগিছা সমূহত Electrification কৰা যাব আৰু তাত সিদ্ধান্ত লোৱা হৈছিল যে তাত Cluster metre বহোৱা হব আৰু তাত Energy Bill মানুহৰ পৰা Cluster level ত লোৱা হ'ব। সেই তেতিয়াই সিদ্ধান্ত লোৱা হৈছিল আৰু ১৯৯৬ চনত ৩১ এপ্ৰিলত Notification কৰা হৈছিল সেই Notification ৰ আধাৰত তেনেকৈ বিল দিয়াৰ ব্যৱস্থা কৰা হৈছিল আৰু অন্য ঠাই বিলাকত যদি আমি বিল দিওঁ তেতিয়া হ'লে ব্যক্তিগত ভাৱে আমাৰ বিল দিয়াৰ ব্যৱস্থা আছে। কিন্তু চাহ-বাগিচা বিলাকত এটা ইউনিট বুলি ধৰি তাত Cluster পৰ্য্যায়ত বিল দিয়াৰ ব্যৱস্থা কৰা হ'ল আৰু আমাৰ যিমানখিনি DTR metre আছে, তাৰ যিখিনি বিল হয়, আমি চাহ বাগিছা কৰ্তৃপক্ষক দিওঁ আৰু চাহ বাগিছা কৰ্তৃপক্ষই তাত যি সকল শ্ৰমিক আছে, তেওঁলোকৰ মাজত সমানে ভগাই বিলখিনি Collection কৰা হয়। এতিয়া শ্ৰমিক সকলৰ মনত এইটোয়ে সন্দেহ যে "মই যিমান ইউনিটে ব্যৱহাৰ নকৰো কিয় কিন্তু মোৰ যিটো পইচা কাটিব লগা ব্যৱস্থা সেইটো মই এইখিনি টকা দিব লগা হৈছে" সেই কাৰণে এটা বিসংগতি হৈছে। আমাৰ যিমান জনপ্ৰিতিনিধি যি পৰ্য্যায়ৰেই নহওঁক কিয় সাংসদৰ পৰা আমাৰ পঞ্চায়ত পৰ্য্যায়লৈ সকলো জনপ্ৰতিনিধি, সামাজিক অনুষ্ঠান সকলোৰে এইটো মূল বিষয়। সেই কাৰণে আমি কি কৰিব বিচাৰিছোঁ সেই বিষয়টো আপোনাক জনাব বিচাৰিছো। খুব গুৰুত্বপূৰ্ণ বিষয় উপাধ্যক্ষ মহোদয়, সেই কাৰণে এইবাৰ আমি প্ৰথম পৰ্য্যায়ত পদক্ষেপ লৈছো যে এইবাৰ আমি ৩৫ কোটি টকা আমি শক্তি বিভাগৰ বাবে বাজেটত নিৰ্ধাৰণ কৰিছিলোঁ আৰু এই ৩৫ কোটি টকাৰ পৰা ইতিমধ্যে আমি টেনদাৰ কৰিছো আৰু চাপ্লাই আমি এই মাহৰ ভিতৰত কৰিম আৰু আমি ভাবিছিলো যে তাত ২টা বিষয় আছে। প্ৰথম আছিল যে তেওঁলোকক Service Connection দিব লাগিব ছাৰ আৰু দ্বিতীয়তে আছিল যে পুৰণা বহুত বিল আছে, যিখিনি বিল আমাৰ জমা হোৱা নাই, বিভিন্ন কাৰণত। এই টকাখিনি আমি কেনেকৈ তেওঁলোকৰ পৰা ল'ম। তৃতীয়তে কোনোবা গৈ তেওঁলোকৰ পৰা বিল সংগ্ৰহ কৰিব আৰু কোনোবাই বিলখিনি দিব। কাৰণ এজন উপভোক্তাৰ পৰা আমাৰ কাৰণে ১০০০ উপভোক্তা একেলগে এদিনত বাঢ়ি যাব। আমাৰ Infrastructure টো ইমান লেভেললৈ যেতিয়া যাব তেতিয়া আমাৰ Manpower বাঢ়ি যাব লাগিব। সেই কাৰণে আমি যোৱা ডিচেম্বৰত এখন সভা পাতিছিলোঁ সেই সভাতে আমি অবিভক্ত শোণিতপুৰ জিলাখনক আমি এখন মডেল জিলা হিচাপে লৈছিলোঁ । আৰু সেই মডেল জিলাত ৩১ মাৰ্চৰ ভিতৰত ৩০ হাজাৰ ঘৰত আমি বিদ্যুতৰ সংযোগ দিম। বিজুলি সুৰক্ষা সমিতি বুলি এখন সমিতি প্ৰত্যেক চাহ

বাগিছাত গঠন কৰি দিম। য'ত আমি তাৰ Labour Welfare Officer জনক সভাপতি হিচাপে ৰাখি Trade Union, তাৰ Student Organization আৰু উপভোক্তা সকলক লৈ এখন কমিটি বনাম আৰু সেই কমিটিখনে গোটেই ব্যৱস্থাটো নিৰিক্ষণ কৰিব। আমাৰ ইয়াত অতিৰিক্ত মুখ্য সচিব লেভেল আৰু State লেভেলতো এখন কমিটি বনাইছোঁ। সেই কমিটিখনে গোটেই কামখিনি চোৱাচিতা কৰিব। সেইখিনি কৰি আমি গোটেইখিনি মানুহৰ ঘৰত ৩১ মাৰ্চৰ ভিতৰত ব্যক্তিগত মিটাৰৰ ব্যৱস্থা কৰিব আৰু সেইখিনি কৰি আমি তাত বিল Collection কেনেকৈ হ'ব তাৰ আলোচনা আমি চাহ বাগিছাৰ কৰ্তৃপক্ষৰ লগত কৰিম। কাৰণ তেওঁলোকে সাপ্তাহিক ভাৱে বা পষেকীয় ভাৱে দৰমহা পায়, মাহিলি ভাৱে নাপায়। আমি যদি মাহিলি বিল কৰোঁ তেতিয়া হ'লে তেওঁলোকৰ বিলখিনি একেলগে Collection কৰিব কেনেকৈ, সেইটো বিষয়ত এটা বিসংগতি আছে আৰু সেই বিসংগতিৰ কাৰণে আমি তেনেকুৱা মডেল এটা ল'ব বিচাৰিছোঁ। দ্বিতীয় মডেল এটা পৰীক্ষা মূলকভাৱে প্ৰয়োগ কৰিব বিছাৰিছোঁ যে আমি Pre-Paid মিটাৰ লগাব পাৰো নেকি ? যদি Pre-Paid মিটাৰ লগাব পাৰোঁ তেতিয়া হ'লে আমাৰ বিল Collection ত কোনো অসুবিধা নাহিব। কিন্তু Pre-Paid লগাবলৈ যাওঁতে তাত যিটো vending কৰিব লাগে তাত ১৬ Digit ত তাত গৈ Entry কৰিব লাগে। গতিকে শ্ৰমিক সকলে সেইটোত অসুবিধা পাব নেকি তাৰ কাৰণে আমি তেওঁলোকৰ বাবে এটা সজাগতা সৃষ্টিৰ ব্যৱস্থা কৰি আৰু তাত ক'ত তেওঁলোকে গৈ Recharge কৰিব, সেই ব্যৱস্থাটোৰ কাৰণে আমি আলোচনা কৰি আছোঁ আৰু এটা নতুন মডেল আহিছে যিটোক স্মাৰ্ট মিটাৰ বুলি কয়, সেই স্মাৰ্ট মিটাৰ/ আৰ এফ মিটাৰ আমি ইয়াৰ পৰা Control কৰিব পাৰো। কিন্তু বহুত ঠাইত Network ৰ প্ৰব্লেম থকাৰ কাৰণে সেইটো আমি চাই আছো। এই তিনিটা মডেল আমি শোণিতপুৰত এপ্লাই কৰিম, বাগিছা অনুযায়ী আৰু Maximum বাগিছাত পুৰণি মডেল থাকিব। দুখন বাগিছা আমি চিলেক্ট কৰিছোঁ, এখনত Smart আৰু এখনত Prepaid মিটাৰ লগাম। আৰু ৩১ মাৰ্চৰ ভিতৰত আমি যিটো প্ৰতিবেদন পাম, এইবোৰ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত আমি যিবোৰ সুবিধা অসুবিধা পাম সেই অনুযায়ী আমি অন্যান্য জিলাবোৰো সামৰি লম। এইবাৰৰ বাজেটত আমি ৪৫কোটি ৰাখিছোঁ, এইবাৰৰ ৪৫কোটি যোৱা বাৰৰ ৩৫ কোটি তাৰে আমাৰ ১০ কোটি টকা থাকি যাব। মুঠতে ৬০ কোটি টকাৰ এইবাৰ গোটেই অসমক Cover কৰাকৈ এইটো পদক্ষেপ লৈছো, যি সমূহ Cover নহ'ব সেইখিনি আমি "সৌভাগ্য" আঁচনিৰ জৰিয়তে Cover কৰিম। ২০১৯ চনৰ ভিতৰত এই সমস্যাটো পৰিকল্পিতভাৱে সমাধান কৰাৰ কাৰণে পদক্ষেপ লৈছো আৰু সকলো বিধায়ক মণ্ডলীৰ পৰা সহায়-সহযোগিতা কামনা কৰিলোঁ। তেখেতসকলৰ সহযোগীতাৰ দ্বাৰা নিশ্চয়কৈ আমি সমস্যাটো সমাধান কৰিম আৰু ভৱিষ্যতে যাতো কোনো অসুবিধা নহয় তাৰ কাৰণে আমি ব্যৱস্থা ল'ম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া সদন আবেলি ৩ বজালৈ স্থগিত ৰখা হ'ল।

আজি ইংৰাজী ০৯-০২-২০১৮ তাৰিখে বিয়লি ৩ বজাত পুনৰ সদনৰ কাম আৰম্ভ হয় ।

মাননীয় উপাধ্যক্ষ ডাঙৰীয়া সদনত প্ৰবেশ কৰা বুলি মাৰ্শ্বেলে সদনক অৱগত কৰে ।ইয়াৰ পিচতেই উপাধ্যক্ষ ডাঙৰীয়াই সদনত প্ৰবেশ কৰি আসন গ্ৰহণ কৰাৰ পিছতেই সদনৰ কাম আৰম্ভ হ'ব লাগিছিল যদিও সদনৰ থুল হোৱাৰ পিছতো উপাধ্যক্ষ ডাঙৰীয়াই এজনো মন্ত্ৰী উপস্থিত নথকাৰ বাবে সদনৰ কাম আৰম্ভ কৰিব পৰা নাই । (সময়ৰ ঘকিছু সময়ৰ পিছত তেখেতে সদনৰ কাম আৰম্ভ কৰিব বিচৰাত বিৰোধী পক্ষৰ সদনতউপস্থিত থকা সদস্যসকলে সদনত শাসক পক্ষৰ

মন্ত্ৰী উপস্থিত নথকা বুলি হুলুস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰি উপাধ্যক্ষ ডাঙৰীয়াক সদনৰ কাম আৰম্ভ নকৰিবলৈ আহ্বান জনায়। ( পুনৰ সদনত হুলুস্থুলীয়া পৰিবেশৰ সৃষ্টি হয় )।

**মাননীয় উপাধ্যক্ষ ঃ** কাৰ্য্যসূচী- ৪ । শ্ৰীমতী সুমন হৰিপ্ৰিয়া ।

( এইখিনি সময়ত সদনত পুনৰ হুলুস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়) ।

এই সময়ত বিৰোধী পক্ষৰ সদস্য সকলে পুনৰ হুলুস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰি কয় যে সদনত মন্ত্ৰী উপস্থিত নথকাটো এক নজিৰবিহীন ঘটনা। গতিকে বিষয়টো সদনৰ কাৰ্য্যবিবৰণীত অন্তৰ্ভূক্ত হব লাগে। কাৰণ তেওঁলোকে কথা কলে কোনে শুনিব। ৭ মিনিট যোৱা বুলি কয়।

**মাননীয় উপাধ্যক্ষঃ**- মন্ত্ৰী সকল আহি আছে।

(পুনৰ হুলুস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)।

**মাননীয় উপাধ্যক্ষ ঃ** - এতিয়া সদন ১৫ মিনিটৰ বাবে স্থগিত কৰা হ'ল ।

(উপাধ্যক্ষ ডাঙৰীয়াই সদন কক্ষ ত্যাগ কৰে )।

(ইয়াৰ কিছু সময়ৰ পিছত অসম চৰকাৰৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী সদনত প্ৰবেশ কৰে আৰু কিছু সময়ৰ পিছত উপাধ্যক্ষ মহোদয় সদনত উপস্থিত হয়। তাৰ পিছত সদন স্থগিত কৰা ১৫ মিনিট সময় শেষ হোৱাৰ পিছত বিয়লি ৩.২৫ বজাত উপাধ্যক্ষ মহোদয়ে সদনৰ কাম পুনৰ আৰম্ভ কৰে .) ।

এতিয়া মই অনুৰোধ কৰিম সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানিক ১০ মিনিট সময় কবৰ কাৰণে।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া ঃ** মাননীয় উপধ্যক্ষ মহোদয়, যোৱা ৬ তাৰিখে মাননীয় ৰাজ্যপাল ডাঙৰীয়াই দিয়া ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থনত মই কবলৈ গৈ এতিয়া উপলব্ধি কৰিছো যে আমাৰ এই চৰকাৰ খন সঁচাকৈ ৰাইজৰ চৰকাৰ। আমি যোৱাবাৰ বিধান সভাত যি প্ৰতিশ্ৰুতি দিছিলোঁ সেই প্ৰতিশ্ৰুতিখিনি আমি পৰিকল্পনা কৰি, আঁচনি যুগুত কৰি ৰাইজৰ ওচৰত লৈ যোৱাত সক্ষম হৈছোঁ। এটা কথাত ক'বলৈ গলে এইখন সম্পূৰ্ণ জনমুখী চৰকাৰ। ৰাইজৰ সৰু ডাঙৰ মনৰ কথা, তেওঁলোকৰ দুখৰ কথা আমি আঁচনিৰ যোগেৰে তেওঁলোকৰ ওচৰলৈ লৈ যোৱাত সক্ষম হৈছোঁ। স্বাস্থ্য ক্ষেত্ৰত চাওঁক, আমাৰ বিৰোধী পক্ষৰ মাননীয় বিধায়ক সকলেও গম পাব, আগতে স্বাস্থ্যৰ ক্ষেত্ৰত তেওঁলোকৰ নিজৰ নিজৰ সমষ্টিত কিমান জন ৰোগী আহি কয় যে আমাক সহায় কৰক। বেমাৰৰ কাৰণে চিকিৎসাৰ অভাৱ। কিন্তু আমাৰ 'সুহৃদ' আঁচনিৰ যোগেদি এতিয়া তেওঁলোকে নিজে চেক কাটি দিব পৰা হ'ল। গতিকে আমাৰ চৰকাৰ খনৰ স্বাস্থ্যৰ সম্বন্ধৰ যি পৰিবৰ্তন আহিছে সকলো ৰাইজে স্বীকাৰ কৰিছে। আজি দূৰ্গাভূমিজ ডাঙৰীয়াই কৈছে যে চাহ-বাগানৰ ক্ষেত্ৰত আমাৰ উন্নতি হোৱা নাই, কিন্তু এতিয়া মেডিকেলৰ যিবোৰ মোবাইল ভেন দিছে চাহ-বাগানতে যথেষ্ট পৰিমাণে পৰিছে। অকল সেয়াই নহয় গুৱাহাটী মেডিকেল কলেজ হস্পিটালত চাহ-বাগনৰ যদি ৰোগী আহে তেওঁলোকৰ কাৰণে গেষ্ট হাউচৰো ব্যৱস্থা হৈছে। তেনে ক্ষেত্ৰত যে মই তেওঁলোকক অনুৰোধ কৰিম আমাৰ যি পৰিবৰ্তনৰ চৰকাৰ, আমাৰ চৰকাৰ যিটো কাম কৰাৰ ষ্টাইল আমি যি নীতিত কাম কৰিছো , তেওঁলোকে আমাক সমৰ্থন জনাওঁক। নীতি বুলি ক'লে আমি এইটোৱে কব লাগিব যে আমি Corruption ৰ লগত আপোচ কৰা নাই। আপোনালোকে পি ডব্লিউ ডি বিভাগক চাওঁক যে ইমান ৰাষ্টা আমাৰ হাজো সমষ্টিতে, Maintance and Repairing Funds ৰ পইচা, Central Road fund ৰপইচা, যে কৰ কৰ পৰা পইচা অহা নাই, প্ৰধান মন্ত্ৰী চড়ক যোজনা ৰাষ্টা ৭০ টা Sanction হৈছে। আমাৰ বিৰোধী পক্ষৰ বহু বিধায়কে আমাৰ শাসক দলৰ বিধায়কতকৈ বেছি Maintance and Repairing Funds ৰ পইচা পাইছে। অকল সেয়াই নহয় আমাৰ ঠিকাদাৰ সকলৰ বৰ

সপ্তম হৈছে যে অলপ কাম বেয়া হলেই ৰাইজে বিধায়ক বা মন্ত্ৰীক ফোন কৰি জনাই দিয়ে, যে চাৰ, আমাৰ ইয়াত ঠিকাদাৰে কাম বেয়া কৰিছে। এইটো পৰিবৰ্তন কিহৰ কাৰণে হৈছে? ৰাইজ যেতিয়া সজাগ হয়। তাৰমানে কি এইখন জনতাৰ চৰকাৰ। অন্য কথা এটা কব বিচাৰো মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কয়লা চিণ্ডিকেটৰ কথা সিদিনাখন কলে, যে মেঘালয়ৰ পৰা কৰিমগঞ্জলৈ যাওঁতে যিটো কয়লাৰ চিণ্ডিকেট হয় সেই ক্ষেত্ৰত মই বিৰোধী পক্ষক এটা কথা ক'ব বিচাৰিছোঁ, যে যেতিয়া আমাৰ মেঘালয়ৰ পৰা কৰিমগঞ্জলৈ Through হৈ যিবিলাক কয়লা যায় সেই কয়লাক আগৰ কংগ্ৰেছ চৰকাৰে কিয় কৰা নাছিল, আমাৰ চৰকাৰে মাত্ৰ ২০ দিনত ২ কোটি ২ লাখ টকা ফাইন আদায় কৰিছে, তেওঁলোকৰ চৰকাৰে কেই টকা ফাইন আদায় কৰিছিল, এই কয়লা বোৰ লৈ যাওঁতে ? গতিকে কেতিয়াবা ফাইন লৈ পাইছিলনে এই কয়লাবোৰ লৈ যাওঁতে মেঘালয়ৰ পৰা কৰিমগঞ্জলৈ Through Dighaser ? গতিকে আমাৰ চৰকাৰে পৰিবৰ্তনৰ যি নীতি দেখাইছে সঁচাকৈ এতিয়া ৰাইজে শলাগ

লৈছে। তাৰ লগে লগে আৰু এটা কথা আজি Minority বিভাগে খুব দুখ কৰি কৈছে যে ইমান দুৰ্নীতি আমাৰ এম এচ ডি পিৰ ক্ষেত্ৰত , যোৱাবাৰৰ কথা কৈ আছে এইবাৰৰ কথা কোৱা নাই আমাৰ ইমদাদুল ডাঙৰীয়াই, কৈছে যে চৰ এৰিয়াৰ পইচা আমি নাপাওঁ, আগতে নাপাইছিল। আমাৰ কাম চাওঁক, আমাৰ বিৰোধী দলৰ ছঁয় গাওঁৰ বিধয়ক ৰেকিবুদ্দিন ডাঙৰীয়া আৰু বকোৰ নন্দিতা দাস বাইডেউ আছে তেওঁলোকে কব যে আমাৰ জিলাৰ এন এচ ডি পিৰ পইচা, চৰ উন্নয়নৰ পইচা আমাৰ সকলোৰে সমানে ভগাই পাইছোঁ। ৫ কোটি টকা এন এচ ডি পিৰ পইচা কেৱল হাজো সমষ্টিতে গৈছে। Minority এৰিয়াৰ স্কুলৰ কথাও কৈছে মাননীয় সদস্যাই। যে আমাৰ Minority এৰিয়াৰ স্কুলৰ অৱস্থা চাওঁক, চালে দুখ লাগিব। দুখ লাগি যায় কিহৰ বাবে যে আপোনালোকে কাম কৰা নাছিল। এন এচ ডি পিৰ ফাণ্ডত পইচা আহে, যথেষ্ট পইচা আহে। আপোনালোকৰ পইচা গৈয়ে নাপাইছিল। আমাৰ যিটো ৫ কোটিৰ কথা কৈছো এই বছৰৰ, যোৱা বছৰৰ কথা নকওঁ যোৱা বছৰটো পইচা পালোঁ। এই ৫ কোটি টকাৰ আমি হাজো সমষ্টিৰ Minority এৰিয়াৰ এখনো স্কুল বাকী ৰখা নাই। স্কুলৰ আন্তঃগাঁঠনিৰ উন্নয়নৰ কাৰণে দিয়া হৈছে। আগত বেলেগ জগত আছিলে এতিয়া আমাৰ বিজেপি চৰকাৰ আমাৰ জগত এখন। আমাৰ চৰকাৰৰ নীতি চাওঁক, আমাৰ কামৰ ধৰণ চাওঁক ধন ডাইৰেক্ট ৰাইজৰ ওচৰলৈ যায়। কোনো মাজৰ মানুহ নাই, দালাল নাই, ঠিকাদাৰ নাই। আজি মোৰ ভাল ভাল লাগিছে। মাননীয় ৰাজ্যপাল ডাঙৰীয়াই এটা ডাঙৰ কথা কৈছে প্ৰথম লাইনতে, যে শান্তি সম্প্ৰীতি ভাতৃত্ববোধৰে উজ্জ্বল ভবিষ্যতৰ প্ৰতিশ্ৰুতি। এইটো বৰ ডাঙৰ কথা কৈছে। শান্তি সম্প্ৰীতি বুলি কোৱাৰ লগে লগে দেখিছো যে আমাৰ ভাৰতীয় জনতা পাৰ্টী চৰকাৰ অহাৰ লগে লগে শান্তি সম্প্ৰীতি আহিছে। এতিয়া আমাৰ দিনত ইনভেষ্টৰৰ লাইন লাগিছে, অকল লাইন লগাই নহয় টাটা, বিৰলা আদিকে ধৰি কোন কোন অহা নাই, বাহিৰৰ foreigner investor বিলাকো আমাৰ অসমত আজি ব্যৱসায় কৰিব আহিছে। ব্যৱসায় কৰিব অহাৰ লগে লগে আমাৰ যিটো আন্তঃ গাঠনি যি ঠাইত ব্যৱসায় হব সেই ঠাইৰ ৰাষ্টা-ঘাট নিশ্চয় ভাল হৈ যাব। গতিকে এইটো এটা শান্তি সম্প্ৰীতিৰ উজ্জ্বল নিৰ্দাশন। লগতে আৰু এটা কথা আমাৰ হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত যিমান ভক্ত যায়, পোৱামক্কাতো সিমানে ভক্ত যায়, গতিকে সেই ভক্তখিনিৰ কাৰণে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই ১ কোটি টকাৰ মূল্যৰ এটা অতিথিশালা দান দিছে। সেই বাবে আজি ধন্যবাদ দিছো মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক এই সুবিধা দিয়াৰ বাবে। তাৰ লগে লগে আৰু আঁচনি ৰ বিষয়ে কব বিচাৰিছো, সেইটো হ'ল আমাৰ মহিলা সকলক আমাৰ চৰকাৰে সুৰক্ষিত কৰিছে, যে

population policy স্বাস্থ্য মন্ত্ৰীয়ে যেতিয়া ঘোষণা কৰিলে তাত population policyৰ মুখ্য ভূমিকা দিছে মহিলাক। মহিলা এগৰাকীয়ে সিদ্ধান্ত ল'ব পাৰিব তেওঁৰ সন্তানৰ জন্ম কেতিয়া হ'ব বা  কিমান হ'ব ? গতিকে আমাৰ চৰকাৰে মহিলাক গুৰুত্ব দিছে। কেৱল পপোলেচন পলিচিতে দিয়া নাই স্বাস্থ্যত দিছে, শিক্ষাতে দিছে। আমাৰ Minority এৰিয়াতে ইউনিভাৰচিটি স্থাপনৰ পদক্ষেপ লৈছে। কেৱল সেয়াই নহয় পঞ্চায়ত নিৰ্বাচনতো মহিলাই ইলেকচন খেলিব পৰাকে Reservation ৰ ঘোষণা কৰা হৈছে । গতিকে এই গোটেইখিনি সামৰি আৰু এটা কথা কব বিচাৰো যে আপোনালোকৰ চাহ বাগানৰ ক্ষেত্ৰতে হওঁক, Minority এৰিয়াতে হওঁক বা আমাৰ Majority এৰিয়াতে হওঁক আমাৰ মহিলা সকলক সবলীকৰণ কৰাৰ ক্ষেত্ৰত এন আৰ এল এম আঁচনিৰ জৰিয়তে মহি লা সকলৰ আত্মসহায়ক গোট সকলৰ প্ৰতিটো গোটত ২৫ হাজাৰ টকাকে Revolving Fund দি তাৰ পিছত ৫ লাখ টকাকে গোটৰ নামত দিয়া হৈছে। যাতে মহিলা সকলে নিজে কিবা এটা কৰি খাব পাৰে। আমি মহিলা সকলক ভোট বেংক কৰি ৰখা নাই। আমি কৈছো যে তোমালোকে হাতে-কামে কিবা এটা কৰি খোৱা। আমাৰ নিচিনা বিধায়ক বিলাকৰ ওচৰত হাত পাতিব নালাগে। আত্মসহায়ক গোট এটাই যদি ৫ লাখ টকাকে পায় তেনেহলে সেইখিনি এটা ব্যৱসায় কৰাৰ বাবে যথেষ্ট। তাৰ লগে লগে চাওঁক ই এণ্ড ডি বিভাগৰ খহনীয়াৰ কথা আপোনালোকে কৈছে। কিন্তু আজি আমাৰ ৫০ বছৰে হাজো সমষ্টিৰ আন্ধোপাৰা অঞ্চলত খহনীয়াই খহনীয়া। চৰকাৰে আঁচনি বনাই খহনীয়া ৰোধৰ কাৰণে কিন্তু, প্ৰতি বছৰে যাতে বাজেট বাঢ়ে তাৰ কাৰণে কাম নকৰে। কিন্তু আমাৰ চৰকাৰ অহাৰ লগে লগে ই এণ্ড ডি বিভাগৰ এক কোটি ৮০ লাখ টকাৰে আন্ধোপাৰাৰ বান্ধৰ কাম আৰম্ভ কৰা হৈ গৈছে। Within one year of our government. গতিকে এনে ধৰণৰ পদক্ষেপ আমাৰ চৰকাৰে লৈছে। গতিকে আমি কব লাগিব যে আমাৰ চৰকাৰৰ যি পদক্ষেপ সেই পদক্ষেপ আজি নৰেন্দ্ৰ মোদী ডাঙৰীয়া শলাগী গ'ল। পল্লৱ লোচন ডাঙৰীয়াৰ যিখিনি কাম আমাৰ ৰাইজে খুব ভাল পাইছে আমাৰ হাজো সমষ্টিক লৈ কৈছোঁ। আগতে ট্ৰেন্সফৰমাৰৰ বাবে হাহকাৰ অৱস্থা আছিল, কাৰেণ্ট নাছিল। আগতে মই যেতিয়া সমষ্টিত গৈছিলো ৰাষ্টাৰ সমস্যা দেখাইছিল, কাৰেণ্টৰ সমস্যা দেখাইছিল, বহুত কেইখন গাওঁ আছিল কাৰেণ্ট নাছিল। এতিয়া মন্ত্ৰীৰ নিচিনা আমাৰো যাবৰ বাবে কাম নোহোৱা হোৱাৰ দৰে। কাৰণ এতিয়া ঘৰে ঘৰে কাৰেণ্ট, গাৱে গাৱে কাৰেণ্ট। এটাও অঞ্চল এতিয়া কাৰেণ্ট নোহোৱাকে নাই। গতিকে আমাৰ চৰকাৰৰ যি নীতি, যি পদক্ষেপ মোৰ ভাল লাগিছে কাৰণ মই আজি সাধাৰণ নাগৰিক হিচাপে কৈছো বিধায়ক হিচাপে নহয়। কাৰণ যিহেতু আমাৰ জনতাৰ চৰকাৰ আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এটা কথা বাৰে বাৰে কৈছে যে তোমালোকে ৰাইজৰ মাজত যোৱা ৰাইজৰ লগত থাকা ৰাইজৰ মতামতটো আমাৰ ওচৰত দাঙি ধৰা। স্কীল ডেভলপমেন্ট ট্ৰেনিঙৰ ক্ষেত্ৰত কওঁ যি ইনদাষ্ট্ৰি অসমলৈ আহি আছে সেই কোম্পানীত বহুত কৰ্মচাৰী নিয়োগ হ'ব সেইটো আমাৰ সকলোৱে স্বাগতম জনাইছে। কাৰণ বহুত Employment ৰ সমস্যা দূৰ হব। কিন্তু তাৰ লগে লগে আমাৰ স্কীল লেবাৰৰ অলপ অভাৱ আছে। যিখিনি কোম্পানী বা ইনদাষ্ট্ৰি আমাৰ অসমলৈ আহিব তেওঁলোকে স্থাপন কৰাৰ লগে লগে এটা ট্ৰেইনিংৰ যাতে ব্যৱস্থা হয়, তেওঁলোকৰ ৰিকুৱাৰমেন্ট অনুযায়ী যাতে স্কীলৰ ট্ৰেনিং দিয়া যায় তেতিয়া হলে হয়তো বাহিৰৰ পৰা আমাৰ স্কীল লেবাৰ আনিব লগা নহয়। কাৰণ আমি নিবিচাৰিম যে আমাৰ যিখিনি কাম কৰিব, আমাৰ ল'ৰা-ছোৱালীয়ে যি কাম কৰিব তেওঁলোকে যাতে অৰ্ডিনাৰী আনস্কীল লেবাৰ হৈ নাথাকক।  তেওঁলোক স্কীল লেবাৰ হওঁক। কিন্তু বহুত ক্ষেত্ৰত দেখা যায় কোম্পানী বিলাকৰ requirement বেলেগ থাকে, সেই বাবে তেওঁলোকে স্থাপন কৰাৰ আগতে

যাতে আমাৰ ল'ৰা-ছোৱালীখিনিক ট্ৰেনিং দিয়া হয়। লগতে যিটো ৰাজসাহাৰ্য্য সেই ক্ষেত্ৰত বাইন্দিং ৰাখিলে ভাল হয়। গতিকে আপোনালোকক ধন্যবাদ জনাওঁ আমাৰ চৰকাৰৰ যিখিনি আঁচনি আছে যিখিনি ফিল্ডত কাম কৰিছো ৰাইজৰ মাজত আমাৰ সমাদৰ বাঢ়িছে । We are proud to be the part of this Government লগতে বিৰোধী পক্ষকো আহ্বান জনাওঁ আপোনালোকে যি ধন্যবাদ সূচক প্ৰস্তাৱৰ বিপক্ষে কৈছে আপোনালোকে প্ৰত্যাহাৰ কৰক আৰু আমাৰ চৰকাৰক পৰিবৰ্তন আনিবলৈ সহায় কৰক। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া ঋতুপৰ্ণ বৰুৱা।

**শ্ৰী ঋতু পৰ্ণ বৰুৱা, লাহোৱাল ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ৬ তাৰিখে ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য দেবানন্দ হাজৰিকাই যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছিল সেই ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থনত মই দুআষাৰ ক'ব বিচাৰিছোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল দেৱৰ নেতৃত্বত আমাৰ মিত্ৰজোটৰ চৰকাৰ গঠন হোৱাৰ পাছত সমগ্ৰ অসমত এক আশাঁৰ বতৰা কঢ়িয়াই লৈ আহিল। আজি সমগ্ৰ অসমত এটা আশাৰ বতৰা , অনুকুল পৰিবেশ, বিনিয়োগ পৰিবেশ সৃষ্টি হৈছে। যোৱা ফেব্ৰুৱাৰী মাহৰ ৩ আৰু ৪ তাৰিখে সৰুসজাইত যি এডভাণ্টেজ আচাম বিশ্ব বিনিয়োগ শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হ'ল ,প্ৰায় ২১ খন ৰাষ্ট্ৰৰ প্ৰতিনিধি , বিশ্বৰ বৃহৎ উদ্যোগপতি, এছিয়ান দেশ সমূহৰ প্ৰতিনিধি সকলৰ মাজত আজি মহামিলন অনুষ্ঠিত হ'ল, সেইটোৱে প্ৰমাণ কৰিলে যে, আমাৰ অসমত এটা বিনিয়োগৰ পৰিবেশ আৰম্ভ হ'ল। তাত উদ্যোগপতি সকলে মুকলি প্ৰস্তাৱ আগবঢ়াইছে বহু MOU স্বাক্ষৰিত হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা দুদিনমান আগতে মোৰ ডিব্ৰুগড়ৰ এজন ভাতৃপ্ৰতিম তেওঁ হায়দ্ৰাবাদত কৰ্মৰত। মেট্ৰিকত , হায়াৰছেকোণ্ডাৰীত ষ্টেণ্ড কৰা চোকা অভিযন্তা তেওঁ মোক ফোন কৰি কৈছে যে, দাদা, ইয়াত চাৰি বছৰ এটা ডাঙৰ কোম্পানীত চাকৰি কৰি আছো কিন্তু দ্বিতীয় শ্ৰেণীৰ নাগৰিক হৈ আছিলোঁ কিন্তু যিদিনাই আমাৰ এই submit হ'ল, বিশ্ববিনিয়োগকাৰী সকল গুৱাহাটীত ৩,৪ তাৰিখে মিলিত হল,তেতিয়াৰ পৰা সম্পূৰ্ণ পৰিবেশ সলনি হ'ল। সকলোৱে আমাক সুকীয়া দৃষ্টিভঙ্গীৰে চাইছে। এতিয়াৰ দৃষ্টি ভঙ্গী আৰু তেতিয়াৰ দৃষ্টিভঙ্গীৰ ভাৰিব নোৱাৰা পাৰ্থক্য আহিছে। অসমত যে এনে ধৰণৰ বিনিয়োগ কৰিব পাৰে তেনেধৰণৰ চিন্তা সকলোৰে চিন্তা ধাৰাৰ বাহিৰত আছিল। গতিকে এইটোৱেই আমাৰ বাহিৰত থকা মেধাসম্পন্ন যুবক-যুবতী সকলক গৌৰৱান্বিত কৰিছে। আজি গোটেই ভাৰতবৰ্ষৰ, বিশ্বৰ ডাঙৰ ডাঙৰ বিজনেচ হাউচবোৰত অসমত বিনিয়োগৰ সম্পৰ্কত আলোচনা হৈছে। মত বিনিময় কৰিছে। আমাক এটা সাংঘাতিকভাৱে ভাল পৰিবেশৰ ফালে আগবঢ়াই লৈ গৈছে। গতিকে আজি এই মুহূৰ্তত সচাঁকৈয়ে ধন্যবাদ জনাব লাগিব মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক , আমাৰ চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াক আৰু তেখেতৰ টিমক যে যোৱা এটা মাহ ধৰি কৰা ঐকান্তিক প্ৰচেষ্টাৰে এনেধৰণৰ বিশ্ববিনিয়োগ কাৰীৰ সন্মিলন অনুষ্ঠিত কৰি আমাৰ সম্পত্তিৰে ভৰা অসমখন এই পৰ্য্যায়লৈ যাব পাৰে তাৰ চিন্তা যে কৰিলে তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৱে জানো স্বাধীনতাৰ আগৰে পৰা ব্ৰীটিছে উদ্যোগীকৰণ আৰম্ভ কৰিছিল তাৰ পাছৰ পৰা কিন্তু আমাৰ অসমখনক বা উত্তৰ পূৰ্বাঞ্চলক ভাৰতবৰ্ষৰ মানচিত্ৰত বা বিশ্বৰ মানচিত্ৰত এখন খুব জঙ্গল ৰাজ্য বুলি কোৱা হয় বা আন্দোলনৰ ৰাজ্য বুলি কোৱা হয়। এফালে আলফা থাকে, এফালে এন ডি এফ বি থাকে, কেতিয়াবা ধৰ্ণা হয়,কেতিয়াবা আন্দোলন হয়, বিভিন্ন সংগঠন থাকে । এনেকুৱা এটা নেতিবাচক কথাই গোটেই ভাৰতবৰ্ষত উদ্যোগ পতিয়ে হওঁক বা ৰাজনৈতিক প্ৰেক্ষাপটতে হওঁক সকলোতে অসমৰ সম্পৰ্কে হওঁক বা নৰ্থ ইষ্ট সম্পৰ্কেই হওঁক এনেকুৱা এটা

ধাৰণা আছিল। কিন্তু এতিয়া এই ধাৰণা সলনি হ'ল। এনেকুৱা ধাৰণা সলনি কৰাৰ যি পৰিবেশ সৃষ্টি কৰিলে তাৰ বাবে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক পুনৰবাৰ ধন্যবাদ জনাইছোঁ। বিৰোধী সকলেও চামিটৰ খতিয়ানৰ প্ৰশংসা কৰিছে। তাৰ বাবেও ধন্যবাদ জ্ঞাপন কৰিছো আৰু তেওঁলোকেও ধন্যবাদ জনোৱা উচিত। আপোনালোকে লক্ষ্য কৰিব যে অসমত তিনিদিন ধৰি অসমৰ বাতৰি কাকতেই হওঁক বা সকলোতে অসমত যে ব্যৱসায় কৰিব পাৰি, অকল বিজনেচ সম্পৰ্কত আলোচনা হোৱা নাই। বাতৰি কাকত সমূহেও পৃষ্টা ভৰাই দিলে যে, বিনিয়োগ সম্পৰ্কত কেতিয়াও এনেকুৱা আলোচনা হোৱা নাই। বেলেগ বেলেগ বিষয় সমূহ আলোচনা হয়। ক'ৰবাত আন্দোলন হয়,কৰবাত হত্যা হয়, ধৰ্ষণ হয়, বোম ফুটিলে কেবল এনেকুৱা ধৰণৰ বিষয়বোৰে বাতৰি কাকতত স্থান পায়। প্ৰথমবাৰৰ কাৰণে অকল ব্যৱসায় সংক্ৰান্তত , তিনিটা দিন অসমৰ বাতৰি কাকত,ইলেকট্ৰনিক মিডিয়াত অসমত ব্যৱসায়ী কেনেধৰণে ইনভেষ্ট কৰিব পাৰি আমাৰ ভৱিষ্যতৰ প্ৰজন্মৰ কাৰণে তাৰে আলোচনা কৰিছে। গতিকে এইটোৱেই নিশ্চিয় আমাৰ অসমখনৰ কাৰণে আশাঁৰ বতৰা কঢ়িয়াই আনিছে। উপাধ্যক্ষ মহোদয়, আশাৰ বতৰা আৰু কঢ়িয়াই আনিছে টুইন টাৱাৰ ৬৫ মহলীয়া এটা বাণিজ্য কেন্দ্ৰ। অসমত আমি কোনেও ভাবিব নোৱাৰা কথা। আগতে কোনেও ভাবিব পৰা নাছিল যে অসমত ৬৫ মহলীয়া টুইন টাৱাৰ হ'ব। য'ত ডাঙৰ ডাঙৰ মাল্টি নেচনেল কোম্পানীৰ অফিচ থাকিব। ডাঙৰ ডাঙৰ কমপ্লেক্স থাকিব। ৪০০০,৫০০০ গাড়ী একেলগে থাকিব পাৰিব আৰু ডাঙৰ ডাঙৰ কোম্পানীবোৰে ইয়াত অফিচ কৰিব। তেনেধৰণৰ কথা ইয়াত কোনেও ভাবিব পৰা নাছিল। বাস্তৱ হ'বলৈ গৈ আছে। অহা মাহৰ পৰা কাম আৰম্ভ হ'ব। ইতিমধ্যে MOU চুক্তি স্বাক্ষৰিত হৈছে। এইটো এটা আশাৰ বতৰা। আমাৰ পলিচিৰ যিটো ধাৰা এই ধাৰাটোত টুইন টাৱাৰে এটা নতুন গতি দিব বুলি আশা কৰিছোঁ। গতিকে এই ৬৫ মহলীয়া টুইন টাৱাৰে এটা আশাৰ বতৰা কঢ়িয়াই আনিছে ৰাজ্যখনলৈ। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ নতুন প্ৰজন্মৰ উঠি অহা ছাত্ৰ-ছাত্ৰী সকলে আঁশাৰ সপোন দেখিছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দুৰ্নীতিৰ বিৰুদ্ধে যিটো জেহাদ ঘোষণা কৰিছে, দুৰ্নীতিৰ বিৰুদ্ধে যিটো কঠোৰ স্থিতি গ্ৰহণ কৰিছে তাৰ কাৰণে অসমৰ উঠি অহা প্ৰজন্মই আশাৰ নতুন ৰেঙণি দেখিছে।কোনেও ভৱা নাছিলে আজিৰ পৰা দুবছৰৰ আগতে ভালদৰে পঢ়াশুনা কৰি চাকৰি লব পাৰিম বুলি। কোনো ছাত্ৰ-ছাত্ৰী বা অভিভাৱকে ভাবিব পৰা নাছিল। পঢ়ি শুনিনো কি হ'ব , চাকৰি পাবলৈ লাখ লাখ টকা ঘোচ দিব লাগিব। কোনেও ভবা নাছিল যে, এ পি এচ চি ৰ চেয়াৰমেনক জেলত ভৰাব পাৰিব। আগৰ চৰকাৰে এ পি এচ চি ৰ চেয়াৰমেনক নিযুক্তি দিছিল। এ পি এচ চি ত প্ৰিলিমিনাৰী মেইন পৰীক্ষাটো ঘৰত বহি,কোনে হোষ্টেলত বহি পৰীক্ষা দিছিল। বেলেগেও পৰীক্ষা দিছিল আৰু এনেকুৱা এটা জঘন্য কাণ্ড সংঘটিত হৈছিল আৰু আমাৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ ডাঙৰীয়াই অতি শক্তিশালীভাৱে এজন এজনকৈ জেলত ভৰাইছে। আমাৰ নতুন প্ৰজন্মই এইটো নতুন আশাৰ ৰেঙণি দেখিছে। ডিব্ৰুগড়ৰ এজন প্ৰতিষ্ঠিত কিতাপ বিক্ৰেতাই মোক কৈছিলে যে, কম্পিটেটিভ এগজাম হোৱাৰ আগে আগে বহুত কিতাপ পত্ৰ বিক্ৰী হয়। মই শুধিলো তাৰমানে কি?তেতিয়া কলে যে তাৰমানে এইটোৱে যে, আজিৰ ছাত্ৰ -ছাত্ৰী সকলৰ বিশ্বাস আহি গ'ল ব্যৱস্থাটোৰ প্ৰতি যে, আমি ভালকৈ পঢ়িলে, লিখিলে , পৰীক্ষাত পাছ কৰিলে চাকৰি পাবলৈ সক্ষম হ'ম। এইটো এটা অতি ইতিবাচক কথা। এইটোৱে এটা ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ,অভিভাৱক সকলৰ মাজত আশাৰ বতৰা কঢ়িয়াই আনিছে।তেওঁলোকে আগতে ভাবিছিল এ পি এচ চি চাকৰি পাবলৈ হ'লে আমি লাখ-লাখ টকা লাগিব। কিন্তু এতিয়া এই দিন উকলিল। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আজি এ পি এচ চি আৰু গৱৰ্ণমেণ্টৰ যিখিনি পৰীক্ষা তাৰবাবে ভালদৰে পঢ়াশুনা কৰিছে। প্ৰস্তুতি চলাইছে। গতিকে উপাধ্যক্ষ

মহোদয়, আমি বেচিভাগেই মাতৃভাষা মাধ্যমৰ পৰা হয়তো আহিছোঁ। কিন্তু মাতৃভাষা মাধ্যমৰ বিদ্যালয় সমূহ জহি খহি গৈছে। সাধাৰণতে মধ্যবিত্তই হওঁক বা উচ্চ শ্ৰেণীৰ মানুহে হওঁক মাতৃভাষাৰ বিদ্যালয়ত পঢ়াৰ পৰিবেশটো নাইকীয়া হৈ গৈছিল। কিন্তু গুনোৎসৱৰ পাছত এতিয়া ওভতনি যাত্ৰ আৰম্ভ হৈছে। .মোৰ সমষ্টিত এতিয়া বহু অসমীয়া মাধ্যমৰ বিদ্যালয়ত বহু ছাত্ৰকে seat দিব পৰা নাই। অৰ্থাৎ মাতৃভাষাৰ মাধ্যমৰ বিদ্যালয় সমূহলৈ শিক্ষাৰ্থী সকল পুনৰ ঘূৰি আহিছে। গতিকে মাতৃভাষা মাধ্যমৰ বিদ্যালয়লৈ ই এটা আশাৰ বতৰা কঢ়িয়াই আনিছে। গুণোৎসৱৰ পিছত আমাৰ মাতৃভাষাৰ প্ৰতি আমাৰ প্ৰজন্মৰ মাজত এটা খুবেই ইতিবাচক ধাৰণা গঢ় লৈ উঠিছে। গুণোৎসৱত বহু ল'ৰা ছোৱালীয়ে অংশগ্ৰহণ কৰিছে, সেই স্কুলখনৰ কাষৰ স্থানীয় ৰাইজেও অংশগ্ৰহণ কৰিছে, আৰু তাৰ জৰিয়তেই আমাৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয় সমূহৰ গোটেই পৰিৰেশটো সলনি হৈ পৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিশ্বাস যে, পৰৱৰ্তী কেই বছৰ মানৰ পিছত আমি পূৰ্বৰ সত্তৰ দশক, আশী দশকৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়লৈ পুনৰ ঘূৰি যাম। আমাৰ চৰকাৰৰ কাৰ্য্যকালত ই এক আশাৰ বতৰা কঢ়িয়াই আনিছে। অধ্যক্ষ মহোদয়, এই যে আমাৰ চৰকাৰৰ কাৰ্য্যকালত নমামী ব্ৰহ্মপুত্ৰ, নমামী বৰাক নদী মহোৎসৱ পাতিছে, এই ক্ষেত্ৰত বিৰোধী সকলে কেতিয়াবা কয় যে, এওঁলোকে ব্ৰহ্মপুত্ৰত পূজা পাতিছে, বহুত বৰষুণ দিয়াৰ বাবে পূজা কৰিছে, এনে বিভিন্ন ধৰণৰ সস্তীয়া কথা কয়। লগতে, আমি সদায় ব্ৰহ্মপুত্ৰক সমস্যা ৰূপেহে গণ্য কৰি আহিছো, ব্ৰহ্মপুত্ৰই আমাক বানপানী দিয়ে, গৰা-খহনীয়া দিয়ে, এনেধৰণৰ নেতিবাচক কথা আমি প্ৰায়ে শুনি আহিছো। কিন্তু লুইতখন যে আমাৰ আপুৰুগীয়া সম্পদ সেই কথাটো অকল ব্ৰিটিছ সকলেহে ভাৰি পাইছিল। যাৰ কাৰণে ব্ৰহ্মপুত্ৰক সম্পদ ৰূপে গণ্য কৰি সুদূৰ শদিয়া, ডিব্ৰুগড়, বাংলাদেশৰ পৰা বস্তু-বাহানি আনিবলৈ যোগাযোগৰ মাধ্যম হিচাপে জাহাজ চলা-চল কৰিছিল। কিন্তু আমি স্বাধীনতাৰ দিনৰে পৰাই ব্ৰহ্মপুত্ৰ নদীখন যে আমাৰ সম্পদ, আমাৰ সৰ্বোচ্চ, সেই কথাবোৰত গুৰুত্ব দিব পৰা নাই। প্ৰথম বাৰৰ বাবে মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই পৰ্য্যটনৰ বিকাশৰ বাবে মাধ্যম স্বৰূপ ব্ৰহ্মপুত্ৰ নদী যে আমাৰ সম্পদ, আমাৰ সৰ্বোচ্চ সেই কথা উপলব্ধি কৰিবলৈ শিকালে। সমগ্ৰ বিশ্বত ব্ৰহ্মপুত্ৰ নদী সম্পৰ্কত যি ধাৰণা আছিল, সেইটো সলনি হ'ল।

**মাননীয় উপাধ্যক্ষঃ** চমুকৈ কওঁক।

**শ্ৰী ঋতুপৰ্ণ বৰুৱা, (লাহোৱাল)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কিছু দিন পূৰ্বে ডিব্ৰুগড়ত আন্তঃৰাষ্ট্ৰীয় কৃষি মেলা অনুষ্ঠিত হৈ গ'ল। প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত কৃষি শস্য উদ্যান মেলা অনুষ্ঠিত হয় আৰু তাৰ বাবে মই কৃষি মন্ত্ৰী অতুল বৰা ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰিছো। পূৰ্বতে মেলা সমূহ গুৱাহাটীত অনুষ্ঠিত হৈছিল বাবে গুৱাহাটীৰ বাহিৰৰ প্ৰকৃত খেতিয়ক সকল সেই অনুষ্ঠানলৈ আহিবলৈ অসুবিধা পাইছিল। এতিয়া এই মেলা ডিব্ৰুগড়ত হোৱা বাবে লখিমপুৰ, ধেমাজি, শিৱসাগৰ, যোৰহাটৰ প্ৰকৃত খেতিয়ক সকলে তালৈ গৈ উপলব্ধি কৰিব পাৰিছে যে, কৃষি কৰিও সন্মান লাভ কৰিব পাৰি, আগবাঢ়ি যাব পাৰি। কৃষিৰ ক্ষেত্ৰখনতো যে বিভিন্ন ধৰণৰ প্ৰযুক্তি আছে যাৰ জৰিয়তে কৃষি মাধ্যমটো উন্নত কৰিব পাৰি সেই কথাখিনি প্ৰথম বাৰৰ বাবে উপলব্ধি কৰে। মই চৰকাৰক পূৰ্ণ সমৰ্থন কৰি মাননীয় দেৱানন্দ হাজৰিকা ডাঙৰীয়াই যি প্ৰস্তাৱ দাঙি ধৰিছে তাৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস, (মংগলদৈ)ঃ** ধন্যবাদ, উপাধ্যক্ষ মহোদয়। যোৱা ০৬-০২-২০১৮ তাৰিখে অসমৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই যি ভাষণ ইয়াত প্ৰদান কৰিছিল, সেই ভাষণৰ ধন্যবাদ সূচক

প্ৰস্তাৱত শ্ৰদ্ধেয় বিধায়ক দেবানন্দ হাজৰিকা ডাঙৰীয়াই যি প্ৰস্তাৱ আগবঢ়াইছিল সেই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই মই দু-আষাৰ ক'বলৈ লৈছো। আমাৰ চৰকাৰখনে ইতিমধ্যে যিখিনি আঁচনি লৈছে সেইবোৰ ইয়াত বিভিন্ন জন বিধায়কে প্ৰকাশ কৰিছে। আমাৰ চৰকাৰ খনে লোৱা মূল আঁচনিখন অলপ দিনৰ আগতে 'Advantage Assam' শীৰ্ষক সন্মিলন হিচাপে আয়োজন কৰা হ'ল য'ত বিভিন্ন দেশ-বিদেশৰ কোম্পানী সমূহে ভাগ লৈছিল । গতিকে য'ত বিনিয়োগ আছে তাত নিয়োগ ও আছে। ইতিমধ্যে আমাৰ অসমত প্ৰায় ১৯ লাখ নিবনুৱা registered আছে সেই সমূহক সংস্থাপিত কৰিবলৈ ই এক বিশেষ পদক্ষেপ। সিদিনা যেতিয়া মহামান্য ৰাজ্যপাল ডাঙৰীয়াই তেওঁৰ ভাষণ পাঠ কৰিব লৈছিল, তেওঁৰ ভাষণৰ এটা পৃষ্ঠা যোৱাৰ পিছত ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ অসমৰ প্ৰতি ভাল দৃষ্টি নাই বুলি বিৰোধী সকস্যসকলে বিৰূপ মন্তব্য কৰি এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰিছিল। কিন্তু ইয়াৰ পৰা এটা কথাই প্ৰমাণ হ'ল যে ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী গৰাকী, Advantage Assam শীৰ্ষক যিখন Global Investment Summit হ'ল তাৰ in-auguration কৰিবলৈ আহি তেওঁ ভাষণত ডঃ ভূপেন হাজৰিকাৰ এটি গীতৰ কলিৰে অসমৰ মুখ্য মন্ত্ৰী জনক ভূয়সী প্ৰশংসা কৰিছিল- " অগ্নি যুগৰ ফিৰিঙতি মই, নতুন অসম গঢ়িম, সৰ্বহাৰাৰ সৰ্বোচ্চ পুনৰ ফিৰাই আনিম, নতুন অসম গঢ়িম" । অসমৰ মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই অসম খনক নতুনকৈ গঢ়াৰ বাবে যি সংকল্প আৰু পৰিকল্পনা কৰিছে, সেই সকলোখিনি সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা দেৱৰ ভৱিষ্যত বাণীয়ে প্ৰমাণিত কৰিছে। আজি আমাৰ চৰকাৰ খনে নমামী ব্ৰহ্মপুত্ৰ আয়োজন কৰিছিল। বিভিন্ন জনে বিভিন্ন মন্তব্যও ৰাখিছিল। কিন্তু ভাৰতৰ হাজাৰ বছৰৰ সংস্কৃতি, নদী, গছ-গছনি, প্ৰকৃতিক পূজা কৰি আহিছিলো। কালক্ৰমত, আমি সকলোকে ভাগ ভাগ কৈ পূজা কৰিবলৈ ল'লো। ভাৰতবৰ্ষৰ সংস্কৃতিক আৰু ব্ৰহ্মপুত্ৰক সম্পদ বুলি আমাৰ চৰকাৰ খনে গণ্য কৰি নদী মাতৃক পূজা যেনে নমামী ব্ৰহ্মপুত্ৰ শীৰ্ষক উৎসৱ আয়োজন কৰিছে। সেয়ে ব্ৰহ্মপুত্ৰৰ খনন কাৰ্য্যটো গুৰুত্ব প্ৰদান কৰি ইতিমধ্যে আমাৰ চৰকাৰ খনে এক বলিষ্ঠ পদক্ষেপ হাতত লৈছে। কাৰণ ব্ৰহ্মপুত্ৰ হ'ল অসমৰ আয়ুস ৰেখা স্বৰূপ। অসমত শান্তি সম্প্ৰীতি ইতিমধ্যে বিৰাজমান হৈ আছে কাৰণে আমাৰ চৰকাৰ খনে যি Advantage Assam ৰ আয়োজন কৰিছে তাত দেশ-বিদেশৰ বিনিয়োগকাৰী সকলে বিনিয়োগ কৰিবলৈ আগবাঢ়ি আহিছে। অসমৰ মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰখন সুন্দৰ ভাৱে চলি আছে। যেনে, আজি যদি উদ্যোগ ক্ষেত্ৰলৈ চোৱা যায়, ছিংগাপুৰৰ লগত যিখন চুক্তি হৈছে সেই চুক্তিৰ যিখন Skill City আমাৰ সমষ্টি মংগলদৈত দিবলৈ অসম চৰকাৰ, মুখ্যমন্ত্ৰী তথা উদ্যোগ মন্ত্ৰীয়ে যি বলিষ্ঠ পদক্ষেপ লৈছে তাক মই আদৰণি জনাই ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ ইয়াত যিবোৰ Unskilled তথা drop out students আছে, তেওঁলোক যাতে কৌশলগত ভাৱে দক্ষ হ'ব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই Skill City ৰ আয়োজন কৰিছে। ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত যি সমূহ Skill Centre ইতিমধ্যে চলি আছে সেই Skill Centre সমূহৰ জৰিয়তে বিভিন্ন যুৱক-যুৱতী সংস্থাপিত হৈছে। সেই Skill Centre সমূহত যি সকল drop out students আছে, তেওঁলোকৰ কাৰণে বিশেষভাৱে সংৰক্ষিত আছে ।

(The Hon'ble Deputy Speaker on the Chair)

কাৰণ অসমত এনেকুৱা এটা পৰিৱেশ হৈছিল যে কোনোবাই মেট্ৰিক পাচ কৰি Higher Secondary পঢ়িবলৈ আৰ্থিক ভাৱে সৱল হোৱা নাছিল। এনেকুৱা অৱস্থা আছিল যে Higher Secondary পাছ কৰি BA, BSC বা BCOM ত নাম ভৰ্ত্তি কৰিবলৈ সক্ষম নহয়। আমাৰ

চৰকাৰখন হোৱাৰ পিছতেই ইয়াত বলিষ্ঠ পদক্ষেপ লৈছে। কাৰণ আমাৰ চৰকাৰখনে এতিয়ালৈকে সূতা, কম্বল বিনামুলীয়া ব্যৱস্থাকৰণ কৰিছে। যি শিক্ষাই সমাজ সংস্কাৰ কৰে। তাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা ব্যৱস্থাটোক বিনামূলীয়া কৰাৰ চেষ্টা কৰিছে। এতিয়া আমি মেট্ৰিক পাছ কৰি ঘৰতে বহি থকা ছাত্ৰ-ছাত্ৰী দেখিবলৈ নাপাওঁ। Higher Secondary পাছ কৰি বহি থকা ছাত্ৰ ছাত্ৰী আমি নাপাম আৰু অসমত। আমি নাই বুলি কব পাৰিম। মংঙ্গলদৈ মহাবিদ্যালয়ত যোৱাবাৰ প্ৰায় ১২০০-১২৫০ ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়াকৈ নামভৰ্ত্তি কৰাৰ সুবিধা পাইছে। দৰিদ্ৰতা যাতে শিক্ষাৰ ক্ষেত্ৰত হেঙাৰ হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ চৰকাৰখনে ইয়াত পৰিবৰ্তনকামী আঁচনি, বলিষ্ঠ আঁচনি লৈ শিক্ষা ব্যৱস্থাটোক বিনামূলীয়া কৰিছে, যি শিক্ষাই সমাজ সংস্কাৰ কৰে। মই অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। এই সদনৰ জৰিয়তে মই মাননীয় শিক্ষামন্ত্ৰী শ্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো গুনোৎসৱৰ কাৰণে। যি নমস্য ব্যক্তি সকলে তেওঁলোকৰ অঞ্চল সমূহত এক দূৰদৰ্শী বা ইতিবাচক চিন্তা মানসিকতা গঢ় লৈ এই বিদ্যালয় সমূহ স্থাপন কৰিছিল, অথাৎ বিদ্যালয়খিনি আৰু বোধকৰো আমি যিসকল সদনত আছো সেই বিদ্যালয় সমূহত শিক্ষা গ্ৰহণ কৰা। কিন্তু ক্ৰমান্বয়ে সেই বিদ্যালয় সমূহৰ প্ৰতি বিশ্বাস-আশ্বাস ঘূৰাই আনিবৰ কাৰণে এই গুনোৎসৱৰ আয়োজন কৰা হ'ল। এই গুনোৎসৱৰ জৰিয়তে প্ৰতিভাৱান শিশুসকলক আমি বিচাৰি পাইছো। তাৰ লগে লগে আমাৰ অভিভাৱক সকল আগ্ৰহী হৈছে। ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ পৰিমাণ বৃদ্ধি হৈছে আৰু উৎসাহ দেখিবলৈ পোৱা গৈছে। কাৰণ মই গুণোৎসৱৰ সময়ত সমষ্টিৰ বিভিন্ন স্কুল সমূহলৈ গৈছিলো। বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ লগত মত বিনিময় কৰিছিলো। গ্ৰামাঞ্চলৰ এই বিদ্যালয় সমূহত বহু প্ৰতিভাৱান ছাত্ৰ ছাত্ৰী আছে। তেওঁলোকৰ লগত মত বিনিময় কৰোতে তেওঁলোকৰ প্ৰতিভা সমূহ প্ৰকাশ পাইছে। এই গুণোৎসৱৰ জৰিয়তে আমাৰ অসমৰ শিক্ষা ব্যৱস্থাটোক নতুন ৰূপ লোৱা বুলি বিশ্বাস কৰিব পাৰো। কাৰণ গুনোৎসৱৰ জৰিয়তে এতিয়া আমি মংগলদৈৰ বহু কেইখন চৰকাৰী বিদ্যালয়ত প্ৰাইভেট বিদ্যালয়ৰ পৰা ছাত্ৰ ছাত্ৰী আহি নাম ভৰ্ত্তি কৰা দেখিবলৈ পাইছো। অভিভাৱক সকলে সুধিছে যে অহা বছৰ গুনোৎসৱ আয়োজন কৰা হ'বনে নহয়। এই কথাবিলাকে এটা কথাই প্ৰমাণিত কৰিছে যে গুনোৎসৱৰ জৰিয়তে শিক্ষা ব্যৱস্থাৰ মানদণ্ড বহুত ওপৰলৈ গৈছে আৰু আগতকৈ গুনগত মানদণ্ডৰ শিক্ষা বহু পৰিমাণে বৃদ্ধি হোৱা দেখা গৈছে। তাৰ লগে লগে আমাৰ চৰকাৰখনে সমাজ ব্যৱস্থাৰ প্ৰত্যেকটো দিশত অসমত বসবাস কৰা বিভিন্ন জাতি- জনগোষ্ঠী, ভাষা ভাষী তথা সকলো ধৰ্মৰ লোককে চুই গৈছে। স্বাস্থ্য খণ্ডটো বহুটো পৰিবৰ্তন আহিছে। blood test কৰিবৰ কাৰণে বহুটো পইচাৰ প্ৰয়োজন। চিকিৎসকক দেখুওৱাৰ পিছত বিভিন্ন ধৰণৰ blood test কৰিবলৈ দিয়ে। বহুটো এনেকুৱা দুখীয়া দৰিদ্ৰ পৰিয়ালক লোকে ভাল চিকিৎসা নাপায়। কাৰণ blood test কৰিবলৈ তেওঁলোকৰ পইচা নাথাকে। সেয়ে উচিত চিকিৎসাৰ পৰা তেওঁলোক বাদ পৰি যায়। স্বাস্থ্য খণ্ডত এনেকুৱা পৰিবৰ্তন আহিছে যে কেইদিনমান আগতে মঙ্গলদৈত প্ৰায় ৫৬ টা test ৰ এটা লেবৰটৰী হৈছে য'ত চিটি স্কেন, এক্সৰে সকলোবিলাক ফ্ৰি কৰি কৰাৰ ব্যৱস্থা কৰা হৈছে যাতে আমাৰ দুখীয়া প্ৰত্যেক গৰাকী ব্যক্তিয়ে উচিত চিকিৎসা পাব পাৰে। আমাৰ চৰকাৰ খনে প্ৰত্যেক গৰাকী ব্যক্তিক প্ৰত্যেক বিষয়ত চুই গৈছে। অটল অমৃত যোঁজনাৰ কথা আমাৰ প্ৰত্যেকজন সদস্যই কৈছে। ইতিমধ্যে দৰং জিলাৰ প্ৰায় বহুকেইজন লোকে বিভিন্ন কেঞ্চাৰ ৰোগী বা ছয়টাকৈ যি দূৰাৰোগ্য ৰোগ আছে সেই ৰোগী

সকলে ২ লাখকৈ টকা লাভ কৰিবলৈ সক্ষম হৈছে। কেঞ্চাৰ ৰোগী বা কিডনী ৰোগী যাৰ ঘৰত আছে সেই সকলে বুজি পায় যে পইচাৰ কিমান প্ৰয়োজন। তেওঁলোকৰ মাটিবাৰী বিক্ৰী যোৱাৰ বহুত উদাহৰণ আছে আৰু এই বাৰ স্বাস্থ্যখণ্ডত পৰিবৰ্তন আনিছে অটল অমৃত অভিযান কাৰ্ড। আগতীয়াকৈ তাৰ ব্যৱস্থা কৰণ কৰা হৈছে। ২ লাখৰ এখনকৈ প্ৰত্যেকক কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিছে। সেই কাৰ্ডৰ জৰিয়তে অতি দুখীয়া পৰিয়ালৰ যদি কাৰোবাৰ হয় ( মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে কাৰো নহয়) ২ লাখ টকালৈকে তেওঁলোকে সকাহ পাব। এই কাৰণে মই অসম চৰকাৰৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ লগতে স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো। তাৰ লগে লগে বীমাকৰণ ব্যবস্থাটো  প্ৰত্যেকৰে কৰিছে। আজি পশু বীমাকৰণৰ ব্যৱস্থা কৰা হৈছে। তাৰ লগে লগে আমাৰ চতুৰ্থ স্তম্ভ সাংবাদিক সকল, তেওঁলোকৰ কাৰণে আজি আমাৰ চৰকাৰখনে সাংবাদিক পেঞ্চন, সাংবাদিক বীমা আঁচনিৰ ব্যৱস্থা কৰিছে আৰু গনৰাজ্য দিৱসৰ দিনা সাংবাদিক সকলক বঁটা প্ৰদান কৰা হৈছে। এইবাৰ জেষ্ঠ সাংবাদিক মাননীয় শ্ৰী কনকসেন ডেকা ডাঙৰীয়াক বঁটা প্ৰদান কৰা হৈছে। তাৰ লগে লগে আমাৰ চৰকাৰখনে কৃষি খণ্ডত এটা পৰিবৰ্তন আনিছে। ইতিমধ্যে এই কথাখিনি সকলোৰে কৈছে যে আমাৰ ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী মাননীয় শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৃষকৰ আয় দুগুন কৰাৰ ব্যৱস্থাকৰণৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি অলপ চুটি কৰিলে ভাল হয় আৰু বহুকেইজন মাননীয় সদস্যই ক'বলৈ আছে। আৰু দুই মিনিট সময় আপোনাক দিয়া হৈছে।

**শ্ৰী গুৰুজ্যোতি দাস ঃ** আমাৰ কৃষক সকলৰ আয়বৃদ্ধিৰ কাৰণে মাটিৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা হৈছে আমাৰ যেনেকৈ স্বাস্থ্য পৰীক্ষা কৰো তেনেদৰে মাটি পৰীক্ষা কৰি kishan Health Card প্ৰদান কৰা হৈছে। প্ৰায় ২ লাখতকৈ অধিক kishan Credit Card ইতিমধ্যে প্ৰদান কৰা হৈছে। তাৰ লগে লগে আমাৰ পৰিবেশ আৰু বনৰ চাৰিকোটি গছপুলি প্ৰায় ১৯ হাজাৰ হেক্টৰ ভূমিত ৰোপন কৰাৰ ব্যৱস্থা কৰা হৈছে। কাৰণ উদ্যোগিকৰণৰ লগে লগে আমাৰ প্ৰাকৃতিক পৰিবেশ দুষিত হ'ব পাৰে বুলি আমাৰ বিৰোধীয়ে কোৱা শুনিছো। তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰায় চাৰিকোটি গছপুলি ৰোপন কৰা  হৈছে । দীপৰ বিলৰ কাষত থলুৱা প্ৰাকৃতিক গছপুলি ৰোপনেৰে সেউজ উদ্যান সৃষ্টি কৰা হৈছে। আমাৰ চাহ বাগিছা সমূহৰ যিসকল বনুৱা আছে তেওঁলোকৰ পুৰস্কাৰৰ কাৰণে "চাহ বাগিছা ভাল পুৰস্কাৰ বঁটা" ২৫০০ টকাকৈ, যিসকলে বিমুদ্ৰা কৰণৰ ফলত পাচবুক খুলি তেওঁলোকে বেংকৰ লগত লেনদেন কৰিছে তেওঁলোকক ২৫০০ টকাকৈ পুৰস্কৃত কৰা হৈছে আকৌ যদি ৬ মাহ তেওঁলোকে বেংকৰ লগত লেনদেন কৰি থাকে, তেখেতসকলক আকৌ ২৫০০ কৈ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে আমাৰ চৰকাৰখনে সকলো দিশকে, সমাজখনত বসতি কৰা প্ৰত্যেকজন ব্যক্তিক চুই গৈছে। এই চৰকাৰখনৰ যি জাতি, মাটি, ভেটি তথা অসম খনক ভাৰতবৰ্ষৰ প্ৰথমখন ৰাজ্যত প্ৰতিষ্ঠিত কৰাৰ কাৰণে প্ৰতিটো দিশত আমাৰ চৰকাৰখনে বলিষ্ঠ পদক্ষেপ লৈছে আৰু মুখ্যমন্ত্ৰী সমগ্ৰ উন্নয়ন যোজনাৰ অধীনত ৰাজ্যখনত ২১৯ টা খণ্ডত ৫০০ খন খেলপথাৰৰ উন্নয়নৰ কাম ইতিমধ্যে হাতত লৈছে। তাৰ লগে লগে গুৱাহাটীত ১৭ বছৰৰ অনুৰ্ধ fFIFA বিশ্বকাপ ২০১৭ আৰু IIFAমহিলা যুৱ বক্সিং championship ইতিমধ্যে সুন্দৰভাৱে অনুষ্ঠিত হৈছে। ইয়াৰ পৰা এটা কথা প্ৰমাণিত হৈছে যে আমাৰ চৰকাৰখন সুন্দৰভাৱে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই চলাইছে আৰু  উন্নতিৰ পথত আগবাঢ়িছে। মই আৰু বিশেষ নকওঁ। শেষত আনন্দৰাম ঢেকীয়াল ফুকনে তেখেতৰ "ইংলেণ্ডৰ বিৱৰণ" ৰচনাত অসমবাসীৰ মংগলৰ কাৰণে কামনা কৰি ইশ্বৰক প্ৰাৰ্থনা

জনাইছিল আৰু “মুকুতা মণি” ত বুজাইছে যে অসম উন্নয়নৰ পথত তেওঁৰ যি সপোন আছিল সেয়া বাস্তৱত ৰূপায়িত কৰিবৰ কাৰণে ঈশ্বৰক প্ৰাৰ্থনা কৰিছিল।

“মুকুতামণি”

হে কৃপাময় জগত ইশ্বৰ, এই অসম দেশৰ লোক সকলক
সত্য, জ্ঞান আৰু ধাৰ্মিক কৰিবলৈ মতি দিয়া,
সিবিলাকক অভাৱ আৰু দূৰৱস্থা জানিবলৈ সিবিলাকক
জ্ঞান দিয়া আৰু তোমাৰ বিচিত্ৰ শক্তিৰে সিবিলাকক
সভ্য কৰা আৰু তোমাক জানিবৰ আজ্ঞাপালিবৰ
যোগ্য কৰা। যিসময়ত অসম হাবি গুছি ফুলবাৰী হ’ব,
নৈত ডোঙা গুছি জাহাজ হ’ব,ঘৰ বাঁহৰ গুছি শিল ইটাৰ হ’ব,
গাঁৱে গাঁৱে হেজাৰ পঢ়াশালি হ’ব,
জ্ঞানৰ সভা, চিকিৎসালয়, দুখীয়া দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হ’ব,
আৰু যিকালত লোকসকলে পৰস্পৰে হিংসা হিংসি নকৰি তলত
আটাইকে ভ্ৰাতৃব্ৰত চেনেহ কৰিব...........সেই সময়,
পৰমপিতা জগত ইশ্বৰ শীঘ্ৰে ঘটোৱা।

আনন্দ ৰাম ঢেকীয়াল ফুকন

**The Hon’ble Deputy Spesker on the Chair.**

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া আপোনাৰ টাইম আছে, ৭.৩০ মিনিট। ৮ মিনিট আপুনি কব পাৰে।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** উপাধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত আজি শাসকীয় দলৰ সদস্য-সদস্যা সকলে বহু কথাই কৈছে আৰু এটা কথা প্ৰত্যেক চৰকাৰে এটা চেষ্টা কৰে যে, আমি কিছুমান এনেকুৱা কাম কৰো যিবিলাক কামৰ এটা পৰিসংখ্যা দেখুৱাই সফলতা আমি প্ৰচাৰ কৰিব পাৰো। তাতে কৃষি, স্বাস্থ্য আৰু শিক্ষা ক্ষেত্ৰত বহু কথাত হয়তো কোৱা হৈছে কিন্তু আমি চাব লাগিব যে এই প্ৰত্যেকটো আঁচনি বা চৰকাৰৰ চৰকাৰী পৰিকল্পনাৰ জৰিয়তে কিমান মানুহ উপকৃত হ’ল জনসাধাৰণৰ সামগ্ৰিক উন্নয়ন কিমান হ’ল আৰ্থসামাজিক দিশত সমাজ কিমান আগুৱাই গ’ল আমি দৰিদ্ৰতা কিমান দুৰ কৰিব পাৰিলো, নিবনুৱা সমস্যা সমাধান আমি কিমান দুৰ কৰিব পাৰিলো। শিক্ষাৰ ক্ষেত্ৰত আজি কিমান শতাংশ লোকক আমি শিক্ষিত কৰিব পাৰিলো। ছাত্ৰ-ছাত্ৰীৰ ড্ৰপ আউট চাইল্ড বা স্কুলৰ পৰা যিসকল নেভাৰ এনৰোলড এণ্ড ড্ৰপ আউট কিমান কমাব পাৰিলো আৰু আজি প্ৰাথমিক বিদ্যালয়ত শিক্ষা আৰম্ভ কৰা কিমান শতাংশ ছাত্ৰ-ছাত্ৰীক আমি উচ্চ শিক্ষাৰ কাৰণে মহাবিদ্যালয় পঠাব পাৰিলো। এই সামগ্ৰিক চিত্ৰ বিলাকহে আচলতে সফলতাৰ খতিয়ান দাঙি ধৰিব। আমি এহাজাৰটা অমুক দিছো, পাঁচশটা এইটো দিছো। এইটোৱে সামগ্ৰিকভাৱে জনসাধাৰণৰ উন্নয়ণৰ সুচাংক নিৰ্ধাৰণ নকৰে আৰু এখন ৰাজ্যৰ কাৰণে উপাধ্যক্ষ মহোদয়, আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ’ল যে, ৰাজ্য এখন উন্নয়নৰ পথত আগুৱাই নিবলৈ হ’লে আইন শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণ কৰাটো আৰু বৰ্তমান আমি যদিও চৰকাৰী পক্ষই কৈ আছে যে, আইন শৃংখলা সুস্থিৰ অৱস্থাত আছে, কিন্তু অসমত আইন শৃংখলা পৰিস্থিতি সুস্থিৰ নহয়। আটাইতকৈ ভয়ংকৰ কথাটো হ’ল, আৰক্ষীৰ গুলীত, প্ৰতিবাদ কৰিলেই মানুহ হত্যা

কৰা, প্ৰতিবাদী সকলক কণ্ঠৰোধ কৰিব বিচৰা। কেইদিনমান আগতে আমি এইটো প্ৰতিবেদনত চাইছিলো যে, হাৰিয়ানা ভাৰতবৰ্ষৰ ভিতৰত আৰক্ষীৰ গুলীত জনসাধাৰণ নিহত হোৱা ৰাজ্যৰ ভিতৰত প্ৰথম আছিলে। এইবাৰ হাৰিয়ানাক চেৰ পেলাই অসম প্ৰথম স্থানত আহিল। আৰক্ষীৰ গুলীত সৰ্বসাধাৰণ ৰাইজক হত্যা কৰাটো। গতিকে এই কথাটো আমি চাব লাগিব। য'ত আমি আমাৰ আৰক্ষী বিভাগৰ জৰিয়তে আমি শান্তি শৃংখলা নিৰাপত্তা নিশ্চিয়ত্ত কৰিব লাগে, সেই আৰক্ষী বিভাগক ব্যৱহাৰ কৰি আমি প্ৰতিবাদী জনসাধাৰণ বা ৰাইজক হত্যা কৰো, তেনেহ'লে এইটো দুৰ্ভাগ্যৰ কথা আৰু কেইদিনমান আগতে ডিমা-হাচাওত যিটো হ'ল, আমি সকলোৱে জানো। তাৰ আগতে গোৱালপাৰা, কোকৰাঝাৰত। কেইদিন আগতে ধোলাত যেতিয়া ঘটনা হ'ল, মই যিদিনা গৈছিলো, তাত খবৰ লবলৈ সৌভাগ্যক্ৰমে প্ৰায় মোৰ একেলগেই মাননীয় মন্ত্ৰী পৰিমল শুক্লবৈদ্য, ৰিহণ দৈমাৰী তেখেতে সকলেও গৈছিলে, গুৰুজ্যোতি দাস তেখেতো আছিলে আৰু তাত আমি যিটো দেখিলো যে ধোলাতে হাচিন আলি নামৰ যিজন মানুহৰ আৰক্ষীৰ জিম্মাত মৃত্যু হৈছিল। কাহিনীটো অতি মৰ্মান্তিক। তাৰমানে অ' চিয়ে কৰে কি, যিসকল মানুহে কিবা তাত খেতি-বাতি কৰে আজি যদি কোনোবাই পঞ্চাশ হাজাৰ টকাৰ কিবা তেওঁলোকে উৎপাদিত সামগ্ৰী বিক্ৰী কৰিলে, বজাৰত দালাল কেইটামান থাকে আৰু আহি ৰাতি অ' চিক কয় যে অমুকে আজি পঞ্চাশ হাজাৰ এক লাখ টকাৰ পাচলি বিক্ৰী কৰিছে। ৰাতিয়ে গৈ অ' চিয়ে তাক উঠাই আনে, তোৰ লগত ইলিগেল আৰ্ম আছে, কিবা আছে বুলি। তাৰ পাছত দালালটোৱে কব যে, টকা পঞ্চাশ হেজাৰ বা এক লাখ দি দিয়া। তেনেহ'লে মই এইটো কম্প্ৰমাইজ এটা কৰি দিব পাৰিম। এইটো এটা বিজিনেছ ।ধোলাত যিটো চলি আছিল। যিজন মানুহে পুখুৰীৰ দুই লাখ, ডেৰ লাখ টকাৰ মাছ কেতিয়াবা বিক্ৰী কৰে। দালালজনে খবৰ দিয়াৰ লগে লগে ৰাতি তাক উঠাই লৈ অনা হয়। কিবা এটা বাহানা লৈ। তাৰ পিছত যেতিয়া টৰ্চাৰ কৰে, তাৰ এমাহমান আগতে এজনৰ হাত ভাঙি দিছিলে। সেই হাচিন আলি নামৰ মানুহ এজনে বাংগোলোৰত প্ৰাইভেট কোম্পানী এটাত কাম কৰে। তেওঁ দুই-তিনিলাখ টকা লৈ আহিছিল। সি এটা ঘৰ বনাব , বহুতৰ লগত এই কথা পাতিছিল যে মই এটা সৰুকে ঘৰ বনাম। দালালে লগাই দিলে, আৰক্ষী আহি ৰাতি উঠাই লৈ গল। তাক খুব টৰ্চাৰ কৰিছে। দালালে কৈছে যে টকা এক লাখ ডেৰলাখ দিয়া, মই কম্প্ৰমাইজ কৰি দিম। যেতিয়া নিদিলে ৰাতি এনেকৈ টৰ্চাৰ কৰিছে যে, তেওঁ মৃত্যু বৰণ কৰিব লগীয়া হল আৰু পিছদিনা ধোলাত যিটো ঘটনা হল সেই গোটেই মানুহ ইমান ক্ষুব্ধ হৈ আছিলে , মানুহ আচলতে স্বতঃস্ফূৰ্ত ভাৱে উলাই ৰাজপথ অৱৰোধ কৰিলে। তেওঁলোকে অ,চি জনৰ ওপৰত ক্ষুব্ধ হৈ আছিলে, ইমানেই জ্বলাইছে মানুহক। গতিকে এইবিলাক কাণ্ড এতিয়া আমাৰ চৰকাৰে নজৰ নিদিয়ে। আৰু তাৰ পাছত তাতো গুলীয়াই আৰু এজনক হত্যা কৰা হ'ল। এনেকুৱা ধৰণৰ কথা বিলাক Law and order situation সচাকৈ শোচনীয় অৱস্থা হৈ আছে উপাধ্যক্ষ মহোদয়। এনেকুৱা অ'চি বিলাকক এছ.পি , আৰক্ষী বিষয়া সকলক লেকাম লগাব লাগিব, নিৰ্দোষ , নিৰপৰাধী লোকে পাছলি বিক্ৰী কৰিলে, মাছ বিক্ৰী কৰি অহা মানুহজনক ৰাতি উঠাই লৈ আনিব অবৈধ অস্ত্ৰ কিবা কিবি বাহানা দি পঞ্চাশ হাজৰ , একলাখ টকা এনেকৈ লোৱা এই যে অবৈধ ব্যৱসায় চলাই আছে, আৰক্ষী বিষয়া সকলক, এইটো বন্ধ কৰিব লাগিব উপাধক্ষ্য মহোদয়। তাৰ পাছতে শিক্ষাৰ ক্ষেত্ৰত যিবিলাক বহুত কথা ইয়াত কোৱা হৈছে, গুণোৎসৱৰ আমি ভাল পাইছো। এটা পৰিৱৰ্তন , শৈক্ষিক একাডেমিক , এনভাইৰণমেণ্ট । শৈক্ষিক বাতাবৰণ গঢ়াৰ কাৰণে এটা উদ্যোগ মন্ত্ৰী মহোদয়ে লৈছে। তাতো এনেকুৱা ঘটনা মোৰ নলেজত আছে উপাধক্ষ্য মহোদয়। জুৰীয়া মহাবিদ্যালয়ত দুগৰাকী প্ৰৱক্তা লুটপুৰ ৰহমান আৰু চাইফুল

ইচলাম তেওঁলোকক দিয়া হৈছিল চৰত। চৰত চাৰিখন বিদ্যালয়ত তেওঁলোকক এস্কটাৰনেল ইভালোৰেটেড দিয়া হৈছিল। তেওঁলোকে গোটেই দিন তাত কাম কৰিলে। ইভালোৰেশ্যন কৰিলে ৰাতি আকৌ চৰৰ পৰা নদী পাৰ হৈ আহি তেওঁলোকে টাউনত যোৰাতকৈ ৰাইজে কলে যে ইয়াত এজন দেৰানী আছে। তেওঁৰ ঘৰত ৰাতিটো থাকি যাওক। কালি আকৌ ডিউটি আছে। ইমানদুৰ অহাতকে। তেওঁলোকে সেই ঘৰত থাকি গ'ল। তেওঁলোকক ধুনীয়াকৈ ভাত পানী খাই ৰাতি শুইছে। ৰাতি ১১ বজাত আহিছে আৰক্ষীৰ লোক। আহি কৈছে যে ইয়াত বোলে তৈয়াৰ কৰা মাষ্টাৰ মাইন দুজন আহিছে। তেওঁলোকক শুৱাপাটিৰ পৰা উঠাই আনি ইমান ঠাণ্ডাৰ মাজত পথাৰৰ আগফালৰ চৌহদত বহাই ৰাখিছে নিয়ৰৰ মাজত। গেঞ্জী পিন্ধা আছে।দুই- তিনি ঘণ্টাৰ পাছত তেওঁলোকক কৈছে যে, তোমালোকে বোমা তৈয়াৰ কৰা মাষ্টাৰ মাইণ্ড নহয় , আমি বোম তৈয়াৰ কৰা মাষ্টাৰ মাইণ্ড নহয়। আমি হলো, কলেজৰ আধ্যাপক কৰা মাষ্টাৰ আৰু আমি ইয়াত গুণোৎসৱৰ এস্কটাৰনেল ইভালোৰেটৰ। নহয় , এইবিলাক মিছা কথা। তোমালোকে ইয়াত জেহাদীৰ প্ৰশিক্ষণ দিবলৈ বোমা তৈয়াৰ কৰিবলৈ আহিছা। উপায়ুক্তই তেওঁলোকক দিয়া যিটো এপইণমেণ্ট লেটাৰ দেখুৱালে, আইকাৰ্ড ইচ্ছ্যু কৰিছে, সেইখন দেখুৱালে। সেইবিলাক বজাৰত পোৱা যায়। এই চাৰিঘণ্টা সময় তেওঁলোকক ঠাণ্ডাৰ মাজত, কুৰলীৰ মাজতবাহিৰত বহাই ৰাখিলে। তাৰ পাছত কোনোবা এজনে ৰাতি দুটা-আঢ়েটা বজাত কৈছে তেওঁলোকে কাকুতি মিনতি কৰাৰ পাছত ৰাতি তোমালোক ইয়াৰ পৰা গুচি যোৱা ন'হলে দিগদাৰ হব। ৰাতি বেগ লৈ এনেকৈ খোজকাঢ়ি আন্ধাৰে মোন্ধাৰে তেওঁলোকে নদী পাৰ হৈ এনেকৈ আহিব লগীয়া হল। পিছদিনা আকৌ ডিউটিত গৈছে এস্কটাৰনেল ইভালোৰেটৰ হিচাপে। গুণোৎসৱ আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে গুণোৎসৱ দিছে। তাত এস্কটাৰনেল ইভালোৰেটৰ কলেজৰ অধ্যাপকক উপায়ুক্তই চহী কৰি অহা এপইণমেণ্ট লেটাৰ দিছে, আইকাৰ্ড দিছে, তেওঁলোকক বোমা তৈয়াৰ কৰা মাষ্টাৰ মাইণ্ড বুলি ৰাতি ১১ বজাত আৰক্ষী আহি এনেকৈ বহাই ইমান নিৰ্য্যাতিন কৰিছে। এতিয়া আমি শৈক্ষিক বাতাবৰণ বুলি কম , শিক্ষাৰ ক্ষেত্ৰত বিপ্লৱ বুলি কম নে, নিৰ্য্যাতিন বুলি কম নে এইটো গুণোৎসৱৰ নামত এটা নাটকবাজী, বাহানাবাজী বুলি কম। উপাধক্ষ্য মহোদয় এনেকুৱা ঘটনা যদি আমাৰ অসমত হয়, ইয়াতকৈ দুৰ্ভাগ্য জনক কথা আৰু কি হব পাৰে ? গতিকে আমি ভাৱো যে, শৈক্ষিক ক্ষেত্ৰত বাতাবৰণ আনিব লাগিব, আমি বিচাৰো। কিন্তু আটাইতকে ডাঙৰ সমস্যাটো হল, আমি দেখিছো, অধিকাংশ বিদ্যালয়ত ছাত্ৰ অনুপাতে শিক্ষক নাই। আন্তঃগাঠনি নাই। এই ভেঞ্চাৰ স্কুলবিলাক প্ৰভিয়েনচিয়েলাইজ কৰিলে যি অনন্তঃ কিছু সকাহ পালে হয়। ছাত্ৰ-ছাত্ৰীক তেওঁলোকে শিক্ষাদানৰ সুবিধা পালে হয়, এইটোলৈয়ো ইমান এটা প্ৰচেছ আৰু কিমান ধৰণৰ এমেণ্ডমেণ্ট এইবিলাক আনি পেলাই বিলত , এইটো প্ৰশ্ন বোধক চিহ্ন লগাই থোৱা হল। শিক্ষক এটা দিনো যদি শিক্ষক নোহোৱাকৈ কিছুমান বিদ্যালয়ত আছে, তেওঁলোকক এতিয়ালৈকে বছৰৰ পাছত বছৰ গৈ আছে।

**মাননীয় উপাধ্যক্ষ ঃ**- আমিনুল ইছলাম ডাঙৰীয়া অলপ চমু কৰিব ।

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ**- মই চমু কৰি আছো, অতি কম সময়তে শেষ কৰি আছো। গতিকে শৈক্ষিক ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিব লাগিব। শিক্ষক দিব লাগিব। পাঠ্য পুথি বহুত বিদ্যালয়ত এতিয়ালৈকে দিয়া নাই। যিবিলাক ভেঞ্চাৰ স্কুলৰ আগতে দিছিল, এইবাৰ বন্ধ কৰিছে। তাৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুঠি নোহোৱাকৈ কেনেকৈ পঢ়িব ? বহুত সমস্যা আছে। এই বিলাক আমি কেৱল ঢাক-ঢোল বজালেই নহব। সমস্যা বিলাক সমাধান কৰিলে নিসন্দেহে শৈক্ষিক ক্ষেত্ৰতো আগুৱাই যাব। আৰু যিবিলাক অনুন্নত সম্প্ৰদায় আছে আমাৰ চৰ-চাপৰি বা আমাৰ বহুত ছিদুল কাষ্ট, ট্ৰাইবৰ, যি

সকলৰ কাৰণে চৰকাৰৰ প্লেনিং নাই আৰু নিবনুৱা সমস্যা। কালিও আমাৰ অসম বিধান সভাত তথ্য উন্মোচিত হৈছে মাত্ৰ ২৫০০ নিবনুৱাক নিযুক্তি দিয়া হৈছে বিগত ডেৰ বছৰত। য'ত এতিয়া ১৯ লাখতকৈ বেছি ৰেজিষ্টাৰ্ড নিবনুৱা হৈ গ'ল আৰু ৰেজিষ্টাৰ্ড নকৰাটো আৰু কিমান হ'ব ঠিক নাই। গতিকে এই কথাবিলাক চৰকাৰে বাস্তৱসন্মত পদক্ষেপ নললে কেৱল ঢাক-ঢোল বজালেই উন্নতি নহব। তাৰ পাছত আৰু এটা কথা হ'ল অসমৰ আটাইতকৈ জলন্ত সমস্যাটো হ'ল গড়াখহনীয়াৰ সমস্যা। গড়াখহনীয়াৰ সমস্যাই আজি লাখ লাখ মানুহক ভূমিহীন, ভেটিহীন কৰিছে। আজি হাজাৰ হাজাৰ গাওঁ নিঃশ্চিহ্ন কৰি দিছে মানুহ বিলাকক, এই যিবিলাক মানুহ ভেটিহীন, ভূমিহীন হৈ গ'ল । তেওঁলোক আজি ক'ত গৈ অনাই বনাই ঘূৰি ফুৰিছে। চুবুৰীয়া ৰাজ্যত গলেও খেদে, অন্য জিলাত গলেও তেওঁলোকক কাণত ধৰি আঠু কঢ়াই বিদেশী বুলি কয়, এই যে এটা মানৱ অধিকাৰ উলংঘা হৈ আছে, এই গড়াখহনীয়া সমস্যাটো মূল কাৰণ। এই ক্ষেত্ৰত চৰকাৰৰ কোনো বাস্তৱসন্মত পদক্ষেপ মই দেখা নাই। গতিকে মই এই ক্ষেত্ৰত ভাবো যে আমি আমাৰ দলৰ পৰা যিটো ৰাজ্যপাল মহোদয়ৰ ভাষণৰ সংশোধনী প্ৰস্তাৱ আনিছিলো, তাত এইটো বাক্যই আছিল যে এটা বাক্য সংশোধন কৰিব লাগে যে মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ অসমৰ প্ৰতি সদিচ্ছা নাই। যদি সদিচ্ছা থাকিল হয়, তেনেহলে অসমৰ গড়াখহনীয়া সমস্যা, অসমৰ নিবনুৱা সমস্যা, অসমৰ বানপানীৰ সমস্যা, কাশ্মীৰত যদি ১০ হাজাৰ টকা দিয়ে এক দিনতেই অসমত কিয় নিদিয়ে? গুজৰাটত দিব পাৰে। গতিকে এই গোটেই কথা বিলাক প্ৰধান মন্ত্ৰী মহোদয়ক আমি কনভিন্স কৰিব পৰা নাই যে আমাৰ অসমৰ এই বিলাক জলন্ত সমস্যা সমাধানৰ কাৰণে ছেণ্ট্ৰেলৰ পৰা ফাণ্ড দিয়ক। আমাৰ মাত্ৰ বিত্ত মন্ত্ৰীয়ে খালী ইয়াত কৈ থাকে যে আমাক কেন্দ্ৰৰ পৰা পূজিঁ নালাগে, আমাৰ ফাণ্ড একেই লেবেল আছে। কিন্তু আমি এই বিধান সভাত এইবাৰ তথ্য উন্মোচিত হ'ল । যোৰাবাৰৰ ফাণ্ডৰ ৭-৮ মাহ পাৰ হৈ গ'ল, এতিয়ালৈকে কোনো কৃষকক ১ টকাও দিব পৰা নাই। কিন্তু বিত্ত মন্ত্ৰীয়ে খালী গালেই নহব কেন্দ্ৰৰ পৰা আমি হাত নাপাতো আমাৰ আছে। আছে যদি দিয়া নাই কিয়। যদি নাই তেনেহলে খুজিবলৈ আপত্তি কিয়? যদি কথা বিলাক আমি ভাৱো, কেৱল অসমবাসীক এটা ধোকাত নাৰাখি আমি কেন্দ্ৰক কব লাগিব যে আমাৰ এই বিলাক সমস্যা, আমি ফাণ্ডটো অনাৰ কাৰণে পদক্ষেপ লব লাগিব নহলে কিন্তু সমস্যা সমস্যা হৈয়েই থাকিব। যিয়েই নহওঁক আৰু বেছিকৈ ফাণ্ড আনি অসমৰ সমস্যা সমাধান কৰক। আমি ৰাজ্য চৰকাৰক এই দাবী জনাই মোৰ বক্তব্য এইখিনিতে সামৰিছো। মোক কবলৈ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ-** এতিয়া মাননীয় সদস্য শ্ৰী মিহিৰ কান্তি সোম, ১০ মিনিত সময় দিয়া হ'ল

**শ্ৰী মিহিৰ কান্তি সোম,সদস্য ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, গত ৬ ফেব্রুয়ারি এই পবিত্র সদনে আমাদের রাজ্যপাল যে ভাষণ রেখেছেন তার পক্ষে আমার বক্তব্য রাখতে চাই। প্রথমত বিভিন্ন দিক দিয়ে সবাই সেই ভাষণের প্রশংসা করেছেন। আমি বিশেষ করে আমার বরাক উপত্যকার রাস্তাঘাটের যে অবস্থা ছিল, সে ক্ষেত্রে আমাদের মাননীয় মুখ্যমন্ত্রী প্রথম থেকে তৎপর হয়ে সেই সব কাজের সূচনা করেছিলেন, তা এখন বাস্তব রূপ নিয়েছে। এবং আগামীতে খুব শীঘ্রই সেগুলো সম্ভব হতে চলেছে। বিশেষ করে কাছাড়ে, বরাক উপত্যকার মধ্যে একমাত্র ভিআইপি রোড— বিমান থেকে নেমে শহরে যাওয়ার রাস্তার যে দুরবস্থা ছিল বিগত দিনে, আমাদের প্রাক্তন মুখ্যমন্ত্রী সেই রাস্তায় যেতেন, সেই সময় রাস্তার যে দুরবস্থা ছিল, তিনি যখন যেতেন রাস্তার গর্তগুলো ভর্তি করা হত। তারপর আবার যেমন তেমন হয়ে যেত। বরাক উপত্যকার প্রায় প্রতিটি রাস্তার এই দুর্দশা ছিল। প্রায়ই দুর্ঘটনা ঘটত, অনেক মানুষের প্রাণহানি হয়েছে। আমাদের নতুন সরকার সর্বানন্দ

সনোয়াল মুখ্যমন্ত্রীর নেতৃত্বে আসার পর বরাক উপত্যকায় রাস্তার কাজের জোয়ার এসেছে। বিশেষ করে আমাদের যে রাস্তা, সেই ভিআইপি রোড এখন ফোরলাইন হতে চলেছে। দুবছরের মেয়াদ কাজের। এক বছর প্রায় হতে চলেছে। এক বছরও হয়নি, কিন্তু কাজের গতি অনেক বৃদ্ধি হয়েছে। ফোরলাইন সেই রাস্তা ডিভাইডার দিয়ে হচ্ছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এর মধ্যে আমার বিধানসভা কেন্দ্র হয়ে লক্ষীপুর বিধানসভা কেন্দ্রে যে রাস্তা, সেই রাস্তায় ৮ বছর ধরে বিগত সরকার কিছু করে দেখাতে পারেনি। কিন্তু আমার সরকার মাত্র আড়াই মাসের মধ্যে সেই রাস্তার কাজ শুরু করেছে। টেন্ডার হয়ে কাজ শুরু হয়েছে। এবং সেই রাস্তা কার্পেটিং হয়ে এখন প্রায় শেষের পথে। মাত্র ৫.৩৩ কিমি রাস্তা, দীর্ঘ ৮ থেকে ১০ বছর হয়েছে, বিগত সরকার সেটা করতে সম্ভব হননি। নতুন সরকার আসার পর মাননীয় মুখ্যমন্ত্রী এবং পিডব্লুডি মিনিস্টার— উনাদের প্রচেষ্টায় আজ আমাদের সেই রাস্তার কাজ শেষ হওয়ার পথে। রংপুর ওয়ার্ড আজ শিলচরের প্রাণকেন্দ্র, সেখানেও একই দুরবস্থা ছিল রাস্তার। সেই রাস্তা ফোরলাইন হয়ে এখন কাজ শেষ হওয়ার পথে। যোগাযোগ ব্যবস্থা বরাক উপত্যকায় একদম চুরমার ছিল। আমাদের নতুন সরকার আসায় এই কাজগুলো এখন সম্পূর্ণ হওয়ায় আমি নতুন সরকারকে ধন্যবাদ জানাচ্ছি।

আমরা দেখেছি চা বাগান শ্রমিকদের স্বার্থে বিভিন্ন যোজনা করা হয়েছে। সেই যোজনায় আমরা লাভবান হয়েছি। মোবাইল টিমের মাধ্যমে চা বাগানের প্রত্যন্ত এলাকায় গিয়ে সেখানে চিকিৎসা সেবা দিচ্ছেন, ফ্রি ওষুধ দেওয়া হচ্ছে, নার্স-ডাক্তার রয়েছেন এবং সমস্ত ব্যবস্থা এই গাড়ির মধ্যে রয়েছে। লেটেস্ট স্বাস্থ্য কেরিয়ারের মাধ্যমে এই স্বাস্থ্য সেবা দেওয়া হচ্ছে। অনেক যোজনার মাধ্যমে চা বাগান এলাকায় ৩০ শতাংশও বিদ্যুৎ সংযোগ হয়নি। আমাদের সরকার আসার পর আমারই কনস্টিটুয়েন্সিতে ৬৪ টি গ্রামে বিদ্যুতের সংযোগ করা হয়েছে এবং সেই লক্ষ্য মাত্রা ২০১৯-এ সমগ্র যোজনার মাধ্যমে সমস্ত বরাক তথা অসমের জেলা এবং গ্রামে সেটা সুসম্পন্ন হবে বলে আমরা আশা রাখি। আমাদের সরকার আসার পর, দুর্নীতিমুক্ত সরকারের কথা যে ভাবে আমাদের মাননীয় মুখ্যমন্ত্রী বলেছেন, সেটার বাস্তব রূপ আমরা দেখতে পেয়েছি। প্রায়ই আমরা দেখতাম, পাথর চুরি হতো এবং সেখানে টোকেন সিস্টেম ব্যবহার করা হত যে টোকেন সিস্টেমে বিকেল বেলা হিসেব করা হতো এবং তাদের মধ্যে বন মাফিয়ারা এবং সরকার পক্ষ এবং রাজনৈতিক নেতারা সেই টাকার ভাগ পেতেন। আজকের দিনে বলতে পারব, সেটার স্বচ্ছতা অনেক গুণ বেড়েছে। আমি এখানে আসার আগে মূলদাম পুঞ্জিতে, একটি পুঞ্জি রয়েছে আমার বিধানসভা কেন্দ্রে, সেখানে বাঁশ চাষের কাজ দেখতে আমি গিয়েছিলাম, আমাদের কৃষি বিভাগের মাধ্যমে সেই এলাকায় ইরিগেশন বিভাগের অধিকর্তাদের নিয়ে। আমি সেখানে যাওয়ার পথে বিট অফিসে গিয়েছি, সেখানে দেখেছি ৯৬ টা গাড়ি সেদিন এন্ট্রি ছিল, বিগত দিনে এই ধরনের রেকর্ড আমার এলাকায় আমরা দেখতে পাইনি। এবং তাতে রাজস্ব অনেক বেশি বৃদ্ধি পেয়েছে, অনেক আমার সহযোগী বা আমাদের বিরোধী দলরা বলেছে, যে ওখানে অনেক টাকা লুণ্ঠন হচ্ছে, পাথর লুণ্ঠন হচ্ছে বলে অভিযোগ এনেছে। আমি বলব না ১০০ শতাংশ হয়েছে, কিন্তু ৭০ থেকে ৮০ শতাংশ সেটা আমাদের নতুন সরকার সেটা রোধ করতে পেরেছে বলে আমি দাবি রাখতে পারি। তারপর আমরা টেক্সের ব্যাপারে দেখেছি যে বেশ ভাল ভাবে আমাদের সরকার করেছে। প্রতিটি অফিসে গেলে একটা স্বচ্ছতা আসছে বলে একটা অনুভব করতে পারি। আমরা কৃষকদের জন্য সময়মতো বীজ দিতে পেরেছি নতুন সরকার আসার পর এবং সময়মতো বীজগুলো নিয়ে কৃষকরা উপকৃত হয়েছে। এবং

মাছ চাষীদের জন্য মাছের পোনাও আমরা ব্লক লেভেলে বণ্টন করতে পেরেছি। আমরা আমাদের এলাকায় যে ধরনের প্রধানমন্ত্রী আবাস যোজনা— যেগুলো সরকার ১ লক্ষ ৩০ হাজার এবং আরও অন্য কিছু নিয়ে আরও ৩০ হাজার, মানে ১ লক্ষ ৬০ হাজারের মতো প্রধানমন্ত্রী আবাস যোজনায় দেওয়া হচ্ছে, সেটাও খুব স্বচ্ছভাবে আমাদের এলাকাগুলোতে দিতে পারেছি। এতে গরিব যারা চা বাগান তথা চর এলাকার মানুষ উপকৃত হচ্ছেন। যার মধ্যে আজ পর্যন্ত কোনও ঘোটালার খবর আমাদের এলাকা থেকে পাচ্ছি না। নতুন সরকার আসার পর আমরা প্রতিটি বিভাগে সক্রিয়তা দেখতে পাচ্ছি এবং কাজ অনবরত হচ্ছে। আমার এলাকায় আঙ্গাজোর বলে একটা জায়গা রয়েছে, দীর্ঘ ১২ বছর ধরে বন্যায় সেই এলাকা ভেঙে নিয়ে যাচ্ছে, মানুষের ঘর বাড়ি তলিয়ে নিচ্ছে। বাঁধ ভেঙে যাচ্ছে। সেখানে দীর্ঘ ১২ বছরের মধ্যে বিগত সরকার কোনও কাজ করে দেখাতে পারেননি। নতুন সরকার আসার পর আমাদের মুখ্যমন্ত্রীর প্রচেষ্টায় ওই বাঁধের জন্য ৯ কোটি টাকা সেংশন হয়েছে। এবং সেই কাজ এ বছরের শেষ দিকে হয়তো সম্পূর্ণ হবে বলে আশা রাখি। এবং সেই কাজের মানও অনেক বেশি উন্নত হয়েছে। বিগত সরকার আমার রংপুর এলাকায়, রংপুর একটি মাত্র ওয়ার্ড আমার এলাকায়, সেখানে সি এম প্যাকেজের অধীনে সাত কোটি টাকা সেংশন করেছিলেন। আপনারা দেখলে বুঝতে পারবেন সেই কাজের কী নমুনা। এখন ড্রেন পরিষ্কার করতে ওপরের কালভার্ট ভেঙে যাচ্ছে এই অবস্থা হয়েছে। বিগত সরকারের আমলে সর্বশিক্ষা অভিযানের মাধ্যমে স্কুলে টিন লাগানো হয়েছে। লাগানোর কথা ছিল, .০৫৫, সেখানে লাগানো হয়েছে, .০৩০। গত শিলাবৃষ্টির সময় সেই এলাকার মানুষের টিন যেমন উড়ে গেছে, সেভাবে সরকারি স্কুলের টিন, সর্বশিক্ষার মাধ্যমে লাগানো টিনগুনিও ছিদ্র হয়ে গেছে। এখন সেখানে বই রাখার ব্যবস্থাও নেই।

উপাধ্যক্ষ— সোম ডাঙৰিয়া, আপুনি অলপ চমু কৰিলে ভাল হয়। শৰ্ট কৰক, টাইম কম আছে হাতত।

**মিহিরকান্তি সোম—**

আমাদের সরকার আসার পর এক হাজারটা ট্র্যাক্টর প্রদান করা হয়েছে। কৃষি বিভাগের মাধ্যমে খুব শীঘ্রই সেই ট্র্যাক্টর প্রদান করা হবে বলে আমি আশা রাখি। সেখানে বিরোধী পক্ষ বলছেন যে ঘোটলা হচ্ছে, টিভিতে দেখেছি ঘোটালা হচ্ছে বলে খুব চেঁচামেচি হচ্ছে। আসলে নতুন সরকার, বিজেপির সরকার, মিত্রজোটের সরকার আসার পর বিরোধীরা সহ্য করতে পারছে না। তাই আবোল-তাবোল বলে জনতাকে গুমরাহ করার চেষ্টা করছে। আমার আশা, বিরোধীরা যাতে এই সব কথা নিয়ে নতুন সরকারকে যাতে সহযোগিতা করেন আমি আশা রাখব। এবং এই সরকারের আমলে, নিজেরাও যেভাবে সরকারের কাছ থেকে সুবিধা নিয়েছেন, সবাইকে সমান মনোভাব নিয়ে সরকার কাজ করে যাচ্ছে। তাই এই সরকারকে সাহায্য করার জন্য অনুরোধ রাখছি এবং যে বিরোধীদের যে প্রস্তাব রয়েছে, সেটা তুলে নেওয়ার জন্য অনুরোধ রাখছি।

ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় ওয়াজেদ আলি ডাঙৰীয়া আপোনালোকৰ বাবে এঘাৰ মিনিট আছে । আপোনাৰ নাম আছে, নুৰুল হুদা ডাঙৰীয়াৰ নাম আছে আৰু ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ নাম আছে। আপোনালোকে এজনে কওঁক। ১২ মিনিটৰ ভিতৰত শেষ কৰিব লাগিব।

**শ্ৰীওয়াজেদ আলি চৌধুৰীঃ** টাইমটো অলপ বঢ়াই দিব লাগে চাৰ । আমাৰ টাইম লষ্ট হৈছে।

**মাননীয় উপাধ্যক্ষঃ** আধা মিনিট দিছো আৰু টাইম বঢ়াব পৰা নাযাব। লিমিটেড টাইমত ক'ব লাগিব কাৰণ কমলেখ্যৰ দুই মিনিট সময় কাটি আপোনালোকক সময় দিয়া হৈছে। এতিয়া ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া আপুনি কওক?

**শ্ৰীৰূপজ্যোতি কুৰ্মীঃ** মাননীয় ডেপুটী স্পীকাৰ চাৰ, শাসকীয় দলৰ বিধায়ক দেৱানন্দ হাজৰিকা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱক বিৰোধিতা কৰি মই বক্তব্য আগবঢ়াবলৈ বিচাৰিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কোনো সদিচ্ছা নাই। বাজেট অধিবেশন বুলি যেতিয়া আমি কওঁ , অসমৰ ৰাইজ, অসমৰ স্কুলৰ মাষ্টৰ, খেলুৱৈ , বন্ধু, কৃষক, চাহ বাগিছাৰ শ্ৰমিক , চৰ, পাহাৰীয়া অঞ্চলৰ অটোনোমাচ কাউন্সিল সমূহৰ পৰা আদি কৰি সকলোৱে আশাৰে বাট চাই আছে যে পবিত্ৰ বিধান সভাৰ পৰা আমি কিবা এটা পাম। বাজেট আৰম্ভণি হৈছে ০৬-০২-১৮ আৰু আজি হৈছে ০৯-০২-২০১৮ তাৰিখ। আজি ৪ দিন হ'ল। প্ৰধান সেনাপতি মুখ্যমন্ত্ৰীৰ পিছতে বিত্ত মন্ত্ৰী । চৰকাৰৰ প্ৰধান সেনাপতি গৰাকী বা বিত্ত মন্ত্ৰী গৰাকী আজিৰ তাৰিখলৈকে পবিত্ৰ সদনত উপস্থিত নাই। ৰাজ্যপালৰ ভাষণত কৈছে- My government is serious in meeting its commitment for giving a clean and transparent administration, which is also responsive towards protecting the legitimate interests of all the sections of our society.

আৰু চাৰ বহু কিবা কিবি লিখিছে। চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই অলপ আগতে কৈছে আবোল তাবোল। আমি ক'লে এই বিলাক আবোল - তাবোল হৈ যায়। কিন্তু আজি পবিত্ৰ বিধান সভাৰ অধিবেশনৰ আজি চাৰি দিনৰ দিনা পিছবেলা ৩.০০ বজাত আৰম্ভ হৈ ৩ বাজি ১২ মিনিটলৈকে এজনো চৰকাৰৰ মন্ত্ৰী উপস্থিত নথকাটো আগতে কোনো দিনে দেখা নাই। বিধান সভাৰ প্ৰচিডিঙ যিমান আছে আজিৰ তাৰিখলৈকে মই সকলো পঢ়িছো কিন্তু কোনো দিনে এনেকুৱা হোৱা নাই যে চৰকাৰৰ কোনো মন্ত্ৰী উপস্থিত নথকাকৈ এনেকৈ সদনৰ কাৰ্য্যক্ৰমণিকা আগবাঢ়িছে। এইটোৱে প্ৰমান কৰে যে চৰকাৰৰ খনৰ সদিচ্ছা কিমান। ৰাজ্যপালৰ ভাষণত যিটো সদিচ্ছাৰ কথা কৈছে, যিটো চিৰিয়াচনেচৰ কথা কৈছে সকলোখিনি ফুটুকাৰ ফেন মানে তেখেতে কোৱা কথাবোৰ আৰু স্পীচত লিখা কথাবোৰ সেইটো বুজা গৈছে। এচেমব্লিৰ কেন্টিনত পুৰী খাবলৈ গৈছিলো তেতিয়া এজনে মানুহে মোক ক'লে, চৰকাৰে ইয়াত টুইন টাৱাৰ বনাব কিন্তু এচেমব্লিৰ টাৱাৰটোৱেচোন এতিয়ালৈ হোৱা নাই। আজি চৰকাৰৰ দুই বছৰ গ'ল। তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰক বাৰু বেয়া পাইছিল মোদী ডাঙৰীয়াই কিন্তু এতিয়া মোদী ডাঙৰীয়াই টকা দিব চাগে, আপুনি চাৰ ক'বচোন । সেই কাৰনে কথাটো কলো। দুই বছৰতো এচেমব্লি টাৱাৰেই নহ'ল, এতিয়া আকৌ টুইন টাৱাৰ। এতিয়া টীম আচামৰ কথাটো কৈছে, কিমান হৈ আছে , কিমান কৰি আছে? কোকৰাঝাৰৰ কথা নকও, গোৱালপাৰাৰ কথা মই নকও । এই চৰকাৰ আৰম্ভ হোৱাৰ পিচত আজি এইমছ স্থাপনৰ বাবে ৰহাৰ ৰাইজে দাবি কৰিছিলে? তেওলোকে কি অপৰাধ কৰিছিলে? তেওলোকক কোৱা হৈছিল যে এইমছ তাত হ'ব । নিৰ্বাচনৰ সময়ত তেওঁলোকক প্ৰতিশ্ৰুতি দিয়া হৈছিল। তেওঁলোক ৰাজপথলৈ ওলাই আহিল তেওঁলোকক গুলিয়াই দিলে। ডিমা হাচাওতো ৰাতিপুৱা ৫.০০ বজাৰ পৰা সন্ধিয়া ৫.০০ বজালৈকে তেওলোকে ৰেল অপৰোধ কৰিছে, ধৰ্মঘট কৰিছে। ডিমা হাচাওৰ ৰাইজে কাৰ কাৰণে কৰিছে, কিহৰ কাৰণে কৰিছে? তেওলোকে অসমীয়া আৰু অসমৰ মাটি বচাবলৈ ধৰ্মঘট কৰিছিলে। ১০ ঘন্টা শান্তিপূৰ্ণভাৱে ধৰ্মঘট হৈ গ'ল । কোনো ৰেল যাত্ৰী মৰা নাই, পানী খোৱাইছে। পৰঠা, চাহ খোৱাইছে, সৰু বাচ্ছাবোৰক বিস্কুট খোৱাইছে, বেবী ফুড খোৱাইছে ডিমা হাচাওৰ ৰাইজে ৰেল

যাত্ৰীক ।ৰেল অৱৰোধ কৰিছে, সেইটো ভূল হৈছে মানি লৈছো কিন্তু ৩.০০ বজাত ডি চিয়ে আহি ডাইৰেক্ট ফায়াৰিঙৰ অৰ্ডাৰ দিলে। অৰ্ডাৰ কোনে দিলে ১৯ তাৰিখে জগদম্বা মৌল , আৰ এচ এচৰ এজন কৰ্মীয়ে টিভিৰ মাধ্যমত কলে ডিমা হাচাওৰ একাংশ চেটেলাইট চেনেলত দি দিয়া হৈছে। মুখ্য মন্ত্ৰীয়ে ২৪ তাৰিখলৈকে নগ'ল ।২৫ জানুৱাৰী তাৰিখে যেতিয়া প্ৰতিবাদীক গুলিওৱা হৈছিল। তাৰ পিছত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে আমি নগালেণ্ডক ১ ইঞ্চিও মাটি যাবলৈ নিদিও বুলি মাতি আনি লিখিত প্ৰতিশ্ৰুতি দিছে। কেলেই ১০ ঘন্টা হৈ যোৱাৰ পিচত গুলিয়ালে, এইটো কি আইন শৃংখলা। গৰ্ভনৰে কৈছে আইন শৃংখলা খুব ভাল।

**মাননীয় উপাধ্যক্ষঃ** আলপ চৰ্ট কৰক, সময় কম আছে ...।

(সদনত হুলস্থুল........ শাসকীয় দলৰ সদস্যই বিৰোধিতা কৰে....।)

বিৰোধী পক্ষৰ পৰা ভাষ্য উফৰি আহে ------ ৰুলিং দিয়ক উপাধ্যক্ষ মহোদয়....।

( সদনত হুলস্থুল, দুয়ো পক্ষৰ সদস্যৰ তীব্ৰ বাদ - বিবাদ )

**শ্ৰীৰূপজ্যোতি কুৰ্মীঃ** --- তেওলোকে যি কয় তেওঁলোকৰ বক্তব্যত ক'ব। মোক ক'বলৈ দিয়ক চাৰ, মোৰ কোৱাৰ অধিকাৰ আছেনে নাই? এইটো কিহৰ নিয়ম চাৰ...... আপুনি ৰুলিং দিয়ক.....( হুলস্থুল) -- বাদ- বিবাদ....।

এইটো কি কথা। আজি team অসমৰ কথা কৈ মানুহক আস্থাত নলয়, কি আছে আমি কৰিম, সেইবোৰ আগতীয়াকৈ নকৈ direct গুলিয়াবলৈ যিটো এই চৰকাৰে আৰম্ভনিতে ব্যৱস্থা কৰিছে, আজি এজন মানুহৰ মৃত্যুত প্ৰতিবাদ কৰিবলৈ যাওঁতে গুলিয়াব ।আবেগিক সকলো হয়, তেওঁলোকে প্ৰথমে water canon, ৰাবাৰ বুলেট, কন্দুৰা গেছ সেইবোৰ কিয় ব্যৱহাৰ কৰা নাই। চৰকাৰে এতিয়া ডাঙৰ ডাঙৰ কথা কৈ আছে। কিন্তু এইবোৰ কিনক, water canon, ৰাবাৰ বুলেট, কন্দুৰা গেছ ব্যৱহাৰ কৰক। ইয়াৰ পিছত ডাঙৰ ডাঙৰ event হৈছে। যোৱা দুবছৰ **২০১৬-১৭, ২০১৭-১৮** বৰ্ষত মোৰ বাগানৰ ল'ৰা মুখ্যমন্ত্ৰী সমষ্টিৰ আৰু বিভিন্ন ঠাইত গৈছিলো সেইবোৰত খেলৰ সামগ্ৰী এতিয়ালৈকে পোৱা নাই। আজি কৈ আছে যুৱক সকলক আমি আগুৱাই নিম। আজি যুৱক সকলক আগুৱাই নিয়াৰ কথা কৈছে, কিন্তু খেলৰ সামগ্ৰী যোৱা দুবছৰে এতিয়ালৈকে পোৱা নাই। মই ভাৰিছিলো, শাসকীয়া দলৰ চাৰিজনকৈ মহিলা বিধায়িকা আছে, কমলী বসুমতাৰী ডাঙৰীয়ানি, ৰেণুকা ৰাজখোৱা ডাঙৰীয়ানি, দুইগৰাকী আৰু বাইদেউ আছে, মই ভাৰিছিলো মহিলা সৱলীকৰণৰ বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিব আৰু চৰকাৰে কিবা কব, চৰকাৰী পক্ষৰ পৰা আহিব। কিন্তু মহিলা সৱলীকৰণৰ বিষয়ে কোনো উল্লেখ কৰা নাই। মহিলা সকলৰ কথা পাহৰিয়ে গ'ল। আজি মহিলা আত্মসহায়ক গোটৰ তেনেকুৱা অনুদান দিয়াৰ কথা ইয়াত উল্লেখ নাই। মহিলা সকলক এটা বেটেলিয়ান কেম্প কৰাৰ, তেওঁলোকক নিযুক্তি কৰা। আজি ছয়- জনগোষ্ঠিৰ প্ৰশংগত মহিলাৰ কথা উল্লেখ নাই। আমি বাৰে প্ৰতি কৈ আছো যে ছয়- জনগোষ্ঠিৰ কথাটো কি হ'ল। ইয়াত ছয়- জনগোষ্ঠিক কোনো কথা উল্লেখ নকৰাকৈ, ইয়াক অৱমাননা কৰাৰ নিচিনা হৈ আছে। আজি যদি আমি চাওঁ, প্ৰধান মন্ত্ৰী আহিল কিবা কিবি project ৰ কথা কলে। দুটাকৈ আমাৰ ইয়াত পেপাৰ মিল, এই পেপাৰ মিল দুয়োটা মৃত্য প্ৰায় অৱস্থাত আছে। আজি মানুহৰ বেমাৰ-আজাৰ হৈ আছে। আজি এই পেপাৰ মিল আগুৱাই নিবৰ কাৰণে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আজি Advantage Assam ৰ কথা কোৱা হৈছে। আজি আহিব investor, MoU sign হৈছে। কেইটা কিমান sign হৈছে মন্ত্ৰী মহোদয়ে নিশ্চয় আমাক জনাব। অসম আগুৱাই যাওঁক আমি বিচাৰো, কিন্তু সৰু সৰু যিবোৰ কথা, স্কুলৰ unifrom, দুখীয়া লৰা-ছোৱালী বিলাকে স্কুলৰ unifrom

নোপোৱা হ'ল। আজি computer স্কুল বিলাকত কোনে পাব, যি সকলে distinction পাই। distinction পাই কোনে? যাৰ ঘৰত টিউচন দিব পাৰে, সেইজনে পাই । যি সকলৰ মাক-বাপেক পঢ়া-শুনা কৰা, পঢ়াত অলপ চাই দিব পাৰে। তেওঁলোকে আজি distinction পাব, computer পাব। কিন্তু সাধাৰণ এখন গাওঁৰ , বাগানাৰ, চৰ অঞ্চলৰ, পাহৰীয়া অঞ্চলৰ দুখীয়া ঘৰৰ লৰা-ছোৱলীয়ে আনন্দ ৰাম বৰুৱা পুৰস্কাৰ নাপায়। মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা দেৱে শাসকীয় দলৰ বিধায়ক, তেওঁ নিজে কবলৈ বাধ্য হৈছে। স্কুলবিলাকৰ পৰা computer teacher বন্ধ কৰি দিয়া হ'ল। ড০ বাণীকান্ত ডাঙৰীয়াৰ নামত লোৱা হৈছে, আমি বেয়া পোৱা নাই। কিন্তু সেই computer teacher কিয় বন্ধ কৰি দিয়া হ'ল। আজি scooty ৰ নামত টকা খৰছ কৰিছে চৰকাৰে। আমি ধাৰণা কৰিছো ১০০০ খন স্কুটি দিব, ৫১,৭০০ টকা দামৰ, pleasure দিব চৰকাৰে, অনুমানিক ৫.৭০ কোটি। আমি দিছিলো ৭৫ হাজাৰ ৮০ হাজাৰ চাইকেল। তুলনা কৰিলে ৫ হাজাৰ এখন চাইকেলৰ দাম। ৩৫ কোটি টকা দিছিলো আৰু এই চৰকাৰে ছোৱালীৰ নামত খৰছ কৰিছে ৫.৭০ কোটি টকা। আজি এয়াই উন্নতি।

আজি জৱ কাৰ্ড, টাউনত ৰিক্সাৱালা, ঠেলাৱালা, চৰকাৰী কৰ্মচাৰী থাকে, কিন্তু গাঁৱত কোন থাকে? গাঁৱত ৮০ ভাগ দুখীয়া মানুহ থাকে।

আমাৰ চৰকাৰে দি আছিলে বৰ্তমান চৰকাৰে তাকে দি আছে। কিন্তু আমাৰ চৰকাৰে দিছিল ১৫ দিনৰ ভিতৰত টকা। এই চৰকাৰে ২ মাহ, ৩ মাহ পলমকৈ MGNREGA ৰ পইচা দিয়ে।

আজি আশা কৰ্মী, অঙ্গনবাদী কৰ্মী তেওঁলোক কাক সেৱা কৰি আছে তেওঁলোকে চহৰ অঞ্চলৰ অলপ, গ্ৰাম্যঞ্চলৰ লোকসকলক সেৱা কৰি আছে। আশা কৰ্মী, অঙ্গনবাদী কৰ্মী আজি কেন্দ্ৰীয় চৰকাৰৰ , ৰাজ্য চৰকাৰৰ প্ৰাদেশিক তেওঁলোকে বৃদ্ধি হব বুলি এতিয়াও বাট চাই আছে। কিন্তু ইয়াত কোনো বৃদ্ধি কৰাৰ কথা উল্লেখ নাই। লফিকুল ইছলাম ঢুকালে, CBI enquiry দিম বুলি কলে কাগজ পত্ৰই। কিন্তু তিনি মাহৰ পিছত CBI enquiry দিছে। পলম কিয় হ'ল?

আজি NRC, অসম চুক্তিৰ আধাৰত হোৱাতো আমি সকলোৱে বিচাৰিছো। কংগ্ৰেছ দল, বিধায়নি দলৰ পৰা আমি এইটো সমৰ্থন জনাইছো। কিন্তু ইয়াক লৈ যিসকল প্ৰকৃততে ভাৰতীয়, প্ৰকৃততে অসমৰ তেওঁলোকৰ harassment হব নালাগে।

আজি ইয়াত মুখ্যমন্ত্ৰীয়ে নমামি বৰাক পাতিলে, তিনিটা দলং হব বুলি কলে। মই সেইদিনাখন মাজুলিলৈ গৈছিলো, ভাওনা সমাৰোহ আছিল, তাত মোক সুধিছিল যে আমাৰ দলং খনৰ কথাও অলপ বিধান সভাত কবচোন। সেই কাৰণে কৈ চাইছো, এতিয়া কথা হ'ল যে কোৱা আৰু কৰা, দুটা কথা।

গাঁও পঞ্চায়ত ইলেকচন, সকলোৱে জানে যে গাঁও পঞ্চায়ত ইলেকচন এটা সাংবিধানিক নিয়ম। গাঁও পঞ্চায়ত ইলেকচন হব লাগে। গাঁও পঞ্চায়ত ইলেকচন আজিলৈকে ঘোষণা হোৱা নাই। আমি Election Commission of Assam ক সুধিছিলো অসম চৰকাৰে টকা দিয়া নাই। টকা নাই নে টকা দিয়া নাই? Ministry resuffle টো নহ'ল। কয়লা চিণ্ডিকেট, ফুড চিণ্ডিকেট আৰম্ভ হৈ গ'ল। আৰু আগৰ তুলনাত সাংবাদিক দুই এজনে কৈছে এইটো অলপ বেছি হৈছে। যিকি নহওক আগৰ তুলনাত অলপ বেছি হৈছে। পৰিবৰ্তন গতিত, পৰিবৰ্তন ঘটিলে সময়, চৰকাৰী কাৰ্য্যলয়, স্কুলৰ মাষ্টাৰ সকলৰ পৰিবৰ্তন ঘটিল। বাগান বিলাকত এতিয়াৰ চৰকাৰে দিছে ২৫০০ টকা। আগত কিমান পাইছিলে চোলাৰ লেম, চাইকেল, পাৰৰটিলাৰ, আমি যদি এইবোৰ তুলনাকৰো আগৰ চৰকাৰে বহুত দিছিলে। এইয়ে পৰিবৰ্তন হৈছে বৰ্তমানৰ চৰকাৰে। বগীধলা চাহ

বাগিছাত আজিৰ তাৰিখৰ লৈকে চৰকাৰৰ কোনো এজন নগ'ল। তাতকৈ লজ্জা জনক, দুখ জনক কথা বিষয় হব নোৱাৰে। চাহ শ্ৰমিকক এই চৰকাৰে ঠগিলে। আজি এতিয়ালৈকে Assam Company Limited ৰ বাগান। Tata Company ৰ বাগান, আজি যেনেকৈ বন্ধ হবলৈ ধৰিছে, মই বিশেষ নকও সামৰিব বিচাৰিছো, এই বিধান সভাত **১০, ১২** মিনিট দেৰি কৰি অহা মন্ত্ৰী আৰু এজনো মন্ত্ৰী তেখেতৰ লগত উপস্থিত নথকা, এইটো কথা আইনত উল্লেখ আছে । অসম বিধান সভাৰ Rules of Procedure and Conduct of Business ৰ 275 (A) ত আছে। যেতিয়া আলোচনা হব প্ৰত্যেক মন্ত্ৰী থাকিব লাগে। আমি দেখিবলৈ পাইছো যে প্ৰধান মন্ত্ৰীৰ অসমৰ প্ৰতি কোনো সদিচ্ছা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী ৰমাকান্ত দেউৰী। (কাৰ্য্যসূচী নং ৪)

**মাননীয় উপাধ্যক্ষ শ্ৰীদিলীপ কুমাৰ পাল সদন পৰিচালনা কৰে ---**

**শ্ৰীৰমাকান্ত দেউৰী (মৰিগাওঁ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত সন্মানীয় বিধায়ক শ্ৰীদেবানন্দ হাজৰিকাই যোৱা ৬ ফেব্ৰুৱাৰী ২০১৮ তাৰিখে উপস্থাপন কৰা ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত মই দুষাৰ বক্তব্য ৰাখিব বিচাৰিছো। আমি ৰাইজৰ প্ৰতিনিধি। অসমৰ ৩ কোটি ২৫ লাখ ৰাইজে আমালৈ আশাৰে চাই আছে। পবিত্ৰ সদনৰ মজিয়ালৈ আমাক নিৰ্বাচিত কৰি পঠিয়াইছে ৰাইজৰ সমস্যাসমূহ সমাধানৰ বাবে। আমি ৰাইজৰ সমস্যা সমূহ সততা আৰু নিষ্ঠাৰে পবিত্ৰ সদনত উত্থাপন কৰিব লাগে। যোৱা ৬ তাৰিখৰ পৰা আজি ৯ তাৰিখ হ'ল, অসমৰ ৰাইজে এই সময়চোৱাত প্ৰচাৰ মাধ্যমৰ জৰিয়তে আমাৰ বক্তব্যসমূহ চাই আমাক প্ৰশ্ন কৰিছে, যে আপোনালোকে কয় পবিত্ৰ সদন বুলি, কিন্তু তাত উশৃঙ্খল-বিশৃঙ্খল কিয় হয়? যিহেতু আমাৰ ৰাইজে প্ৰতিনিধি কৰি পঠাইছে আমি ৰাইজৰ সমস্যাসমূহ দৃঢ়তাৰে পবিত্ৰ সদনত উত্থাপন কৰিব লাগে। মই ব্যক্তিগতভাৱে বিৰোধী দলৰ সদস্যসকলক আহ্বান জনাইছো যে এই পবিত্ৰ সদনত আমি সকলোৱে একেলগে দেশখনৰ, ৰাজ্যখনৰ সমস্যাসমূহৰ সমাধানৰ বাবে গঠনমূলক পৰামৰ্শ দাঙি ধৰিব লাগে আজি ৰাজ্যপালৰ ভাষণৰ এই বিতৰ্কত অংশগ্ৰহণ কৰি মই নিজকে প্ৰথমে দুৰ্ভাগ্যবান আৰু দ্বিতীয়তে সৌভাগ্যবান বুলি অনুভৱ কৰিছো। যিহেতু গতানুগতিক ভাৱে প্ৰতিজন প্ৰতিনিধিয়ে এই বিতৰ্কত অংশ গ্ৰহণ কৰিব লাগে, সেইবাবে ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তব্য ৰাখিছে। কিন্তু যদিহে কিবা ভুল হৈ গৈছে, তেতিয়াহ'লে তাক সুধৰাই দিয়া আমাৰ কৰ্তব্য। আমাৰ প্ৰতিজন প্ৰতিনিধিৰে দায়িত্ব আছে, মানুহেই ভুল কৰে, মানুহেই শুদ্ধ কৰে। গতিকে অসমৰ মহামান্য ৰাজ্যপালৰ ভাষণত যদিহে কিবা ভুল থাকি গৈছে তেতিয়া হ'লে শুধৰাই দিয়াটো আমাৰ কৰ্তব্য। মহামান্য ৰাজ্যপালৰ ভাষণটো পঢ়ি ভালদৰে হৃদয়ঙ্গম কৰি তেখেতৰ ভাষণৰ বাবে ধন্যবাদ জনাইছো। তেখেতৰ ভাষণত বিশেষকৈ উল্লেখ কৰিছিল যে অসমৰ জাতি-জনগোষ্ঠীৰ ন্যাৰ্য স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে ৰাজ্য চৰকাৰখনে যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ বাবে চৰকাৰখনে যি ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো সঁচাকৈ উল্লেখনীয়। নাগৰিক পঞ্জী উন্নিতকৰণৰ বাবে চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিলে সেয়া সচাঁকৈৰে প্ৰসংশনীয়। প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰীদেৱৰ সপোন আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ একান্ত প্ৰচেষ্টাত আৰু বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত যি পূবলৈ চোৱা নীতি অনুসৰি আমাৰ চুবুৰীয়া দেশসমূহৰ লগত অৰ্থনৈতিক সহযোগীতাৰ পৰিবেশ সৃষ্টি কৰি অসমৰ উদ্যোগীকৰণ ব্যৱস্থাৰে অসমৰ ৰাজধানীখনক একল উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ নহয় দক্ষিন-পূৱ এছিয়াৰ দুৱাৰমুখ কৰাৰ যি প্ৰয়াস কৰিছে সেৱাও প্ৰসংশনীয়। ভাষণত কৃষকসকলৰ কল্যাণাৰ্থে চৰকাৰে জলসিঞ্চন বিত্তীয় প্ৰতিষ্ঠানৰ জৰিয়তে সাহাৰ্য্য প্ৰদানৰ কথা কৈছে। কৃষকসকললৈ

ৰাজসাহাৰ্য্যযুক্ত ট্ৰেক্টৰ প্ৰদানৰ যি আঁচনি লৈছে সেইটো অসমৰ কৃষি খণ্ডলৈ এক বিপ্লৱ আনিব বুলি আমি ভাবিছো। মীনৰ ক্ষেত্ৰতো চৰকাৰে নিবনুৱাসকলৰ বাবে যি অভিলাসী আঁচনি গ্ৰহণ কৰিছে, সঁচাই আদৰণীয়। গড়কাপ্তানী বিভাগৰ জৰিয়তে চৰকাৰখনে বাট-পথ নিমার্ণৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে বিশেষকৈ গ্ৰাম্যাঞ্চলক নগৰ সংযোগী বাট-পথৰ মেৰামতিৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে চৰকাৰ ধন্যবাদৰ পাত্ৰ। শিক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ মাচুল ৰেহাই আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ পোৱা এহেজাৰ গৰাকী ছাত্ৰীক একোখনকৈ স্কুটি প্ৰদানৰ যি অভিলাসী আঁচনি ৰূপায়ণ কৰিলে, সেই আঁচনি শলাগ লবলগীয়া। স্বাস্থ্যখণ্ডৰ ক্ষেত্ৰত বিনামূলীয়া চিটিস্কেন আৰু অটল অমৃত অভিযানেৰ দুখীয়া ৰাইজৰ যি উপকাৰ কৰিলে সেয়া আমাৰ বাবে আদৰণীয় পদক্ষেপ। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে মহাত্মাগান্ধী নিশ্চিত নিয়োগ আইনৰ অধীনত ২০১৮ চনৰ ১০ জানুৱাৰীলৈ ৩৬ কোটি শ্ৰমদিনৰ সৃষ্টি কৰি আৰু ১৪ লাখ পৰিয়ালক নিযুক্তি আগবঢ়োৱা হৈছে ৪২ লাখতকৈ অধিক পৰিয়ালক জৱকাৰ্ড প্ৰদান কৰা হৈছে। ৭ হাজাৰ ২০০ তকৈ অধিক বিশেষ ভাৱে দিবাঙ্গলৈ নিযুক্তিৰ যি ব্যৱস্থা কৰিছে সেয়া সঁচাকৈয়ে প্ৰসংশনীয়। শক্তি বিভাগতো চৰকাৰখনে যথেষ্ট ভাল পদক্ষেপ গ্ৰহণ কৰিছে। শক্তি বিভাগৰ জৰিয়তে চৰকাৰে দহ হাজাৰ আনুসঙ্গিক ভাৱে বিদ্যুৎ যোগান থকা গাঁৱৰ ভিতৰত ৪৭০০ খন গাঁৱত বিদ্যুৎ যোগান দিয়া হৈছে। ১০০ শতাংশ বিদ্যুৎ যোগানাৰ বাবে সৌভাগ্য আঁচনিৰ ভিতৰত ২০১৮ চনৰ মাৰ্চ মাহৰ ভিতৰত আমাৰ চৰকাৰে সকলো পৰিয়ালৰ বিদ্যুৎ যোগানৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে মই আমাৰ চৰকাখনক ধন্যবাদ জ্ঞাপন কৰিছো। মই অনুৰোধ জনাইছো যে বিভিন্ন সময়ত বিভিন্ন সমস্যাৰ সৃষ্টি হ'লেও ৰাজ্য চৰকাৰখনে জনকল্যাণৰ বাবে যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছে সেইটো আমি সঁচাকৈ শলাগ ল'ব লাগিব। সমাজ কল্যাণ বিভাগত, জনজাতি কল্যাণৰ লগতে চৰ অঞ্চলত বাস কৰা লোকসকলৰ বাবে টেক্সি, ই-ৰিক্সা, হেণ্ডপাম্প আদি বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। গতিকে মই আশা ৰাখিছো, এইখন চৰকাৰে যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছে তাৰ প্ৰতি আমাৰ প্ৰতিজন প্ৰতিনিধিয়ে সহযোগীতা আগবঢ়াব। ৰাজ্যখনৰ উন্নতিৰ বাবে অকল চৰকাৰে নহয় আমাৰ প্ৰতিজন সদস্যৰে দায়িত্ব আছে। গতিকে এইখিনি কথাকে কৈ মহামান্য ৰাজ্যপালক তেখেতৰ ভাষণৰ বাবে ধন্যবাদ জ্ঞাপন কৰি ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ বক্তব্য সামৰণী মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীচক্ৰধৰ গগৈ, পাছ মিনিট আছে আপুনি শেষ কৰক।

**শ্ৰী চক্ৰধৰ গগৈ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ৬ তাৰিখৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আমাৰ মাননীয় সদস্য শ্ৰী দেবানন্দ হাজৰিকা দেৱে আনিছে, তাৰ সপক্ষে মই মোৰ ব্যক্তব্য ৰাখিব বিচাৰিছো। যোৱাকালি পৰহিৰ পৰা আমি বিৰোধী দলৰ পৰা বহু কথা শুনিছো লগতে আমাৰ শাসকীয় দলৰ মন্তব্য শুনিছো, কিন্তু এটা কথা মই বুজি নাপালো মাননীয় উপাধ্যক্ষ মহোদয়, যিদিনা আমাৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াই ভাষণ প্ৰদান কৰিছিল, সেইদিনা বিৰোধীয়ে যি ধৰণে আচৰণ কৰিছিল সেই আচৰণ দেখি আমি নৱাগত সদস্য হিচাপে অতি মৰ্মাহত। কাৰণ ৰাজ্যপাল গৰাকী আমাৰ ভাৰতীয় জনতা পাৰ্টীৰ বা মিত্ৰ যোটৰ কোনো প্ৰতিনিধি নাছিল, তেখেত আমাৰ ৰাজ্যখনৰ সাংবিধানিক মুৰব্বী আৰু তখেত আমাৰ ৰাজ্যপাল হিচাপে সকলোৱে শ্ৰদ্ধা কৰা উচিত আৰু তেখেতৰ বক্তব্যক আমি সকলোয়ে শুনা উচিত আছিল। কিন্তু বিৰোধী পক্ষই তেখেত সকলৰ ধৈৰ্য্য হেৰুৱাই, তেখেত সকলৰ শুনিবলৈ সাহস নথকাৰ বাবে এটা হুলুস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰি মাননীয় ৰাজ্যপালগৰাকীক অৱমাননা কৰা যেন আমাৰ অনুভৱ হৈছে । গতিকে ভৱিষ্যতৰ দিনত তেনেধৰণৰ কাৰ্য্যৰ পৰা বিৰত থাকি এটা গঠনমূলক দিশত

কথাখিনি ভাৱিবৰ কাৰণে আমাৰ ফালৰ পৰা আহ্বান জনাইছো। তেখেতে যি ভাষণ প্ৰদান কৰিলে ইয়াত আমাৰ শাসকীয় গোষ্ঠীৰ বা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বা চৰকাৰৰ নিৰ্দেশ নাছিল। তেখেতে মাত্ৰ আমাৰ চৰকাৰে কৰা ভাল কামখিনিৰ খতিয়ান দাঙি ধৰিছিল আৰু সেইখিনি ভাৰতীয় সংবিধানৰ ১৭৬ (১) নং অনুচ্ছেদৰ অধীনত এখেতে এই ভাষণ প্ৰদান কৰিছিল। কিন্তু আমাৰ বিৰোধী দলে তাক নস্যাৎ কৰি সংবিধানক অৱমাননা কৰাৰ লগতে মাননীয় ৰাজ্যপাল গৰাকীকো তেখেত সকলে অৱমাননা কৰিছে। গতিকে তাৰ কাৰণে বিৰোধীক মোৰ ফালৰ পৰা এইটো ধিক্কাৰ দিছো, যে ভৱিষ্যতে এনে ধৰণৰ কাৰ্য্যত যদি পুনৰ তেখেত সকলে লিপ্ত হয় তেতিয়া আমি বুজি পাম যে তেখেত সকলে ভাৰতীয় সংবিধানক অৱমাননা কৰিবলৈ কুণ্ঠাবোধ নকৰে। মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আমাৰ পৰিবৰ্তনকামী চৰকাৰখনৰ মুৰব্বী মাননীয় সৰ্বানন্দ সোণোৱাল দেৱলৈ ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতৰ সৱল নেতৃত্বত চৰকাৰখনে বৰাক ব্ৰহ্মপুত্ৰ, পৰ্বত-ভৈয়াম আৰু বিভিন্ন জাতি-জনগোষ্ঠীক একাকাৰ কৰি এক বৃহত্তৰ অসমীয়া সৱল অসমীয়া জাতি নিৰ্মাণৰ কাৰণে তেখেতে এটা নতুন জন জাগৰণৰ সৃষ্টি কৰিছে আৰু তেখেত কেৱল এগৰাকী দক্ষ মুখ্যমন্ত্ৰী বা প্ৰশাসক বুলি আমি কব নোৱাৰো প্ৰকৃতাৰ্থত তেখেত এগৰাকী সমাজ-সংস্কাৰক, যাৰ-যোগেদী তেখেতে সমগ্ৰ অসমীয়া সমাজখনক বিশেষভাৱে আমাৰ নৱ প্ৰজন্মৰ মানুহখিনিক তেখেতে উদ্দীমতাৰে জীয়াই থাকিবলৈ শাহস আৰু প্ৰেৰণা যোগাইছে। লগতে আত্মনিৰ্ভৰশীল হৈ জীয়াই থাকিবলৈ তেখেতে সাহস প্ৰদান কৰিছে আৰু একেতা সময়তে তেখেতে দেশাত্মবোধৰ ভাৱেৰে আৰু আধ্যাত্মিক ধ্যান ধাৰণাৰে পুষ্ট এখন সৱল সমাজ নিৰ্মাণ কৰিবৰ কাৰণে আহোপুৰুষাৰ্থ কৰিছে। এইখিনিতে আমি উল্লেখ কৰিব লাগিব তেখেতৰ মন্ত্ৰী সভাত থকা মাননীয় মন্ত্ৰী সকলে অতি নিষ্ঠাৰে জাতি আৰু দেশৰ সেৱাত ব্ৰতী হৈ নিজকে উৎসৰ্গা কৰিছে। গতিকে প্ৰত্যেকজন মন্ত্ৰীয়ে আত্ম নিষ্ঠাৰে কাম কৰিছে আৰু আমাৰ শাসকীয় দলৰ প্ৰত্যেকগৰাকী বিধায়কে নিষ্ঠা সহকাৰে কাম কৰি গৈছে। আজি বিৰোধী পক্ষই মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত মাননীয় প্ৰধান মন্ত্ৰীৰ সন্দৰ্ভত কৰা উক্তিক তেখেত সকলে সংশোধনা কৈছো যে আমাৰ প্ৰধান মন্ত্ৰী গৰাকীৰ আমাৰ ৰাজ্যখনৰ প্ৰতি সদিচ্ছা নাই। কিন্তু তেখেত সকলক আমি প্ৰশ্ন কৰিব বিচাৰিছো যে তেখেত সকলৰো এগৰাকী প্ৰধান মন্ত্ৰী আছিল, যিয়ে এইখন অসমৰ পৰা প্ৰতিনিধিত্ব কৰি ১০ বছৰ ভাৰতবৰ্ষত প্ৰধান মন্ত্ৰী হিচাপে আছিল। কিন্তু তেখেত সকলৰ শাসনৰ কালত কিমান সদিচ্ছা দেখুৱালে সেই গৰাকী প্ৰধান মন্ত্ৰীয়ে, তেখেত সকলে হিচাপ দিয়ক। ১০ টা বছৰত তেখেত সকলে কিমান দেখুৱালে আমাৰ অসমৰ প্ৰতি ভাল ভাৱ, বা অসমপ্ৰীতি দেখুৱালে, কিমান অনুষ্ঠান-প্ৰতিষ্ঠান অসমত গঢ়িলে । কেৱল Look East Policy কৰি তেখেত সকলে থৈ দিলে। কিন্তু এতিয়া আমাৰ প্ৰধান মন্ত্ৰী গৰাকীয়ে Look East অকল পূবলৈ চাই থাকিলে নহব, পূবক আমি কাৰ্য্যকৰী কৰিব লাগিব আৰু এইটো কৰিবৰ কাৰণে তেখেতে এতিয়া Act East Policy কাৰ্য্যকৰী কৰিবৰ কাৰণে আগবাঢ়ি গৈছে আৰু সেই কাৰণে আমি অসম বাসী মানুহে, অসম চৰকাৰখনে অনুপ্ৰাণিত হৈছো মাননীয় প্ৰধানমন্ত্ৰী গৰাকীৰ আশীৰ্বাদ পুষ্ট হৈ, প্ৰত্যেক দিশত আজি আমাক আগবঢ়াই নিবলৈ সক্ষম হৈছে আৰু প্ৰত্যেকটো দিশত অসমক আগবঢ়াই নিবৰ বাবে তেখেতে আহোপুৰুষাৰ্থ কৰিছে আৰু আমাৰ চৰকাৰখনেও

**মাননীয় উপাধ্যক্ষ** ঃ আপোনাৰ সময় শেষ হৈ গল আপুনি শেষ কৰক। আপুনি পিছত ক'ব। আপুনি ১২ তাৰিখে সোমবাৰে ৫-১০মিনিট কব পাৰিব।

**এতিয়া সদন ইংৰাজী ১২-০২-২০১৮ সোমবাৰ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হল।**